# নতুন গণিত

## চতুৰ্থ ভাগ

## (পাঠ্যপুথি তথা অভ্যাসন পুথি)

## চতুৰ্থ শ্ৰেণীৰ বাবে

**প্ৰস্তুতকৰণ**

**ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**

**কাহিলিপাৰা, গুৱাহাটী-১৯**

নাম ঃ.....................................................................

বিদ্যালয়ৰ নাম ঃ...........................................................

শ্ৰেণী ঃ ...................................... ৰোল নং ঃ.................

অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড, গুৱাহাটী

**NATUN GANIT : Chaturtha Bhaag :** A textbook cum workbook for class-IV in Assamese medium developed and reviewed by SCERT, Assam through workshops and approved by the Government of Assam and Published by the Assam State Textbook Production and Publication Corporation Limited, Guwahati.

FREE TEXTBOOK

---

All rights reserved : No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews) may be made without written authorization from the copyright authorities.

© : State Council of Educational Research and Training, Assam

**প্ৰথম প্ৰকাশ** ঃ ২০১৮
**দ্বিতীয় প্ৰকাশ** ঃ ২০১৯
**তৃতীয় প্ৰকাশ** ঃ ২০২০
**চতুৰ্থ প্ৰকাশ** ঃ ২০২১

ঃ 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি ।

ঃ অসম চৰকাৰৰ অৰ্থ সাহায্যত বিনামূলীয়াকৈ বিতৰণৰ বাবে প্ৰকাশিত পাঠ্যপুথি।

প্ৰকাশক ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু
প্ৰকাশন নিগম লিমিটেড, গুৱাহাটী

মুদ্ৰক ঃ

# শুভেচ্ছা বাণী

## শিক্ষামন্ত্রী

# পাতনি

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিত উল্লেখ কৰা শিশুকেন্দ্ৰিক শিক্ষা পদ্ধতিৰ সফল ৰূপায়ণৰ লগতে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ ক্ষেত্ৰত বিদ্যালয়সমূহত পাঠ্যপুথিৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। এই কথাকে সাৰোগত কৰি ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ অসমে, অসম চৰকাৰৰ নিৰ্দেশ সাপেক্ষে সময়ে সময়ে প্ৰাথমিক স্তৰৰ পাঠ্যপুথিসমূহ প্ৰস্তুত আৰু পুনৰীক্ষণ কৰি আহিছে। এই বেলি অসম চৰকাৰৰ নিৰ্দেশ অনুযায়ী ২০১৯ চনৰ শৈক্ষিক বৰ্ষৰ পৰা প্ৰচলন হ'ব পৰাকৈ প্ৰাথমিক বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে 'নতুন গণিত চতুৰ্থ ভাগ' পাঠ্যপুথি তথা অভ্যসন পুথিখন প্ৰস্তুত কৰি উলিয়াইছে। এই পুথিখন 'ৰাষ্ট্ৰীয় কেৰিকুলাম ৰূপৰেখা, ২০০৫'ৰ আধাৰত প্ৰাথমিক পৰ্যায়ৰ বাবে প্ৰস্তুত কৰা ৰাজ্যিক পাঠ্যক্ৰম আৰু শেহতীয়াকৈ ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ, নতুন দিল্লীৰ দ্বাৰা প্ৰস্তুত কৰা 'শিকনৰ ফলাফল' (Learning Outcome)ৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে।

গণিতৰ প্ৰাথমিক ধাৰণাবোৰ আয়ত্ত কৰাওঁতে শিশুসকলে যাতে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই পাঠ্যপুথিখনত পৰিৱেশ ভিত্তিক ক্ৰিয়া-কলাপ সন্নিৱিষ্ট কৰা হৈছে। পাঠ্যপুথিৰ পাঠসমূহৰ আদান-প্ৰদানৰ ক্ষেত্ৰত শিক্ষকসকলে পাৰ্যমানে বাস্তৱ বস্তুৰ সহায় লৈ শিকন প্ৰক্ৰিয়া আনন্দদায়ক কৰিব বুলি আশা কৰা হ'ল।

কৰ্মশালাৰ জৰিয়তে পাঠসমূহ প্ৰস্তুত কৰোঁতে অভিজ্ঞ শিক্ষক, শিক্ষক-প্ৰশিক্ষকৰ সহায় লোৱা হৈছে। এই ছেগতে তেখেতসকলক আমাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

কটন কলেজৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° তাৰকেশ্বৰ চৌধুৰী আৰু কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দিলীপ কুমাৰ শৰ্মা দেৱে পাঠসমূহৰ পুনৰীক্ষণ কৰাৰ বাবে তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

সদাশয় শিক্ষাপ্ৰেমী ৰাইজৰ গঠনমূলক দিহা-পৰামৰ্শই ভৱিষ্যতে পুথিখনৰ সংশোধনত বৰঙণি যোগাব বুলি আশা কৰা হ'ল।

(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

# সূচীপত্ৰ


| | পাঠৰ নাম (Chapter) | পৃষ্ঠা (Page No) |
|---|---|---|
| ১ | আকৃতি আৰু নক্সা (Shape and figure) | ৬-১৭ |
| ২ | সংখ্যাৰ ধাৰণা (Concept of numbers) | ১৮-৩৩ |
| ৩ | দৈৰ্ঘ্য (Length) | ৩৪-৪৩ |
| ৪ | টকা আৰু পইচা (Money) | ৪৪-৫৪ |
| ৫ | বৃত্ত (Circle) | ৫৫-৬০ |
| ৬ | পূৰণ (Multiplication) | ৬১-৭০ |
| ৭ | তথ্যৰ ব্যৱহাৰ (Use of Data) | ৭১-৭৬ |
| ৮ | হৰণ (Division) | ৭৭-৮৭ |
| ৯ | চানেকি (Pattern) | ৮৮-৯৬ |
| ১০ | ওজন (Weight) | ৯৭-১০৬ |
| ১১ | ভগ্নাংশ (Fraction) | ১০৭-১২০ |
| ১২ | আয়তন (Capacity) | ১২১-১২৭ |
| ১৩ | পৰিসীমা আৰু কালি (Perimeter and Area) | ১২৮-১৩৩ |
| ১৪ | সময় (Time) | ১৩৪-১৪৫ |
| | মৌখিক গণিত (Oral Arithmetic) | ১৪৬-১৪৯ |
| | শিকনৰ ফলাফল (Learning outcomes) | ১৫০-১৫১ |

পাঠ - ১
Lesson-1

# আকৃতি আৰু নক্সা
# Shape and Figure


তলৰ ছবিখনত কি কি জ্যামিতিক আকৃতি দেখিছা আঁকা

**Look at the following picture and draw the geometrical shapes**





তলত দিয়া বস্তুবোৰৰ আকৃতিবোৰৰ নাম লিখা

**Name the geometric shapes of the following objects**


.............................. .............................. .............................. ..............................


.............................. .............................. ..............................



## ঘনক আৰু আয়তীয় ঘনক Cube and cuboid




ঘনক (Cube )




আয়তীয় ঘনক (Cuboid)

এটা ঘনক/আয়তীয় ঘনকৰ ৬ খন তল, ৮টা চুক আৰু ১২টা কাষ থাকে। এটা ঘনকৰ আটাইকেইখন তল বৰ্গ আৰু আয়তীয় ঘনকৰ আটাইকেইখন তল একোটা আয়ত।


**কেইটামান ঘনক আৰু আয়তীয় ঘনকৰ উদাহৰণ চাওঁ আহা**

**Let us take few examples of cube and cuboid**






## গোলাকৃতি (Sphere)




গোলকৰ কোনো কাষ আৰু চুক নাথাকে। ইয়াৰ তল এখন। গোলকৰ তলখন সমতল নহয়। এই তলখনক **বক্ৰতল** (Curved surface) বোলে।


**গোলাকৃতি বস্তুৰ উদাহৰণ Examples of spherical objects**







## চুঙা (Cylinder)

চুঙা দুই ধৰণৰ
Two types of cylinders




**এমূৰ বন্ধ চুঙা (A cylinder with one closed end)**

এমূৰ বন্ধ চুঙাৰ তল দুখন। এখন সমতল আৰু এখন বক্ৰতল। ইয়াৰ কাষ দুটা। ইয়াৰ চুক নাই।





**দুই মূৰ খোলা চুঙা (A cylinder with two open ends)**

দুই মূৰ খোলা চুঙাৰ তল এখন। এইখন বক্ৰতল। ইয়াৰ কাষ দুটা। ইয়াৰ চুক নাই।

**চুঙাকৃতিৰ বস্তুৰ উদাহৰণ** (Examples of cylindrical objects)




## শংকু (Cone)





এটা শংকুৰ দুখন তল থাকে। এখন সমতল আনখন বক্ৰতল। ইয়াৰ কাষ এটা আৰু চুক এটা।

**শংকু আকৃতিৰ বস্তুৰ উদাহৰণ (Examples of conical objects)**




তলৰ তালিকাখন সম্পূৰ্ণ কৰা (Fill in the table given below)

| বস্তু (Objects) | আকৃতিৰ নাম (Shape of the object) | কাষৰ সংখ্যা (Number of Edges) | চুকৰ সংখ্যা (Number of Corners) | তলৰ সংখ্যা (Number of Faces) |
|---|---|---|---|---|
|  | | | | |
|  | | | | |
|  | | | | |
|  | | | | |
|  | | | | |

**কৰি চাওঁ আহা (Let us do)**

মিঠাইৰ বাকচ বা চকৰ বাকচ এটা লোৱা।

কাষত দেখুওৱাৰ নিচিনাকৈ বাকচটো ভাঁজে ভাঁজে খোলা।




এতিয়া তুমি এখন সমতল আকৃতিৰ কাগজ পালানে?

তুমি পোৱা সমতল আকৃতিটোৱেই হৈছে বাকচটোৰ **জালি (Net)**।

**জালিৰ পৰা আয়তীয় ঘনক সাজো আহা (Let us make a cuboid from a given 'Net')**

চিত্ৰ- ১ত দেখুওৱাৰ দৰে কাগজ এখিলাত আঁকা। আঁকি থোৱা অংশখিনি কাটি লোৱা। ফুট চিন অনুযায়ী কাগজখিলা ভাঁজ কৰা। এতিয়া তুমি এটা আয়তীয় ঘনক পালানে?





চিত্ৰ- ১




**নিজে সাজি চোৱা (Do by yourself)**


- চিত্ৰত দিয়াৰ দৰে জালিৰ জোখ অনুযায়ী এখন জালি কাটি এটা আয়তীয় ঘনক সাজা।
- ফুট (·) চিন অনুযায়ী ডাঠ কাগজ খিলা ভাঁজ কৰা।
- এতিয়া তুমি এটা আয়তীয় ঘনক পালানে?



## ঘনকৰ জালি সাজো আহা (Let us make a ‘Net’ of a cube)


চিত্ৰ- ২ত দেখুওৱাৰ দৰে কাগজ এখিলাত আঁকা। আঁকি থোৱা অংশখিনি কাটি লোৱা। ফুট চিন অনুযায়ী কাগজখিলা ভাঁজ কৰা। এতিয়া তুমি এটা ঘনক পালানে?




চিত্ৰ- ২

## জোখ অনুযায়ী ঘনকৰ এখন জালি আঁকা (Draw a Net of a cube according to the measurements given below)






**তলৰ কোনখন জালিৰে কাষত দিয়া ঘনকটো সাজিব পাৰিবা (✓) চিন দিয়া।** (Tick (✓) the **Net** given below with which you can make a cube.)

(ক)




(খ)






**তলৰ কোনখন জালিৰে কাষত দিয়া আয়তীয় ঘনকটো সাজিব পাৰিবা (✓) চিন দিয়া।** (Tick (✓) the **Net** given below with which you can make a rectangle)

(ক)



(খ)






কোনো পদপথ বা ঘৰৰ মজিয়াত লগোৱা টালিবোৰ পৰ্যবেক্ষণ কৰা (Observe the Tiles used in the pavement on floor)


ক



খ


গ


ওপৰত দিয়া টালিবিলাকত কি কি আকৃতি আছে চাওঁ আহা (Let us find out the different shapes of the tiles)



ক


খ



গ


তলত দিয়া টালিবিলাকত কি কি আকৃতি আছে আঁকা (Draw the different shapes of the tiles given below)


ক



খ


গ



ঘ


ঙ


চ



**তলত দিয়া আকৃতি অনুযায়ী টালিৰ নক্সা আঁকা (Draw tiling patterns according to the shapes given below)**



*জানি লওঁ আহা— টালিবোৰৰ মাজত অকণো খালী ঠাই নৰখাকৈ টালিৰ নক্সা এখন সজোৱা হয়।*

**কেনে দেখি চাওঁ আহা** (Let us observe how it appears)


**গাড়ী এখন** (A car)



সন্মুখৰ পৰা
(from the front/front view)



কাষৰ পৰা (from the side/side view)



ওপৰৰ পৰা
(from top/top view)


**ৰে'ল ইঞ্জিন (A train Engine)**



কাষৰ পৰা
(from the side)



সন্মুখৰ পৰা
(from the front)



ওপৰৰ পৰা (from top)

**কোনো এটা বস্তু বেলেগ বেলেগ দিশৰ পৰা চালে বেলেগ বেলেগ দেখা যায়**


**তলৰ ছবিবোৰ চোৱা আৰু কোনটো দিশৰ পৰা দেখা পাইছা লিখা (Look at the following pictures and state the directions from which you are looking at)**

কাপ এটা A cup





.......................  .......................

ঘৰৰ চিৰি (Stairs)




.......................  .......................

হাতী এটা (An elephant)


.......................  .......................

টেবুল এখন (A table)





.......................  .......................


**কৰি চাওঁ আহা (Let us do)**



+ এখন কাগজ ভাঁজ কৰি লোৱা।
+ কাগজ খিলা মেলি দিয়া।
+ যি কোনো ৰঙৰ টোপাল এটা ভাঁজত ঢালি দিয়া।





+ কাগজ খিলা ভাঁজে ভাঁজে জাপি দিয়া।
+ কিছু সময়ৰ পাছত কাগজখিলা মেলি দিয়া।
+ কাগজখিলা ভাজৰ দুয়োফালে ৰঙৰ একে ধৰণৰ দুটা নমুনা দেখিবলৈ পালানে?



+ এনেধৰণৰ নমুনাৰ এটা ভাগ আনটোৰ **সদৃশ** (Similar) বুলি কোৱা হয়।

**তলৰ ছবিবোৰ চোৱা। ফুট ৰেখা ডালে প্ৰতিখন ছবিক দুটা সদৃশ ভাগত ভাগ কৰিছে। (Look at the pictures given below. The dotted line divides each picture into two similar halves)**




  


A V W


**এতিয়া তলৰ ছবিবোৰ চোৱা। ফুট ৰেখাবোৰে ছবিবোৰক সদৃশ ভাগত ভাগ নকৰে (Now, look at the pictures given below. The dotted lines donot divide the pictures into similar halves.)**

N C F

**তলৰ ছবিবোৰত ফুটৰেখা আঁকা। ৰেখাডালে কোনবোৰ ছবিক দুটা সদৃশ ভাগত ভাগ কৰিছে (✓) চিন দিয়া। (Draw dotted lines on the pictures given below. Tick (✓) the lines which divide the pictures into two similar halves)**

 S M J


 X  


**তলৰ ছবিবোৰৰ বাকী অংশ আঁকি ছবি কেইখন সম্পূৰ্ণ কৰা (Complete the following pictures by drawing the remaining halves)**














আইনা এখনৰ সন্মুখত থিয় হোৱা। তুমি নিজকে তাত দেখিছানে? **(Stand in front of a mirror. Do you see your image there?)**




'ক ' গিলাচটো আইনা এখনৰ সন্মুখত থলে 'খ' গিলাচটোৰ নিচিনা ছবি দেখিবলৈ পাবা।




তলৰ ইংৰাজী আখৰ দুটা আইনাত চালে কেনে দেখি চাওঁ আহা। **(Let us see, how do the following English alphabets look in the mirror)**





এতিয়া তোমালোকে তলত দিয়া ইংৰাজী আখৰ কেইটা আইনাৰ সন্মুখত থলে কেনে দেখিবা চোৱা। **(Now, observe the following English alphabets when placed in front of a mirror)**

X L K

*শিক্ষকলৈ নিৰ্দেশনা ঃ প্ৰতিফলন (**Reflection**)ৰ জৰিয়তেও ছাত্ৰ-ছাত্ৰীক সমমিতিৰ ধাৰণা দিবলৈ চেষ্টা কৰিব।*

## পাঠ - ২
## Lesson-2

## সংখ্যাৰ ধাৰণা
## Concept of numbers

৫ জুন, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ৰংপুৰ অঞ্চলৰ কেইবাখনো গাঁৱৰ ৰাইজে মিলি গাঁৱৰ খালী পৰি থকা মাটিত একেলগে বহুতো গছৰ পুলি (**Saplings**) ৰুলে। এই গছ পুলিবোৰে পৰিৱেশ প্ৰদূষণ ৰোধ কৰাৰ লগতে গাঁওবাসীক ফুল, ফলমূল আদিৰ যোগান ধৰিব বুলি এজন শিক্ষকে সকলোকে বুজাই দিলে। তেওঁলোকে ৰুৱা পুলিবোৰৰ ভিতৰত নাহৰ, কদম, বকুল, আম, জাম, মধুৰিআম, কঁঠাল, পনিয়ল, আমলখি, অমৰা, কৰ্দৈ, শিলিখা আদি আছিল।

ৰংপুৰ অঞ্চলৰ গাঁওবাসীয়ে কোন বিধ গছৰ পুলি কিমানকৈ ৰুলে তালিকাত চাওঁ আহাচোন



| গছপুলিৰ নাম | গছপুলিৰ সংখ্যা (অংকৰে) |
|---|---|
| আম | ২২০ টা |
| জাম | ২৫৬ টা |
| কঁঠাল | ৩২২ টা |
| পনিয়ল | ৩৪৫ টা |
| মধুৰিআম | ৪৫৫ টা |
| বকুল | ৫০৬ টা |

| গছপুলিৰ নাম | গছপুলিৰ সংখ্যা (অংকৰে) |
|---|---|
| আমলখি | ৬৭৬ টা |
| অমৰা | ৭১১ টা |
| কৰ্দৈ | ৭৩১ টা |
| শিলিখা | ৮০০ টা |
| নাহৰ | ৮৩০ টা |
| কদম | ৯৩০ টা |

তালিকাত দিয়া বিভিন্ন গছৰ সংখ্যাবিলাক সৰুৰ পৰা ডাঙৰলৈ লিখা (**Write the number of saplings given in the table in increasing order**)-

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | | | | | | | |

গছপুলিৰ সংখ্যা তালিকাখন চাই বিচাৰি উলিয়াই লিখা (**Read the table and write as indicated below**)-

এককৰ স্থানত ৫ থকা সংখ্যা

দহকৰ স্থানত ০ থকা সংখ্যা

শতকৰ স্থানত ৭ থকা সংখ্যা

শতকৰ স্থানত ৮ থকা সংখ্যা

একক আৰু দহকৰ স্থানত থকা একে অংকযুক্ত সংখ্যাবোৰ লিখা (**Write the numbers which have same digit in the one's place and ten's place.**)-

| | | | |
|---|---|---|---|
| ৩২২ | | | |

গছপুলিৰ তালিকাত থকা যুগ্ম সংখ্যাবোৰ লিখা (**Write the even numbers in the table of saplings**)-

২২০,

গছপুলিৰ তালিকাত থকা অযুগ্ম সংখ্যাবোৰ লিখা (**Write the odd numbers in the table of saplings**)-

৩৪৫,

তালিকাত পোৱা আটাইতকৈ সৰু আৰু আটাইতকৈ ডাঙৰ সংখ্যা দুটা লিখা (**Write the smallest and the greatest number in the table**)-

আটাইতকৈ সৰু ______ আটাইতকৈ ডাঙৰ ______

তলৰ সংখ্যাকেইটা আখৰেৰে লিখা (**Write the following numbers in works**)-

২২০ ______________________ ৩৪৫ ______________________

৫০৬ ______________________ ৮০০ ______________________

**ঘেৰ দিয়া অংকবোৰ চোৱা আৰু অংকটোৰ স্থান আৰু স্থানীয় মান লিখা (Write the position/ place and place value of the encircled digit in the following numbers)**

| সংখ্যা | ঘেৰ দিয়া অংকটোৰ স্থান (Position of the encircled digit) | ঘেৰ দিয়া অংকটোৰ স্থানীয় মান (Place Value of the encircled digit) |
|---|---|---|
| ১(৪)৩ | দহক | ৪ দহক = ৪ × ১০ = ৪০ |
| (২)০ ৪ | | |
| ৮ ৭(৬) | | |
| ৩ (২) ৩ | | |
| (৭)৭ ৪ | | |
| ৫(০)৫ | | |
| (৯)৯ ৯ | | |
| ৮(২)৪ | | |
| ৭ ৮(০) | | |
| (৯)০ ৬ | | |

**স্থানীয় মান হিচাপে বিস্তৃত ৰূপত সংখ্যাবোৰ লিখা (Express the numbers in expanded form according to their place value)**

৪০৫ = ৪০০ + ০ + ৫ ৮১০ = ............. + ............. + .............

৬৪২ = ............. + ............. + ............. ৯১১ = ............. + ............. + .............

৭৮৯ = ............. + ............. + ............. ৯৯৯ = ............. + ............. + .............

**তলৰ অংকবোৰেৰে কি কি সংখ্যা লিখিব পাৰি?** (What are the numbers that can be formed using the following digits?)

২, ৬, ৪ ঃ ২৪৬, ২৬৪, ৪২৬, ৪৬২, ৬২৪, ৬৪২

৪, ১, ৯ ঃ ............., ............., ............., ............., ............., .............


৫, ২, ০ ঃ ............., ............., ............., ............., ............., .............

৬, ৯, ৫ ঃ ............., ............., ............., ............., ............., .............

## সোণতলী গাঁৱৰ মহিলা সমবায় (Women co-operative society of Sontoli Village)

সোণতলী গাঁৱৰ মহিলা সমবায় গোটে মাছ পোহাৰ **(breed fishes)** বাবে এটা পুখুৰী খান্দিবলৈ যো-জা কৰিলে। তাৰ বাবে তেওঁলোকে টকাৰো যোগাৰ কৰিলে। চাওঁ আহাচোন কোনে কিমান টকা দিলে।

| | | |
|---|---|---|
| সেউজী পেহী | ১৬০০ | টকা |
| ৰমলা মাহী | ২২০০ | টকা |
| তগৰ জেঠাই | ৩১০০ | টকা |
| গোলাপী বাইদেউ | ২৫০০ | টকা |
| বকুলী আইতা | ৫০০ | টকা |



**তেওঁলোকে দিয়া টকাৰ সংখ্যাবোৰ আখৰেৰে লিখো আহা**

| | | |
|---|---|---|
| ১৬০০ | টকা | এক হাজাৰ ছশ টকা |
| ২২০০ | টকা | ................................ |
| ৩১০০ | টকা | ................................ |
| ২৫০০ | টকা | ................................ |
| ৫০০ | টকা | ................................ |

**কম সংখ্যক কি কি নোট লগ লগালে তলত দিয়া টকাৰ পৰিমাণ হ'ব লিখা। (Minimum number of Notes of what values will add up to the total amount of money given below)**



| | | | | |
|---|---|---|---|---|
| সেউজী পেহী | ১৬০০ | টকা | = | ৫০০ টকা + ৫০০ টকা + ৫০০ টকা+ ১০০ টকা |
| ৰমলা মাহী | ২২০০ | টকা | = | ................................................................................ |
| তগৰ জেঠাই | ৩১০০ | টকা | = | ................................................................................ |
| গোলাপী বাইদেউ | ২৫০০ | টকা | = | ................................................................................ |
| বকুলী আইতা | ৫০০ | টকা | = | ................................................................................ |


তলৰ সংখ্যাবোৰ অংকেৰে আৰু আখৰেৰে লিখো আহা

| সংখ্যা (অংকৰে) (Numbers in figure) | সংখ্যা (আখৰেৰে) (Numbers in words) |
|---|---|
| ১০০১ | এক হাজাৰ এক |
| ১৬৫৪ | ........................ |
| ১৮৯১ | ........................ |
| ১৯৯১ | ........................ |
| ২০১৮ | দুই হাজাৰ ওঠৰ |
| ২৪৮৯ | ........................ |
| ২৭৮৬ | ........................ |
| ২৮৯৪ | ........................ |
| ২৭৭৫ | ........................ |
| ৩০০০ | ........................ |
| ——— | তিনি হাজাৰ দুশ বাইছ |
| ৩৫৭৫ | তিনি হাজাৰ পাঁচশ পঁয়সত্তৰ |
| ৩৭৪৮ | ........................ |
| ৩৮৭৯ | ........................ |
| ——— | চাৰি হাজাৰ |
| ৪১৫৬ | ........................ |
| ৪২৫৮ | ........................ |
| ৪৪৩৭ | ........................ |
| ৪৬৭৯ | ........................ |
| | পাঁচ হাজাৰ এশ ছয়ত্ৰিছ |

| সংখ্যা (অংকৰে)<br>**(Numbers in figure)** | সংখ্যা (আখৰেৰে)<br>**(Numbers in words)** |
|---|---|
| ৫৪১৩ | ............................................ |
| ৫৬৭৬ | ............................................ |
| ৫৮৯০ | ............................................ |
| ৬২১৪ | ............................................ |
| ৬৩৫০ | ছয় হাজাৰ তিনিশ পঞ্চাছ |
| ৬৪১৭ | ............................................ |
| ৬৭৮৯ | ............................................ |
| ______ | ছয় হাজাৰ আঠশ |
| ৬৯১০ | ............................................ |
| ৭০০২ | সাত হাজাৰ দুই |
| ৭৩৮৩ | ............................................ |
| ৭৬৬৬ | ............................................ |
| ৭৮৬৭ | ............................................ |
| ৮৩৫২ | ............................................ |
| ৮৬৫৪ | ............................................ |
| ৯১৯৫ | ন হাজাৰ এশ পঁচানৈৰে |
| ৯৬৬৫ | ............................................ |
| ৯৭১৭ | ............................................ |
| ৯৮৪৮ | ............................................ |
| ৯৯৯৯ | ............................................ |

৯৯৯৯ ৰ ললগত ১ যোগ কৰিলে কি সংখ্যা পাবা?

৯৯৯৯ ৰ লগত ১ যোগ কৰিলে ১০,০০০ পাম। ইয়াক আখৰেৰে **'দহ হাজাৰ'** (Ten Thousand) বুলি লিখা হয়।




**স্থানীয় মান অনুসৰি সংখ্যাবোৰ চাওঁ আহা (Let us read the numbers according to the place value)**

| সংখ্যা (Numbers) | দহ হাজাৰ (Ten Thousand) | হাজাৰ (Thousand) | শতক (Hundred) | দহক (Tens) | একক (Ones) |
|---|---|---|---|---|---|
| ১ | | | | | ১ |
| ১০ | | | | ১ | ০ |
| ১০০ | | | ১ | ০ | ০ |
| ১০০০ | | ১ | ০ | ০ | ০ |
| ১০০০০ | ১ | ০ | ০ | ০ | ০ |

**মহিলা সমবায়ৰ মাছৰ পুখুৰী (Women Cooperative Society's fish pond)**

পুখুৰীটো খন্দাৰ পিছত সমবায় গোটটোৱে তাত মাছৰ পোনা মেলি দিলে। মাছৰ পোনাবোৰ ডাঙৰ হোৱাত সেইবোৰ বিক্ৰী কৰি তেওঁলোকে এমাহত দহ হাজাৰ (১০,০০০) টকা পালে। তেওঁলোকে বেংকত টকাখিনি জমা **(Deposit)** থ'লে। কি কি নোটেৰে তেওঁলোকে দহ হাজাৰ (১০,০০০) টকা বেংকত জমা দিলে চাওঁচোন।



**নোটত থকা সংখ্যাবোৰ আখৰেৰে লিখা (Write the demoninations in the notes in words)**



২০০ টকাৰ নোট

দুশ টকা



৫০০ টকাৰ নোট

________________




২০০০ টকাৰ নোট

________________

**গাড়ীৰ নম্বৰ প্লেটত থকা সংখ্যাবোৰ আখৰেৰে লিখা (Write the numbers in the number plate of the cars in words)**




________________



________________



________________

**গাড়ীৰ নম্বৰ প্লেটত লিখিব পৰা আটাইতকৈ ডাঙৰ সংখ্যাটো হ'ল ৯৯৯৯। (The largest number that can be written in the number plate of a car is 9999)**

**নাজনীনৰ অসুখ**



কণমাণি নাজনীনৰ চিকিৎসাৰ বাবে ভালেখিনি টকাৰ প্ৰয়োজন হ'ল। সেই কথা খবৰ কাগজত পাই বহুলোকে নাজনীনৰ চিকিৎসাৰ বাবে চেক (Cheque) দিলে। তেওঁলোকে দিয়া চেকবোৰত থকা সংখ্যাবোৰ পঢ়া আৰু অংকেৰে লিখা।

ক্ৰ.ন. ১১২
তিনি হাজাৰ টকা
৩০০০ টকা

ক্ৰ.ন. ১৩০
দুই হাজাৰ পাঁচশ টকা
________ টকা

ক্ৰ.ন. ১২৪
চাৰি হাজাৰ এশ পাঁচ টকা
________ টকা

ক্ৰ.ন. ১২
ছয় হাজাৰ দুশ বিছ টকা
৬২২০ টকা

ক্ৰ.ন. ৬০
সাত হাজাৰ পাঁচশ পঁচাশী টকা
৭৫৮৫ টকা

ক্ৰ.ন. ১২০
আঠ হাজাৰ তিনিশ সোতৰ টকা
৮৩১৭ টকা

**খালী ঠাই পূৰ কৰা (Fill in the blanks)**

১০০৫ .......... .......... ১০০৮ .......... .......... .......... .......... .......... ১০১৪

২৩২৫ .......... .......... .......... .......... .......... .......... .......... .......... ..........

৩৪৬৭ .......... .......... .......... .......... .......... .......... .......... .......... ..........

৪৮৯৩ .......... .......... .......... .......... .......... .......... .......... .......... ..........

৫২৯৫ .......... .......... .......... .......... .......... .......... .......... .......... ..........

৬৭৩২ .......... .......... .......... .......... .......... .......... .......... .......... ..........

৭৭৭৮ .......... .......... .......... .......... .......... .......... .......... .......... ..........

৮৪৩৩ .......... .......... .......... .......... .......... .......... .......... .......... ..........

৯৮৩৫ .......... .......... .......... .......... .......... .......... .......... .......... ..........

৯৯৯১ .......... .......... .......... .......... .......... .......... .......... .......... ১০০০০

**তলৰ সংখ্যাবোৰৰ আগৰ আৰু পাছৰ সংখ্যাবোৰ লিখা (Write the numbers that comes before and after the following given numbers)**

| | | | | | |
|---|---|---|---|---|---|
| | ১০০০ | | | ২৩৫০ | |
| | ৩৪৯৯ | | | ৪৮০০ | |
| | ৫৮৩২ | | | ৬৭৮৯ | |
| | ৭০৮০ | | | ৮৫০১ | |



সংখ্যা যোৰৰ ডাঙৰটোত ✓ চিন দিয়া

| | |
|---|---|
| ৩৬৭১ ✓ | ২৩৭৭ |
| ৬৩২০ | ৭৩২০ |
| ৪৫৬২ | ৪৫৬৭ |
| ৮০০০ | ৯০৪৫ |
| ৫২৭৩ | ৫২৭৬ |
| ৭৯৯৯ | ৭৯৯৮ |

**স্থানীয় মান হিচাপে বিস্তৃত ৰূপত সংখ্যাবোৰ লিখা (Express the numbers in expanded form according to place value)**

৪৬৯৭ = ...৪০০০....+ .......৬০০....... + .......৯০...... + .........৭.........

৯৯৯ = ................+ ................. + ................ + ...................

৫৩৬২ = ................+ ................. + ................ + ...................

৬০৫৩ = ................+ ................. + ................ + ...................

৮৭০০ = ................+ ................. + ................ + ...................

৯০০১ = ................+ ................. + ................ + ...................

**সংখ্যাৰ বিস্তৃত ৰূপ চাই সংখ্যাবোৰ লিখা (Write the number for the expanded form of the numbers)**

| | | | |
|---|---|---|---|
| ৫০০০ + ৪০০ + ৭০ + ৬ = | ৫৪৭৬ | ৫০০০ + ২০০ + ০ + ০ = | |
| ৬০০০ + ০০০ + ২০ + ১ = | | ৬০০০ + ৩০০ + ৭০ + ১ = | |
| ৭০০০ + ৫০০ + ৫০ + ৫ = | | ৮০০০ + ৬০০ + ৪০ + ৪ = | |
| ৯০০০ + ৭০০ + ৬০ + ০ = | | ৯০০০ + ১০০ + ১০ + ৩ = | |




**চিন্তা কৰি লিখা (Think and write)**


(ক) ৯৯৯তকৈ ১ বেছি সংখ্যাটো ☐ (গ) ১০০ তকৈ ১ কম সংখ্যাটো ☐

(খ) ৯৯৯৯তকৈ ১ বেছি সংখ্যাটো ☐ (ঘ) ১০০০ তকৈ ১ কম সংখ্যাটো ☐

**মাঘৰ বিহুৰ উৰুকা (Uruka of Magh Bihu)**



মাঘৰ বিহুৰ উৰুকাৰ দিনা বকুল গাঁৱৰ ৰাইজে মিলি বিলত মাছ মাৰিলে। সোণবৰ, ধনবৰ, ৰংহান, চন্দ্ৰধৰহঁতে জালেৰে আৰু তৰুলতা, মইনামতী, চম্পাবতী আৰু ৰহিমলাহঁতে জাকৈৰে মাছ মাৰিছিল। মাছ মৰাৰ পিছত তেওঁলোকে পোৱা মাছবোৰ গণনা (count) কৰি চালে। তেওঁলোকে পোৱা মাছৰ সংখ্যাবোৰ তলৰ তালিকাত দেখুওৱা হ'ল। তাৰে কিছুমান মাছ সোণবৰহঁতে বজাৰত বেচিলে। ভকুৱা আৰু ৰৌ মাছেৰে আটাইয়ে লগলাগি উৰুকাৰ ৰাতি এসাঁজ খালে। ৰৈ যোৱা মাছবোৰ সকলোৱে ভগাই ল'লে।



| মাছৰ নাম | সংখ্যা |
|---|---|
| শিঙি | ৫০ |
| মাগুৰ | ১৪২ |
| ৰৌ | ১৪৫ |
| ভকুৱা | ১২৮ |
| মিৰিকা | ১১১ |
| পুঠি | ১২৫ |
| বৰিয়লা | ৮৬ |



## কিমান মাছ পালে চাওঁ আহা (Let us find the total number of fishes caught)

মাগুৰ আৰু শিঙি মাছ মিলি মুঠতে (total) কিমান মাছ পালে ?





| | |
|---|---|
| মাগুৰ মাছ | ১৪২ টা |
| শিঙি মাছ | + ৫০ টা |
| **মুঠ মাছৰ সংখ্যা** | **১৯২ টা** |



ৰৌ আৰু ভকুৱা মাছ মিলি মুঠতে কিমান মাছ পালে ?

পুঠি আৰু বৰিয়লা মাছ মিলি মুঠতে কিমান মাছ পালে ?









## বজাৰত কিমান মাছ বেচিলে আৰু কিমান বাকী থাকিল চাওঁ আহা (Let us find out the total number of fishes sold in the market and how many left.)

(১)

| | |
|---|---|
| মাগুৰ মাছ আছিল | ১৪২ টা |
| বজাৰত বেচিলে | - ১১০ টা |
| বাকী থাকিল | ৩২ টা |

(২)

| | |
|---|---|
| মিৰিকা মাছ আছিল | ১১১ টা |
| বজাৰত বেচিলে | - ৯৯ টা |
| বাকী থাকিল | ------- টা |

(৩)

| | |
|---|---|
| ৰৌ মাছ আছিল | ১৪৫ টা |
| বজাৰত বেচিলে | - ৪৮ টা |
| বাকী থাকিল | ________ টা |

(৪)


| | |
|---|---|
| ভকুৱা মাছ আছিল | ১২৮টা |
| বজাৰত বেচিলে | - ৭৬ টা |
| বাকী থাকিল | ________ টা |

## যোগ কৰা (Add)

| | | |
|---|---|---|
| ৩৬৫ <br> + ২১৬ | ৩৯১ <br> + ৪৮৬ | ৪৩২ <br> + ১১৯ |
| ৪৫৯ <br> + ২১১ | ৩৩৯ <br> + ৩২১ | ৫৫৫ <br> + ২৩৫ |
| ৬২৩ <br> + ২৮৪ | ৬৪৫ <br> + ১৯৩ | ৭৩৬ <br> + ১৪৩ |

## বিয়োগ কৰা (Subtract)

| | | |
|---|---|---|
| ৮৯৫ <br> - ২৩৫ | ৪৭১ <br> - ৩০৯ | ৫৬৫ <br> - ২৮৫ |
| ৫৯১ <br> - ৩২৯ | ৬৩১ <br> - ৩৪০ | ৭৪৮ <br> - ৫২৯ |



**বিয়োগ কৰা (Subtract)**

| | | |
|---|---|---|
| ৮ ৬ ০ | ৯ ২ ২ | ৮ ৫ ৩ |
| - ৬ ২ ৯ | - ৭ ৩ ৯ | - ৫ ৭ ৯ |
| | | |

**চিন্তা কৰি তৰা (*) চিন থকা ঠাইত উপযুক্ত অংক বহুওৱা (Think and fill in the star (*) with suitable digits)**

| | | | |
|---|---|---|---|
| ৫ ২ | ৬ ৮ | ৫ ৪ | ৩ ৭ |
| - ৩ ১ | - * * | - * * | - * * |
| ২ ১ | ৩ ৪ | ৩ ২ | ২ ৩ |

**সমস্যা সমাধান কৰা (Solve the problems)**

উৰুকাৰ ভোজৰ পিছত ৰৌ মাছ বাকী থাকিল ৬৬টা আৰু ভকুৱা মাছ বাকী থাকিল ৩১টা। ভোজৰ পিছত ৰৌ আৰু ভকুৱা মাছ মিলাই মুঠ কিমানটা মাছ বাকী থাকিল?

________ টা

উৰুকাৰ ভোজৰ বাবে মনবৰহঁতে ১২ কিলোগ্ৰাম পিঁয়াজ কিনিলে। বিহুৰ পিছত ৰৈ যোৱা পিঁয়াজখিনি ঘূৰাই দিবলৈ যাওঁতে দোকানীয়ে ওজন কৰি ৫ কি গ্ৰা পোৱা বুলি ক'লে। মনবৰহঁতে ভোজত কিমান পিয়াঁজ খৰচ কৰিলে?

________ টকা

শিঙি মাছ আছিল ৫০ টা আৰু মাগুৰ মাছ আছিল ১৪২টা। তাৰে ৭টা শিঙি আৰু ১৩টা মাগুৰ মাছ মৰিল। কিমানটা শিঙি আৰু মাগুৰ মাছ জীয়াই থাকিল?

শিঙি ________ টা

মাগুৰ ________ টা

গৌতমে বজাৰলৈ গৈ ২ কি গ্ৰা বেঙেনা, ১ কি গ্ৰা আলু আৰু ১০ টকাৰ শাক কিনিলে। যদি ১ কি গ্ৰা বেঙেনাৰ দাম ৩০ টকা আৰু ১ কি গ্ৰা আলুৰ দাম ২০ টকা হয়, তেন্তে গৌতমে মুঠতে কিমান টকাৰ বজাৰ কৰিলে?

________ টকা

**সমস্যা সমাধান কৰা (Solve the following)**

বিলৰ পৰা বজাৰলৈ দূৰত্ব ৫ কিলোমিটাৰ। বজাৰলৈ চাইকেলেৰে যাওঁতে মনবৰহঁতৰ সময় লাগিল ২০ মিনিট আৰু খোজকাঢ়ি যাবলৈ সময় লাগে ৫০ মিনিট। খোজকাঢ়ি যাওঁতে তেওঁলোকৰ কিমান সময় বেছি লাগিব?

________ মিনিট

আইতাকৰ বয়স ৭৮ বছৰ। ককাকৰ বয়স ৮৯ বছৰ। ককাক আইতাকতকৈ কেইবছৰে ডাঙৰ?

________ বছৰ

মৰিয়মৰ দোকানত ৫০০টা দিয়াচলাই বাহ আছে। তাই তাৰে ৪২২টা দিয়াচলাই বেচিলে। এতিয়া দোকানত কিমানটা দিয়াচলাই বাকী থাকিল?

________ টা

মধুপুৰ গাঁৱলৈ থিয়েটাৰ চাবলৈ ওচৰ-পাজৰৰ গাঁৱৰ পৰা মুঠতে ৩০৫ জন মানুহ আহিছিল। চকী আছিল ৩১৪ খন। আটাইবোৰ মানুহ বহাৰ পাছত কিমান আসন খালী থাকিব?

________ খন

কণিকাহঁতৰ কুকুৰাৰ ফাৰ্মত ৬১৫ জনী বগা কুকুৰা আৰু ৩২২ জনী মুগা বৰণৰ কুকুৰা আছে। ফাৰ্মত মুঠতে কিমানজনী কুকুৰা আছে?

________ জনী

এখন বাগিচাত ৪৬৬ জোপা বৃক্ষ আৰু ৩১২ জোপা গুল্মজাতীয় গছ আছে। বাগিচাখনত মুঠতে কিমান জোপা গছ আছে?

________ জোপা

কণটি দাইটিৰ পামত ৬২৯ টা গাই গৰু আৰু ২৩৩টা বলধ গৰু আছে। পামত মুঠতে কিমান গৰু আছে?

________ টা

**সমস্যা সমাধান কৰা (Solve the following)**

মনুৰ খুড়াকৰ বিয়াৰ দিনা ঘৰখনত সৰহকৈ পানীৰ দৰকাৰ হ'ল। এখন পানীৰ গাড়ীয়ে সিহঁতৰ ঘৰত ৯৫০ লিটাৰ পানী দিলে। গাড়ীখনত পানী আছিল ১০০০ লিটাৰ। গাড়ীখনত পানী কিমান বাকী থাকিল?

________ লিটাৰ

আকাশে দেউতাকৰ লগত শদিয়াত থকা পেহীয়েকৰ ঘৰলৈ বাছেৰে যাত্ৰা কৰিলে। গুৱাহাটীৰ পৰা শদিয়ালৈ ৫১৬ কিলোমিটাৰ। তেওঁলোকে ইতিমধ্যে ৪২৮ কিলোমিটাৰ অতিক্ৰম কৰিলে। পেহীয়েকৰ ঘৰ পাবলৈ তেওঁলোকে আৰু কিমান কিলোমিটাৰ বাট যাব লাগিব?

________ কিলোমিটাৰ

লক্ষ্মীহঁতৰ ঘৰত থকা গৰুবোৰক এসপ্তাহত ৪২৩ কিলোগ্ৰাম আৰু ছাগলীবোৰক ২৩১ কিলোগ্ৰাম দানা দিয়া হয়। এসপ্তাহত গৰু আৰু ছাগলীবোৰক মুঠতে কিমান

________ কিলোগ্ৰাম

দুখন গাঁৱত ক্ৰমে ৪৯৪ জন আৰু ৩৪৭ জন মানুহ আছে। তাৰে ৯৭জন মানুহে চাকৰি কৰিবলৈ গাঁৱৰ পৰা চহৰলৈ গ'ল। গাঁও দুখনত মুঠতে কিমান জন মানুহ থাকিল?

________ টা

৫ খন সাধুকথাৰ কিতাপৰ দাম ৫২৫ টকা আৰু ৩খন উপন্যাসৰ দাম ৫১০ টকা। ৰাজুৰ হাতত আছিল ৪৯০ টকা। কিতাপকেইখন কিনিবলৈ হ'লে তাক আৰু কিমান টকা লাগিব?

________ টকা

পাঠ- ৩
# Lesson-3

**দৈৰ্ঘ্য (Length)**

**দুলুমণিহঁতৰ বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালিত গধুৰ বস্তু (Shot-put) দলিওৱা খেলত কোনে কিমান মিটাৰ দলিয়াব পাৰিছে চাওঁ আহা**



| নাম | দলিওৱা দূৰত্ব (Distance Thrown) | স্থান |
|---|---|---|
| কৰবী | ৩ মিটাৰ ৫০ চেণ্টিমিটাৰ | |
| নাফিচা | ৩ মিটাৰ ১০ চেণ্টিমিটাৰ | |
| প্ৰণীত | ২ মিটাৰ ৫০ চেণ্টিমিটাৰ | চতুৰ্থ |
| সুপ্ৰিয় | ৩ মিটাৰ | |
| দুলুমণি | ২ মিটাৰ ২০ চেণ্টিমিটাৰ | |
| ৰুক্মিণী | ১ মিটাৰ ৪০ চেণ্টিমিটাৰ | |




**ওপৰৰ তালিকাখন চাই তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা**

* কোনে কি স্থান পালে তালিকাখনত লিখা?
* আটাইতকৈ বেছি দূৰলৈ (longest distance) কোনে আৰু কিমান দূৰলৈ দলিয়ালে? ________ _____
* আটাইতকৈ কম দূৰত (least distance) কোনে আৰু কিমান দূৰলৈ দলিয়ালে? __________ _____
* প্ৰথম আৰু শেষৰ স্থান দুটাৰ দূৰত্বৰ পাৰ্থক্য (difference) কিমান? _______________
* সুপ্ৰিয়তকৈ নাফিচাই কিমান বেছি দূৰলৈ দলিয়ালে? _______________
* দুলুমণিয়ে প্ৰথম স্থান (first position) পাবলৈ আৰু কিমান দূৰলৈ দলিয়াব লাগিব? __________

পাঠ - ৪
# Lesson-4

## টকা আৰু পইচা
## Money

এদিন আবেলি মণি, জুমি, ইভান আৰু কমল ঘৰৰ ওচৰত থকা পার্কলৈ গৈ আছিল। হঠাতে সিহঁতে দেখিলে যে এটা কুকুৰ পোৱালি লেঙেৰাই লেঙেৰাই সিহঁতৰ ফালে আহি আছে। জুমিয়ে দৌৰি গৈ পোৱালিটোৰ ওচৰ পালে। তাই দেখিলে যে কুকুৰটোৱে ভৰিত আঘাত পাইছে।






গতিকে সিহঁতে তাক লৰালৰিকৈ পশু চিকিৎসকৰ ওচৰলৈ লৈ গ'ল। কুকুৰটোৰ চিকিৎসাৰ বাবে টকাৰ দৰকাৰ হ'ল। সিহঁতে ঘৰলৈ গৈ নিজৰ নিজৰ জমা টকা আৰু পইচাবোৰ উলিয়ালে। সেই টকা আৰু পইচাৰে সিহঁতে কুকুৰটোৰ চিকিৎসা কৰালে।



**কাৰ লগত কিমান টকা আৰু পইচা আছিল চাওঁ আহাচোন**
**(Let us see what savings each of them had)**

| নাম | টকাৰ সংখ্যা (Amount of Money) | মুঠ টকা (Total amount) |
|---|---|---|
| মণি |  | ২০০ টকা ৫০ পইচা |
| জুমি |  | ১৮০ টকা |
| ইভান |  | ২৫০ টকা ৭৫ পইচা |
| কমল |  | ২৭০ টকা ৫০ পইচা |

| মণি আৰু জুমিৰ টকাখিনি লগলগালে কিমান টকা হ'ব চাওঁ আহা | ইভান আৰু কমলৰ টকাখিনি লগলগালে কিমান টকা হ'ব? |
|---|---|
| মণিৰ টকা = ২০০ টকা ৫০ পইচা<br>জুমিৰ টকা = ১৮০ টকা<br>মুঠ = ৩৮০ টকা ৫০ পইচা | |

| মণি আৰু কমলৰ টকাখিনি লগলগালে কিমান টকা হ'ব চাওঁ আহা | জুমি আৰু ইভানৰ টকাখিনি লগলগালে কিমান টকা হ'ব? |
|---|---|
| | |

**টকা আৰু পইচাক কিদৰে লিখা হয় বুজোঁ আহা (Let us understand how rupees and paise are expressed)**

মণিৰ হাতত ২০০ টকা ৫০ পইচা আছে।

২০০ টকা ৫০ পইচাক আমি ২০০.৫০ টকা বুলিও লিখিব পাৰোঁ।

টকা আৰু পইচাৰ মাজত (.) চিন দিয়া হয়।

> মনত ৰাখিবা ঃ
> দশমিকৰ প্ৰকৃত মান (˙) ওপৰত বৰ্তমান মুদ্ৰণৰ সুবিধাৰ বাবে (.) লিখা হয়।

**তলৰ টকা আৰু পইচাখিনি টকালৈ পৰিৱৰ্তন কৰা (Convert the following rupees and paise to rupees)**

| | | |
|---|---|---|
| (ক) ৫ টকা ৪০ পইচা | (খ) ১০ টকা ৭৫ পইচা | (গ) ১৫ টকা ২০ পইচা |
| ৫.৪০ টকা | | |
| (ঘ) ৩ টকা ৯০ পইচা | (ঙ) ৫৭ টকা ৫০ পইচা | (চ) ২ টকা ৩০ পইচা |
| | | |
| (ছ) ১৫ টকা ৭০ পইচা | (জ) ৬০ টকা ৮৫ পইচা | (ঝ) ৭৬ টকা ৬০ পইচা |
| | | |

**খালী ঠাই পূৰ কৰা (Fill in the blanks)**

| | |
|---|---|
| ১২০.৩০ টকা = ১২০ টকা ৩০ পইচা | ২২০ টকা ৭৫ পইচা= ২২০.৭৫ টকা |
| ৩০.৫০ টকা = _____ টকা ____ পইচা | ১২০ টকা ৫০ পইচা = _____ টকা |
| ৪০.০৫ টকা = ৪০ টকা ৫ পইচা | ২০ টকা ৭৫ পইচা = _____ টকা |
| ০.৫০ টকা = _____ টকা ____ পইচা | ৫ টকা ২৫ পইচা = _____ টকা |
| ০.২৫ টকা = _____ টকা ____ পইচা | ২ টকা ৪০ পইচা = _____ টকা |

**টকাক পইচালৈ পৰিৱৰ্তন কৰোঁ আহা (Let us convert rupees to paise)**

৩.২৫ টকাক পইচালৈ পৰিৱৰ্তন কৰা

**কেনেদৰে কৰিবা (How will you do)**

৩.২৫ টকা = ৩ টকা আৰু ২৫ পইচা

আমি জানো যে **১ টকা = ১০০ পইচা**

গতিকে ৩.২৫ টকা = ৩ ×১০০ পইচা + ২৫ পইচা

= ৩০০ পইচা + ২৫ পইচা

= ৩২৫ পইচা

সেয়েহে ৩.২৫ টকা = ৩২৫ পইচা

একেদৰে ০.০৫ টকা = ০ টকা আৰু ০৫ পইচা

= ০ ×১০০ পইচা + ৫ পইচা

= ০ পইচা + ৫ পইচা

= ৫ পইচা

আকৌ ৭.০৫ টকা = ৭ টকা আৰু ৫ পইচা

= ৭ ×১০০ পইচা + ৫ পইচা

= ৭০০ পইচা + ৫ পইচা

= ৭০৫ পইচা

**পইচালৈ পৰিৱৰ্তন কৰা (Convert to paise)**

(ক) ১.২০ টকা

(খ) ৪.৭৫ টকা

(গ) ৩.৫০ টকা

(ঘ) ৮.৭৫ টকা

(ঙ) ৯.০৫ টকা

(চ) ০.৯০ টকা

(ছ) ৫.১০ টকা

(জ) ০.০৫ টকা

(ঝ) ০.২০ টকা

(ঞ) ৮.০৫ টকা



**ৰুণিমাই দোকানলৈ গৈ ২০ টকাৰে তলত দিয়া বস্তুকেইটা কিনিলে। মুঠ খৰচ কিমান হ'ল আৰু কিমান ঘূৰি আহিল হিচাপ কৰোঁ আহা।**


| | |
|---|---|
| পেঞ্চিল এডাল | ৫.০০ টকা |
| ৰবৰ এটুকুৰা | ২.০০ টকা |
| আঠাৰ বটল | + ১০.০০ টকা |
| মুঠ খৰচ (Total expenditure) | ১৭.০০ টকা |

| | |
|---|---|
| ৰুণিমাৰ হাতত আছিল | ২০ টকা |
| মুঠ খৰচ হ'ল | - ১৭ টকা |
| বাকী থাকিল | ........................ |

**সমস্যা সমাধান কৰা (Solve the following problems)**

১। ফাতেমাই ৫০ টকাৰ এটা আইচক্ৰীম, ২০ টকাৰ এটা চিপচ লৈ দোকানীক ১০০ টকা দিলে। দোকাংনীয়ে তাইক কিমান টকা ঘূৰাই দিব?

২। সীমাৰ মাকে ৫০০ টকা লৈ বজাৰলৈ গৈছিল। তেওঁ ১৬৫ টকাৰ আপেল, ১২০ টকাৰ আম আৰু ১০০ টকাৰ মিঠাই কিনিলে। তেওঁৰ হাতত কিমান টকা বাকী থাকিল?



৩। তোমাৰ মাৰাই বহী এখন কিনাৰ বাবে তোমাক ৫০ টকা দিছিল। বহী কিনাৰ পিছত তোমাৰ হাতত ১৫ টকা বাকী থাকিল। বহীখনৰ দাম কিমান আছিল?

৪। ৰমেনৰ দেউতাকে বজাৰলৈ গৈ ২২৫ টকাৰ মাছ, ১১০ টকাৰ মাংস আৰু ৯৫ টকাৰ পাচলি কিনিলে। তেওঁৰ মুঠতে কিমান টকা খৰচ হ'ল?

৫। মিতাৰ দেউতাকে তাইৰ জন্মদিনত এটা ফ্ৰক আৰু কেইটামান চকলেট কিনিবলৈ ৮০০ টকা দিছিল। মিতাই ৫০০ টকাৰে এটা ফ্ৰক আৰু ২৫০ টকাৰে চকলেট কিনিলে। তাইৰ হাতত কিমান টকা বাকী থাকিল?



**বজাৰত নৰেনৰ খৰচ (Noren's expense in the market)**

নৰেনে লোহা, প্লাষ্টিক, ভঙা টিং ইত্যাদি পেলনীয়া বস্তু (waste materials) সংগ্ৰহ কৰি এনে বস্তু জমা লোৱা দোকানত দি ৫০০ টকা পালে।

এতিয়া তেওঁ সেই ৫০০ টকাৰে ঘৰৰ বাবে খোৱা বস্তু আৰু ল'ৰা-ছোৱালীৰ বাবে কলম, পেঞ্চিল আদি কিনিলে। তেওঁ কি কি বস্তু কিমান দামত কিনিলে চাওঁ আহা



**ঘৰৰ বাবে (For home)**

| **বস্তু (Materials)** | **খৰচ (Expense)** |
|---|---|
| মগু দাইল | ৭২.০০ টকা |
| আলু | ২০.০০ টকা |
| পিঁয়াজ | ২০.০০ টকা |
| চেনি | + ৪৫.০০ টকা |
| **মুঠ খৰচ** | ১৫৭.০০ টকা |

**ল'ৰা-ছোৱালীৰ বাবে (For children)**

| **বস্তু** | **খৰচ** |
|---|---|
| বহী দুখন | ১০০.০০ টকা |
| পেঞ্চিল বাকচ | ৩০.০০ টকা |
| ৰবৰ ২ টুকুৰা | ১০.০০ টকা |
| স্কেল ১ পাত | ১০.০০ টকা |
| কলম ১ টা | + ১০.০০ টকা |
| **মুঠ খৰচ** | ১৬০.০০ টকা |

| | |
|---|---|
| নৰেনৰ খোৱা বস্তু কিনাৰ বাবদ মুঠ খৰচ হ'ল | ১৫৭.০০ টকা |
| বহী, পেঞ্চিল আদি কিনাৰ বাবদ মুঠ খৰচ হ'ল | + ১৬০.০০ টকা |
| **সৰ্বমুঠ খৰচ** | = ৩১৭.০০ টকা |

| | |
|---|---|
| নৰেনৰ হাতত আছিল | ৫০০.০০ টকা |
| খৰচ হ'ল | - ৩১৭.০০ টকা |
| বাকী থাকিল | = ..................টকা |



## যোগ কৰোঁ আহা (Let us add)

(ক) ১২ টকা ২৫ পইচা
\+ ৭ টকা ৭ পইচা
১৯ টকা ৩২ পইচা

(খ) ২০ টকা ২০ পইচা
\+ ২৭ টকা ৫০ পইচা

(গ) ২৫ টকা ৬৫ পইচা
\+ ২৮ টকা ২৫ পইচা

(ঘ) ১৯৫ টকা ৩৫ পইচা
\+ ১২ টকা ৩৫ পইচা

(ঙ) ২৯৮.৭০ টকা
\+ ১২.২৮ টকা
৩১০.৯৮ টকা

(চ) ৪২.২৪ টকা
\+ ৭.৫০ টকা

(ছ) ৬০.২০ টকা
\+ ৪৭.৫০ টকা

(জ) ৯৫.৪৫ টকা
\+ ৩২.১৫ টকা

(ঝ) ১৯৮.৪০ টকা
\+ ৪২.৩৮ টকা

(ঞ) ৩৫.৬৫ টকা
\+ ৭৮.২৫ টকা


## বিয়োগ কৰোঁ আহা (Let us subtract)

(ক) ৭৮ টকা ৮০ পইচা
\- ৫০ টকা ৬০ পইচা
২৮ টকা ২০ পইচা

(খ) ১৭৫ টকা ৭৫ পইচা
\- ১৫ টকা ৫০ পইচা

(গ) ৫০ টকা ৯০ পইচা
\- ৮ টকা ৭৫ পইচা

(ঘ) ৭৫ টকা ৬৫ পইচা
\- ৩৫ টকা ২০ পইচা



(ঙ) ৯৮.৬০ টকা
- ৪০.৪০ টকা
৫৮.২০ টকা

(চ) ৩৭৫.৬৫ টকা
- ২৫.৫০ টকা

(ছ) ৭০.৮০ টকা
- ৫.৪৫ টকা

(জ) ৯৭১.০০ টকা
- ৩৫.০০ টকা

(ঝ) ২৯০.০০ টকা
- ৭৯.০০ টকা

(ঞ) ৯৮২.০০ টকা
- ২৫৩.০০ টকা

## দোকানলৈ যাওঁ আহা (Let us go for shopping)

গীতালিয়ে মাকৰ লগত ঘৰৰ বাবে বস্তু কিনিবলৈ জিলমিল ষ্ট'ৰলৈ গ'ল। মাকে লগত নিছিল ৭০০ টকা। তেওঁ কি কি বস্তু কিমান দামত আৰু কিমান পৰিমাণত কিনিলে চাওঁ আহা।

| সামগ্ৰী (Items) | পৰিমাণ (Quantity) | হাৰ (টকা) (Rate) | মূল্য (টকা) (Cost) |
|---|---|---|---|
| চাউল | ৪ কি গ্ৰা | ৩০ | ১২০ |
| মচুৰ দাইল | ২ কি গ্ৰা | ৭০ | .................. |
| চেনি | ২ কি গ্ৰা | ৪০ | .................. |
| আটা | ৩ কি গ্ৰা | ৩০ | .................. |
| ময়দা | ২ কি গ্ৰা | ৩০ | .................. |
| মিঠাতেল | ২ লিটাৰ | ১২০ | .................. |
| মুঠ - | | | |



তালিকাখন চাই গীতালিৰ মাকে কিনা বস্তুবোৰৰ দাম, পৰিমাণ আৰু মুঠ খৰচ (total cost) উলিওৱা।

- চাউল কিনিলে ৪ কিলোগ্ৰাম
  ১ কিলোগ্ৰাম চাউলৰ দাম = ৩০ টকা
  গতিকে ৪ কিলোগ্ৰাম চাউলৰ দাম হ'ল = ৩০ × ৪ টকা
  = ১২০ টকা

- মচুৰ দাইল কিনিলে ২ কিলোগ্ৰাম

১ কিলোগ্ৰাম মচুৰ দাইলৰ দাম = ........................... টকা

গতিকে ২ কিলোগ্ৰাম মচুৰ দাইলৰ দাম = ........................... টকা

= ........................... টকা

- চেনি কিনিলে ২ কিলোগ্ৰাম

১ কিলোগ্ৰাম চেনিৰ দাম = ........................... টকা

গতিকে ২ কিলোগ্ৰাম চেনিৰ দাম হ'ব = ........................... টকা

= ........................... টকা

- আটা কিনিলে ৩ কিলোগ্ৰাম

১ কিলোগ্ৰাম আটাৰ দাম = ........................... টকা

গতিকে ৩ কিলোগ্ৰাম আটাৰ দাম হ'ব = ........................... টকা

= ........................... টকা

- ময়দা কিনিলে ২ কিলোগ্ৰাম

১ কিলোগ্ৰাম ময়দাৰ দাম = ........................... টকা

গতিকে ২ কিলোগ্ৰাম ময়দাৰ দাম হ'ব = ........................... টকা

= ........................... টকা

- মিঠাতেল কিনিলে ২ লিটাৰ

১ লিটাৰ মিঠাতেলৰ দাম = ........................... টকা

গতিকে ২ লিটাৰ মিঠাতেলৰ দাম হ'ব = ........................... টকা

= ........................... টকা

**গীতালিৰ মাকৰ বজাৰত কিমান খৰচ হ'ল? (How much money Geetali's mother spent in shopping?)**

| | |
|---|---|
| চাউল কিনাৰ বাবদ হোৱা খৰচ | ............................ টকা |
| মচুৰ দাইল কিনাৰ বাবদ হোৱা খৰচ | ............................ টকা |
| চেনি কিনাৰ বাবদ হোৱা খৰচ | ............................ টকা |
| আটা কিনাৰ বাবদ হোৱা খৰচ | ............................ টকা |
| ময়দা কিনাৰ বাবদ হোৱা খৰচ | ............................ টকা |
| মিঠাতেল কিনাৰ বাবদ হোৱা খৰচ | ............................ টকা |
| মুঠ খৰচ | ............................ টকা |

**সমস্যা সমাধান কৰা (Solve the following problems)**

(ক) অৰ্পণে ১০ টকা হাৰত ৫ ডাল পেঞ্চিল কিনিলে। পেঞ্চিল কিনাৰ বাবদ মুঠতে সি কিমান টকা খৰচ কৰিলে?

(খ) মনুৰ দেউতাকে ৮ টা নেমুটেঙা কিনিলে। এটা নেমুটেঙাৰ দাম ৫ টকা হ'লে মুঠ কিমান টকা খৰচ হ'ল?

(গ) ভণিতাৰ হাতত থকা টকাৰে ৯ টকা হাৰত ৫ টা কমলা কিনিলে। তাইৰ হাতত কিমান টকা আছিল?

(ঘ) যদি ১টা চকলেটৰ দাম ১০ টকা হয়, তেন্তে ৯ টা চকলেট কিনিবলৈ কিমান টকা লাগিব?

(ঙ) ৰমেন, বলেন আৰু পলাশ প্ৰত্যেকে দুটাকৈ কল খালে। যদি এটা কলৰ দাম ৫ টকা হয়, তেওঁলোকে মুঠ কিমান টকা খৰচ কৰিলে?

(চ) এটা সৰু চকলেটৰ দাম ৫ টকা আৰু এটা ডাঙৰ চকলেটৰ দাম ১০ টকা হ'লে ৬টা সৰু চকলেট আৰু ৭টা ডাঙৰ চকলেট কিনিবলৈ মুঠতে কিমান টকা লাগিব?


**স্কেল সাজো আহা(Let us make a scale)** **কেনেকৈ সাজিবা (How will you proced)**

**প্ৰয়োজনীয় সামগ্ৰী (Things required)**

⇨ বাঁহৰ দীঘল কামি (তোমাৰ ৪ হাত মান)

⇨ দাগ কটা স্কেল এপাত

⇨ এডাল জোঙা পেঞ্চিল



* কামিডালৰ এটা মূৰত '০' বুজাবলৈ এটা দাগ কাটি দিয়া।

* '০' দাগটোত তুমি লোৱা স্কেলপাতত থকা '০' দাগটো মিলোৱা।

* এইবাৰ প্ৰতি ১ চেণ্টিমিটাৰ মূৰে মূৰে পেঞ্চিলেৰে দাগ দিয়া

* কামিডালত ১০ চেণ্টিমিটাৰ হ'লে ১০, ২০ চেণ্টিমিটাৰ হ'লে ২০ লিখি লোৱা।

* ১০০ চেণ্টিমিটাৰ পালে কামিডালত ১০০ লিখা আৰু ইয়াৰ পিছত কামিডাল কাটি লোৱা।

* প্ৰতি চেণ্টিমিটাৰক স্কেলত থকা দৰে সৰু সৰু দহ ভাগ (ten divisions) কৰি দাগ দিয়া।

**কাগজেৰেও এনে স্কেল সাজিব পাৰি (You can also make such a scale with paper)**

**প্ৰয়োজনীয় সামগ্ৰী**

(আৰ্ট পেপাৰ, কেচী, আঠা, স্কেল, পেঞ্চিল)

* আৰ্ট পেপাৰৰ দীঘে দীঘে ৪ চেণ্টিমিটাৰ বহলকৈ দুটুকুৰা আৰ্ট পেপাৰ কাটি লোৱা। আৰ্ট পেপাৰ দুটুকুৰা আঠা লগাই দীঘল কৰি লোৱা।



* আৰ্ট পেপাৰৰ দীঘল টুকুৰাটোৰ এটা মূৰত '০' দাগ এটা দি স্কেল পাতৰ '০' দাগৰ সৈতে মিলাই লোৱা।

* এইবাৰ প্ৰতি ১ চেণ্টিমিটাৰ মূৰে মূৰে পেঞ্চিলেৰে দাগ দি যোৱা। এনেদৰে ১০০ চেণ্টিমিটাৰ পালে তাত এটা দাগ দিয়া। ১০০ চেণ্টিমিটাৰ দাগটোত ১মিটাৰ দিয়া।



* ইয়াৰ পিছতে কাগজডোখৰ কাটি লোৱা। এনেদৰে তোমাৰ বাঁহৰ আৰু কাগজৰ 'মিটাৰ স্কেল' সজা হৈ গ'ল। কাৰণ,


| |
|---|
| **১০০ চেণ্টিমিটাৰ = ১ মিটাৰ** |
| **100 centimeter = 1 meter** |

**জানি লওঁ আহা**

দীঘল বস্তুৰ জোখ মিটাৰত আৰু চুটি বস্তুৰ জোখ চেণ্টিমিটাৰত লোৱা হয়। মিটাৰ আৰু চেণ্টিমিটাৰক চমুকৈ **মি (m)** আৰু **চে মি (cm)** বুলি লিখা হয়।


**তলত দিয়া বস্তুবোৰ কি এককত লিখিবা ? (চেণ্টিমিটাৰ/মিটাৰ)**

**In which units will you express the following objects? (centimeter/meter)**










**প্ৰস্তুত কৰা স্কেলৰ সহায়ত চেণ্টিমিটাৰত জোখবোৰ লওঁ আহা** (Let us take measurement with the scales we have made)




টেবুলখনৰ দৈৰ্ঘ্য = —— চেণ্টিমিটাৰ



শ্ৰেণী কোঠাৰ দুৱাৰখনৰ উচ্চতা = —— চেণ্টিমিটাৰ



ৰুমালৰ বাবে কটা কাপোৰৰ জোখ = —— চেণ্টিমিটাৰ



ৰিমনৰ উচ্চতা = —— চেণ্টিমিটাৰ

**মনত পেলাও আহা (Let us remember)**

১ মিটাৰ = ১০০ চেণ্টিমিটাৰ

গতিকে ২ মিটাৰ = ২ × ১০০ চেণ্টিমিটাৰ = ২০০ চেণ্টিমিটাৰ

৪ মিটাৰ = ৪ × ১০০ চেণ্টিমিটাৰ = ৪০০ চেণ্টিমিটাৰ

**নিজে কৰা (Do by yourself)**

৬ মিটাৰ =............................................ = .......................... চেণ্টিমিটাৰ

১০ মিটাৰ =.......................................... = .......................... চেণ্টিমিটাৰ

১২ মিটাৰ = .......................................... = ..........................চেণ্টিমিটাৰ

**মিটাৰ আৰু চেণ্টিমিটাৰক, চেণ্টিমিটাৰলৈ পৰিৱৰ্তন কৰোঁ আহা (Let us convert meter and centimeter into centimeter)**



৫ মিটাৰ ২৫ চেণ্টিমিটাৰ

= ৫ × ১০০ চেণ্টিমিটাৰ + ২৫ চেণ্টিমিটাৰ

= ৫০০ চেণ্টিমিটাৰ + ২৫ চেণ্টিমিটাৰ

= ৫২৫ চেণ্টিমিটাৰ

**মিটাৰ আৰু চেণ্টিমিটাৰক, চেণ্টিমিটাৰলৈ পৰিৱৰ্তন কৰা**

(ক) ৭ মিটাৰ ২৪ চেণ্টিমিটাৰ

=.........................................

=.........................................

=.................... চেণ্টিমিটাৰ

(খ) ১২ মিটাৰ ১৫ চেণ্টিমিটাৰ

=...................................

=...............................

=.................... চেণ্টিমিটাৰ

(গ) ৩ মিটাৰ ৬০ চেণ্টিমিটাৰ

=.......................................

=.........................................

=.................... চেণ্টিমিটাৰ

(ঘ) ১৫ মিটাৰ ৭৫ চেণ্টিমিটাৰ

=...................................

=................................

=.................... চেণ্টিমিটাৰ

(ঙ) ১৭ মিটাৰ ৮ চেণ্টিমিটাৰ

=....................................

=.................................

=.................... চেণ্টিমিটাৰ

(চ) ১০ মিটাৰ ৪ চেণ্টিমিটাৰ


=...................................

=.........................................

=.................... চেণ্টিমিটাৰ

**আৰু কিমান চেণ্টিমিটাৰ লগ লগালে এক মিটাৰ হ'ব খালী ঠাইত লিখা (Fill in the blanks to show, how much is required to add to make at equal to 1 meter)**

*শিক্ষকলৈ নিৰ্দেশনা ঃ ছাত্ৰ-ছাত্ৰীক কিমান চেণ্টিমিটাৰ লগ লাগি এক মিটাৰ হ'ব খালী ঠাইত পূৰ কৰিবলৈ দিব।*




**চেণ্টিমিটাৰক মিটাৰলৈ পৰিৱৰ্তন কৰোঁ আহা (Let us convert centimeter to meter)**

২০০ চেণ্টিমিটাৰ = ১০০ চেণ্টিমিটাৰ + ১০০ চেণ্টিমিটাৰ

= ১ মিটাৰ + ১ মিটাৰ

= ২ মিটাৰ

**চেণ্টিমিটাৰক মিটাৰলৈ পৰিৱৰ্তন কৰা**

(ক) ৩০০ চেণ্টিমিটাৰ

= ............................................

= ............................................

= ..................... মিটাৰ

(খ) ৪০০ চেণ্টিমিটাৰ

= ................................................

= ............................................

= ..................... মিটাৰ

(গ) ৫০০ চেণ্টিমিটাৰ

=............................................

=..........................................

=..................... মিটাৰ

(ঘ) ৬০০ চেণ্টিমিটাৰ


= ............................................

= ............................................

= ..................... মিটাৰ

**কিমান চেণ্টিমিটাৰ হ'ব? (How many centimeters will they be?)**

তলত দিয়া প্ৰাণীবোৰৰ উচ্চতাৰ জোখ (প্ৰায়) (approximate) দিয়া হৈছে। এই জোখবোৰ চেণ্টিমিটাৰত উলিওৱা।



১ মিটাৰ ১৫ চেণ্টিমিটাৰ

= ১×১০০ চেণ্টিমিটাৰ + ১৫ চেণ্টিমিটাৰ

= ১১৫ চেণ্টিমিটাৰ



১ মিটাৰ ১০ চেণ্টিমিটাৰ

= ...............................................

= ...............................................



১ মিটাৰ ৫ চেণ্টিমিটাৰ

= ...............................................

= ...............................................



৫ মিটাৰ

= ...............................................


= ...............................................



১.২০ মিটাৰ

= .....................................

= .....................................




৩ মিটাৰ

= ...............................................

= ...............................................

**তলৰ ছবিখন চাই বস্তুবোৰৰ মাজৰ দূৰত্ব অনুমান কৰোঁ আহা (Let us look at the picture below and guess the distances in between the objects)**

*শিক্ষকলৈ নিৰ্দেশনা ঃ ছবিখন চাই দূৰত্ববোৰ অনুমান কৰিবলৈ দিব। এনেদৰে অনুমান কৰি লিখা মানবোৰ পাছত স্কেলেৰে জুখি চাবলৈ দিব।*



(ক) বলটোৰ পৰা ফুলৰ টাবটোলৈ দূৰত্ব = ................ চেণ্টিমিটাৰ

(খ) বলটোৰ পৰা কোঠাটোৰ চুকটোলৈ দূৰত্ব = ................ চেণ্টিমিটাৰ

(গ) টেবুলখনৰ পৰা বলটোলৈ দূৰত্ব = ................ চেণ্টিমিটাৰ

(ঘ) দুৱাৰৰ পৰা টেবুলখনলৈ দূৰত্ব = ................ চেণ্টিমিটাৰ

(ঙ) ফুলৰ টাবটোৰ পৰা টেবুলখনলৈ দূৰত্ব = ................ চেণ্টিমিটাৰ

**বিভিন্ন স্থানৰ মাজৰ দূৰত্ব অনুমান কৰা। পিছত প্ৰকৃত দূৰত্ব হিচাপ কৰি উলিওৱা (Try to guess distance between places. Afterwords calculate the actual distance)**

***শিক্ষকলৈ নিৰ্দেশনা ঃ*** *শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণী কোঠাৰ বাহিৰলৈও উলিয়াই আনিব আৰু বিভিন্ন স্থানৰ মাজৰ দূৰত্ব প্ৰথমতে অনুমান কৰি পাছত সঠিক জোখ-মাখৰ দ্বাৰা সত্যতা নিৰূপণ কৰিবলৈ দিব।*

| বিভিন্ন স্থান | আনুমানিক দূৰত্ব | প্ৰকৃত দূৰত্ব |
|---|---|---|
| শ্ৰেণীকোঠাৰ দুৱাৰৰ পৰা ফুলনি বাগিচালৈ | ............ মিটাৰ | ................ মিটাৰ |
| শ্ৰেণীকোঠাৰ পৰা ৰান্ধনি-ঘৰলৈ | ............ মিটাৰ | ................ মিটাৰ |
| ৰান্ধনি-ঘৰৰ পৰা হাত-ধোৱা স্থানলৈ | ............ মিটাৰ | ................ মিটাৰ |
| ফুলনি বাগিচাৰ পৰা পানীৰ উৎসলৈ | ............ মিটাৰ | ................ মিটাৰ |
| শ্ৰেণীকোঠাৰ দুৱাৰৰ পৰা বিদ্যালয়ৰ জপনালৈ | ............ মিটাৰ | ................ মিটাৰ |

## জানি লওঁ আহা (Let us know)

**ৰাস্তাৰ দৈৰ্ঘ্য (length), নদীৰ দৈৰ্ঘ্য, পাহাৰৰ উচ্চতা (height) আদি বেছি দীঘল জোখবোৰ ল'বলৈ কিলোমিটাৰ (kilometer) একক ব্যৱহাৰ কৰা হয়। কিলোমিটাৰক চমুকৈ (কি মি) (km) বুলি লিখা হয়।**



**নদী এখনৰ দীঘ**



**ৰাস্তা এটাৰ দীঘ**

| |
|---|
| **১ কিলোমিটাৰ = ১০০০ মিটাৰ** |
| **1 kilometer = 1000 meter** |

**যোগবোৰ কৰি চাওঁ আহা**

(ক)

 ৩ মি ৫০ চে মি
\+ ৪ মি ২০ চে মি
________________

(খ)

 ২ মি ২৫ চে মি
\+ ১ মি ৭০ চে মি
________________

(গ)

 ৪ মি ৩০ চে মি
\+ ৩ মি ২০ চে মি
________________

(ঘ)

 ৫ মি ৩৫ চে মি
\+ ৭ মি ৬০ চে মি
________________

(ঙ)

 ১১ কি মি ২৫ মি
\+ ১০ কি মি ২৪ মি
________________

(চ)

 ১২ কি মি ৫০ মি
\+ ৯ কি মি ৪০ মি
________________

**বিয়োগবোৰ কৰি চাওঁ আহা**

(ক)
৩ মি ৮০ চে মি
\- ২ মি ৪০ চে মি

(খ)
৫ মি ৫০ চে মি
\- ৪ মি ৪০ চে মি

(গ)
৪ মি ৫০ চে মি
\- ৩ মি ৩০ চে মি

(ঘ)
৭ মি ৫৫ চে মি
\- ৬ মি ২৫ চে মি

(ঙ)
২৪ কিমি ৩২ মি
\- ১৪ কিমি ১৫ মি

(চ)
১৫ কিমি ৬৪০ মি
\- ১৪ কিমি ৩৩০ মি

**সমস্যাবোৰ সমাধান কৰোঁ আহা**

(ক) ৰমেনৰ দেউতাকে ১ মি ৫০ চে মি নীলা কাপোৰ আৰু ২ মি ৪০ চে মি বগা কাপোৰ আনিলে। তেওঁ মুঠতে কিমান কাপোৰ আনিলে ?

(খ) তোমাৰ ঘৰৰ দুৱাৰৰ ওপৰৰ খিলিটো ১৯০ চে মি উচ্চতাত আছে। তুমি ঢুকি পোৱা উচ্চতা ১৬০ চে মি। খিলিটো ঢুকি পাবলৈ তুমি আৰু কিমান ওখ হ'ব লাগিব ?

(গ) এযোৰ পোছাক চিলাবলৈ ৩ মিটাৰ কাপোৰৰ প্ৰয়োজন হয়। ৰিতলে বজাৰৰ পৰা তাৰ পোছাক চিলাবলৈ ৩৫০ চে মি কাপোৰ আনিলে। পোছাক চিলোৱাৰ পাছত কিমান কাপোৰ থাকি যাব ?

(ঘ) ৫ মিটাৰ দৈৰ্ঘ্যৰ বাঁহ এডালৰ পৰা ৪ মিটাৰ কাটিলে কিমান মিটাৰ বাঁহ বাকী থাকিব ?

(ঙ) মিলিয়ে ৫ মি ৫০ চে মি দীঘল ৰঙা ফিতা এডাল কিনিলে। ইয়াৰ পৰা তাই ৰীমাক ৩ মি ৩০ চে মি দিলে। তাইৰ হাতত এতিয়া কিমান ফিতা থাকিব ?

| | | |
|---|---|---|
| (চ) | পাপৰিয়ে চাইকেলেৰে ১৫০ মিটাৰ আৰু খোজকাঢ়ি ৫০ মিটাৰ বাট গ'ল। মুঠতে তাই কিমান দূৰ বাট গ'ল? | |
| (ছ) | বিদ্যালয়ৰ দৌৰ প্ৰতিযোগিতাত প্ৰিয়াই ৫০ মিটাৰ দৈৰ্ঘ্যৰ খেলপথাৰখনত ইমূৰৰ পৰা সিমূৰলৈ দুই পাক (two rounds) ঘূৰিলে। তাই কিমান দূৰত্ব অতিক্ৰম কৰিলে? | |
| (জ) | মেঘালীৰ উচ্চতা ১ মি ৫০ চে মি। তাইৰ ভনীয়েক গুণগুণ তাইতকৈ ৩০ চে মি চুটি। গুণগুণৰ উচ্চতা কিমান? | |
| (ঝ) | ঋণজুনহঁতৰ ঘৰৰ পদূলিলৈ যোৱাৰ বাটত এজোপা নাহৰ, এজোপা শেৱালি আৰু এজোপা কৃষ্ণচূড়াৰ গছ আছে। নাহৰ জোপাৰ পৰা শেৱালি জোপালৈ দূৰত্ব ২০ মিটাৰ। শেৱালি জোপাৰ পৰা কৃষ্ণচূড়া জোপালৈ দূৰত্ব ১২ মিটাৰ। নাহৰ জোপাৰ পৰা কৃষ্ণচূড়া জোপালৈ মুঠ দূৰত্ব কিমান? | |

## নিজে জুখি চোৱা (Measure by yourself)

- গছৰ পুলি এটা ৰুৱা। ● তাত প্ৰতিদিনে পানী দিবা। ● এতিয়া প্ৰতি সপ্তাহত (each week) পুলিটোৰ জোখ লোৱা।
- প্ৰতি সপ্তাহত পুলিটো কিমান চেণ্টিমিটাৰ ওখ হ'ল লিখা।

| সপ্তাহ (Week) | চেণ্টিমিটাৰ (Centimeter) |
|---|---|
| প্ৰথম সপ্তাহত | ..............................চে মি |
| দ্বিতীয় সপ্তাহত | ..............................চে মি |
| তৃতীয় সপ্তাহত | ..............................চে মি |
| চতুৰ্থ সপ্তাহত | ..............................চে মি |
| | |



***শিক্ষকলৈ নিৰ্দেশনা ঃ** ছাত্ৰ-ছাত্ৰীক এনেধৰণেৰে প্ৰকল্প কৰিবলৈ দিব।*

## পাঠ - ৫
## Lesson-5

## বৃত্ত (Circle)

তলৰ ছবিখন চোৱা। গোল '○' আকৃতিটো ক'ত ক'ত দেখিছা আলোচনা কৰা।

**(Look at the picture given below. What do you find the '○' shape - discuss)**



ছবিখনত গোল '○' আকৃতিটো ক'ত ক'ত আছে চাওঁ আহা


**(Let us find out where we can see the round '○' shape in the picture)**











## পাঠ - ৬
## Lesson-6


## পূৰণ
## Multiplication

### কওঁ আহা (Let us say)




ডালত আছিল ৬ পাহ ফুল
প্ৰতিটোৰে আছে ৫ টাকৈ পাহি
কিমান হ'ল মুঠতে পাহি
কোৱাচোন ভাবি ভাবি।






৫টা খৰাহিত আছে ১০টাকৈ কণী
মুঠ কণী কিমান হ'ল কোৱাচোন গণি।

### নেওতা মনত পেলাই পূৰণ কৰা (Remember the tables and multiply)



**পূৰণ কৰি খালী বাকচবোৰ পূৰ কৰা (Multiphy and fill in the boxes)**




**সমাধান কৰোঁ আহা (Let us solve)**

**এটা পাচিত ১২টা আম আছে। তেনেকুৱা ৪টা পাচিত কেইটা আম থাকিব?**


১২ × ৪ = ৪৮

কেনেকৈ কৰিবা চাওঁ আহা

| | | দহক | একক |
|---|---|---|---|
| | | ১ | ২ |
| | | × | ৪ |
| প্ৰথম কাম | = ২ এক × ৪ = ৮ | | ৮ |
| দ্বিতীয় কাম | = ১ দহ × ৪ = ৪০ | ৪ | ০ |
| তৃতীয় কাম | = ৮ + ৪০ = ৪৮ | ৪ | ৮ |

৪ টা পাচিত ৪৮ টা আম আছে

## এনেকৈও কৰিব পাৰি




প্ৰথম কাম ঃ ৪ ৰে ২ একক পূৰণ কৰি এককৰ ঘৰত লিখা

দ্বিতীয় কাম ঃ ৪ ৰে ১ দহকক পূৰণ কৰি দহকৰ ঘৰত লিখা।


> প্ৰথম কাম— এককৰ লগত পূৰণ
>
> দ্বিতীয় কাম— দহকৰ লগত পূৰণ

## নিজে কৰা

| | | | | |
|---|---|---|---|---|
| ২ ২ | ২ ৩ | ৩ ২ | ৫ ২ | ৬ ৩ |
| × ৪ | × ২ | × ৪ | × ৪ | × ৩ |
| ৮ ৮ | | | | |

| | | | | |
|---|---|---|---|---|
| ১ ১ | ১৩ | ৩ ১ | ৬ ২ | ৫ ২ |
| × ৪ | × ৩ | × ৬ | × ৪ | × ৭ |
| | | | | |

## বুজো আহা (শূন্যৰ লগত পূৰণ) (Multiplication with Zero)



চাৰিখন কাঁহীত লাডু কিমান আছে চাওঁ আহা

প্ৰতিখন কাঁহীতে লাডু নাই।

গতিকে, ০ + ০ + ০ + ০ = ০ × ৪ = ০

তাৰ মানে কাহীত লাডু এটাও নাই।

## লিখো আহা

০ × ২ = ০ + ০ = ০

০ × ৩ = ০ + ০ + ০ = ০

০ × ৫ = ০ + ০ + ০ + ০ + ০ = ০

> **জানি লওঁ আহা ঃ** '০' ক যি কোনো সংখ্যাৰে পূৰণ কৰিলে '০' হয়। যিকোনো সংখ্যাক '০' ৰে পূৰণ কৰিলেও '০' হয়।

### পূৰণ কৰোঁ আহা

০ × ৯ = ☐  ০ × ১৩ = ☐  ০ × ১৪ = ☐  ০ × ১০ = ☐

১০ × ০ = ☐  ৬ × ০ = ☐  ২০ × ০ = ☐  ৭ × ০ = ☐

### সমাধান কৰোঁ আহা

৫ ডজন কলত কেইটা কল থাকিব ?

১ ডজন = ১২

কেনেকৈ কৰিবা চাওঁ আহা


| | | | ১ ২ |
|---|---|---|---|
| | | | × ৫ |
| প্ৰথম কাম | (৫ × ২) | ....... | ১০ |
| দ্বিতীয় কাম | (৫ × ১০) | ....... | ৫০ |
| তৃতীয় কাম | (১০+ ৫০) | | ৬০ |

### নিজে কৰা


| | | | |
|---|---|---|---|
| ১ ৩ | ১ ৪ | ১ ৬ | ১ ৫ |
| × ৪ | × ৩ | × ২ | × ৫ |
| ______ | ______ | ______ | ______ |

### এনেকৈও সমাধান কৰিব পাৰি


এককৰ লগত পূৰণ




১০ৰ ০ বহিল এককৰ ঘৰত, আৰু ১ বহিল দহকৰ ঘৰত




দহকৰ লগত ৫ৰ পূৰণ আৰু উকলা ১ৰ লগত যোগ



**নিজে কৰা**

| ২ ৬ | ২ ৩ | ২ ৫ | ২ ৭ |
|---|---|---|---|
| × ৩ | × ৪ | × ৫ | × ৭ |
| | | | |

| ৩ ২ | ৪ ৪ | ৫ ৭ | ৬ ৮ |
|---|---|---|---|
| × ৬ | × ৮ | × ৪ | × ৯ |
| | | | |

## খেল সমাৰোহ (Sports meet)

নগাঁও জিলাৰ খেল সমাৰোহত অংশগ্ৰহণ কৰিবৰ বাবে শিৱসাগৰৰ পৰা ৩০ জন ছাত্ৰ-ছাত্ৰী বাছেৰে আহিছিল। জখলাবন্ধাত এখন হোটেলত তেওঁলোকে পৰঠা খালে। খোৱাৰ বাবদ গাইপতি খৰচ হ'ল ৩২ টকা। খোৱাৰ বাবদ তেওঁলোকৰ মুঠতে কিমান খৰচ হ'ল?



সমাধান ঃ

মুঠ প্ৰতিযোগীৰ সংখ্যা = ৩০ জন

১ জনৰ খোৱাৰ খৰচ হ'ল = ৩২ টকা

গতিকে, আটাইকেইজনৰ খোৱা খৰচ হ'ল = ৩০ × ৩২

= ৯৬০ টকা

**শিকোঁ আহা**

৩০ × ৩২ = ?

```
                          ৩ ০
                        × ৩ ২
                        ------
(প্ৰথম কাম)   ৩০ × ২ →    ৬ ০
(দ্বিতীয় কাম)  ৩০ × ৩ → ৯ ০
              ----------------
                        ৯ ৬ ০
```

প্ৰথম কাম → ৩০ × ২ = (৩ দহক + ০ একক) × ২

= (৩০ + ০ ) × ২

= ৩০ × ২ + ০ × ২

= ৬০ + ০ = ৬০

দ্বিতীয় কাম → ৩০ × ৩০ = (৩ দহক + ০ একক) × ৩০

= (৩০ + ০ ) × ৩০

= ৩০ × ৩০ + ০ × ৩০

= ৯০০ + ০ = ৯০০

তৃতীয় কাম → = প্ৰথম কাম + দ্বিতীয় কাম

= ৬০ + ৯০০ = ৯৬০

**এনেকৈয়ো কৰিব পাৰি**

$$
\begin{array}{lll}
 & & \phantom{+}৩\,২ \\
 & & \times\,৩\,০ \\
\hline
\text{(প্ৰথম কাম)} & ৩২ \times ০ \rightarrow & \phantom{+৯}০ \\
\text{(দ্বিতীয় কাম)} & ৩২ \times ৩ \rightarrow & +\,৯\,৬\phantom{০} \\
\hline
 & & ৯\,৬\,০
\end{array}
$$

**এনেকৈও কৰি চাওঁ আহা (You can do this way also)**

$$
\begin{array}{rrl}
 & ৩\;০ & \\
 & \times\,৩\;২ & \\
\hline
৩০ \times ২ \rightarrow & ৬\;০ & \text{১ম শাৰী} \\
৩০ \times ৩০ \rightarrow & ৯\;০\;০ & \text{২য় শাৰী} \\
\hline
 & ৯\;৬\;০ &
\end{array}
$$

ইয়াত ৩২ = ৩০ + ২

গতিকে প্ৰথমতে আমি

৩০ × (৩০ + ২)

= ৩০ × ৩০ + ৩০ × ২

(৩০ × ২ → পূৰণফলৰ ১ম শাৰী)

(৩০ × ৩০ → পূৰণফলৰ ২য় শাৰী)

= ৯০০ + ৬০

= ৯৬০

**নিজে কৰা**

| | | | |
|---|---|---|---|
| ১ ২<br>× ১ ৩<br>৩ ৬<br>১ ২<br>১ ৫ ৬ | ১ ৪<br>× ১ ৪ | ১ ৫<br>× ১ ৫ | ১ ৭<br>× ১ ৭ |
| ১ ৯<br>× ১ ৯ | ২ ২<br>× ১ ২ | ২ ৫<br>× ২ ২ | ২ ৮<br>× ১ ১ |

| | | | |
|---|---|---|---|
| ৩৩<br>× ১২ | ৩৫<br>× ১৩ | ৩৯<br>× ১২ | ২৩<br>× ১৪ |
| ১৮<br>× ৪৫ | ২৬<br>× ১৩ | ১৯<br>× ২৫ | ৮০<br>× ১০ |
| ৬৩<br>× ১৩ | ৩৬<br>× ২৩ | ৫২<br>× ১৪ | ৪৯<br>× ১৮ |
| ২৯<br>× ১১ | ১৭<br>× ২৫ | ৩৮<br>× ২২ | ১৫<br>× ৩৯ |
| ৬৫<br>× ১৩ | ৮৫<br>× ১১ | ৭৫<br>× ১২ | ৪০<br>× ২১ |

## হৰমোহনৰ কুঁহিয়াৰ খেতি(Hormohon's sugarcane field)

হৰমোহনে কুঁহিয়াৰ খেতিৰ পৰা প্ৰতিদিনে (everyday) ১১২ ডালকৈ কুঁহিয়াৰ বজাৰত বেচিছিল। ৩ দিনত তেওঁ কেইডাল কুঁহিয়াৰ বেচিছিল?



**সমাধান ঃ** এদিনত কুঁহিয়াৰ বেচিছিল = ১১২ ডাল

৩ দিনত কুঁহিয়াৰ বেচিছিল = ১১২×৩ ডাল

= ৩৩৬ ডাল

### শিকোঁ আহা

১১২ × ৩ = ?

শতক দহক একক

১ ১ ২
× ৩

| | | |
|---|---|---|
| ৬ | → | ২ এক × ৩ = ৬ এক = ৬ |
| ৩ ০ | → | ১ দহ × ৩ = ৩ দহ = ৩০ |
| ৩ ০ ০ | → | ১ শ × ৩ = ৩ শ = ৩০০ |
| ৩ ৩ ৬ | → | = ৩৩৬ |

### এনেকৈও কৰিব পাৰি

| প্ৰথম কাম | দ্বিতীয় কাম | তৃতীয় কাম |
|---|---|---|
| ১ ১ ২<br>× ৩<br>৬ | ১ ১ ২<br>× ৩<br>৩ ৬ | ১ ১ ২<br>× ৩<br>৩ ৩ ৬ |

### নিজে পূৰণ কৰা

| | | | |
|---|---|---|---|
| (ক) ২২২<br>× ২<br>_____ | (খ) ১২২<br>× ২<br>_____ | (গ) ১২৩<br>× ৩<br>_____ | (ঘ) ২৪৪<br>× ২<br>_____ |
| (ঙ) ২৪২<br>× ৩<br>_____ | (চ) ১২৪<br>× ২<br>_____ | (ছ) ১২৩<br>× ৪<br>_____ | (জ) ২৪৪<br>× ৪<br>_____ |

## লাটুমণিহঁতৰ তামোলৰ বাৰী (Latumoni's Betelnut Garden)



লাটুমণিহঁতে বাৰীৰ পৰা বজাৰত বেচিবৰ বাবে তামোল পাৰি আনিলে। সিহঁতে ৩৫টাকৈ তামোল ১২টা পাচিত থ'লে। সিহঁতে মুঠতে কিমান তামোল পাচিত থ'লে?

**লাটুমণিয়ে ৩৫ক ১২ৰে কেনেকৈ পূৰণ কৰিলে চাওঁ আহা**

$$\begin{array}{r} ৩\ ৫ \\ \times\ ১\ ২ \\ \hline \end{array}$$

৩৫ মানে ৩০ আৰু ৫ = ৩০ + ৫

১২ মানে ১০ আৰু ২ = ১০ + ২

| | ৩০ | ৫ |
|---|---|---|
| ১০ | ৩০ × ১০<br>৩০০ | ৫ × ১০<br>৫০ |
| ২ | ৩০ × ২<br>৬০ | ৫ × ২<br>১০ |

৩০০ + ৬০ = ৩৬০

৫০ + ১০ = ৬০

**৩৬০ + ৬০ = ৪২০**

গতিকে, ৩৫ × ১২ = ৪২০

**ওপৰত দিয়া নিয়মেৰে পূৰণ কৰোঁ আহা (Let us multiply by the method explained above)**

(ক) ৩৫ × ১৪ (খ) ৬৭ × ১৫ (গ) ৫২ × ১৫

(ঘ) ৪৪ × ১৬ (ঙ) ৭৫ × ১৩ (চ) ১২ × ২৩

(ছ) ২১ × ১৩ (জ) ৩৭ × ১১ (ঝ) ৪৯ × ১২

**খালী ঠাই পূৰ কৰোঁ আহা (Fill in the blankss)**

৭ × ৫ = ৩৫ ৯ × .......... = ৫৪ ৮ × .......... = ৬৪


......... × ৮ = ৪৮ ১০ × .......... = ৭০ ৬ × ৯ = ...........

৫ × ........ = ৩০ .......... × ৭ = ৪২ ৮ × ........ = ৮০



**তলৰ সমস্যাসমূহ সমাধান কৰোঁ আহা**

| | | |
|---|---|---|
| (ক) | অৰিন্দমৰ দেউতাকে বজাৰত ডজনে প্ৰতি ৫৫ টকাকৈ কল বেচিলে। তেওঁ ৭ ডজন কল বেচি কিমান টকা পালে? | |
| (খ) | চেলিমে দৈনিক ১৬০ খন বাতৰি কাকত বিক্ৰী কৰে। ৬ দিনত তেওঁ কিমানখন কাকত বিক্ৰী কৰিব? | |
| (গ) | সোণমণিয়ে দেউতাকৰ লগত জোতাৰ দোকানলৈ গ'ল। তেওঁ ৩০০ টকাত এযোৰ জোতা কিনিলে। তেনেকুৱা দুযোৰ (two pair) জোতা কিনিলে কিমান টকা দিব লাগিব? | |
| (ঘ) | ১ কিলোগ্ৰাম ৰৌ মাছৰ দাম ২৫০ টকা হ'লে ৩ কিলোগ্ৰাম মাছৰ দাম কিমান হ'ব? | |
| (ঙ) | এটা ছাতিৰ দাম ২২৫ টকা হ'লে, তেনেকুৱা ৪ টা ছাতিৰ দাম কিমান হ'ব? | |
| (চ) | এখন বাছে ঘণ্টাত ৬০ কিলোমিটাৰ বেগত ৫ ঘণ্টা, ৭০ কিলোমিটাৰ বেগত ২ ঘণ্টা আৰু ৫০ কিলোমিটাৰ বেগত ৩ ঘণ্টা একেৰাহে চলিলে। বাছখন মুঠ কিমান ঘণ্টা চলিলে আৰু কিমান দূৰ বাট যাব? | মুঠ চলিলে<br>.............................. ঘণ্টা<br>আৰু দূৰত্ব যাব<br>...................... কিলোমিটাৰ |
| (ছ) | এখন কিতাপত ১৯৬ পৃষ্ঠা আছে। তেনেকুৱা ৮ খন কিতাপত কিমান পৃষ্ঠা হ'ব? | |
| (জ) | ১ কিলোগ্ৰাম আমৰ দাম ৯০ টকা আৰু ১ কিলোগ্ৰাম আপেলৰ দাম ১২০ টকা হ'লে ২৫ কিলোগ্ৰাম আম আৰু ২০ কিলোগ্ৰাম আপেলৰ মুঠ দাম কিমান হ'ব? | |




**তলৰ বস্তুবোৰ নিজে আঁকি চোৱা (Draw the following)**








**কৰি চাওঁ আহা (Let us do the activity)**



এপাত খাৰু লোৱা আৰু খাৰু পাত কাগজত বহুৱাই চাৰিওফালে পেঞ্চিলেৰে আঁকি যোৱা। এতিয়া খাৰু পাত উঠাই আনা। কাগজখিলাত এটা ঘূৰণীয়া আকৃতি পোৱা নাইনে?

এই ঘূৰণীয়া আকৃতিটোৱেই হৈছে **'বৃত্ত' (Circle)**।




- বৃত্তাকৃতিৰ (circular) কাগজ এডোখৰ কাটি লোৱা।





- এতিয়া বৃত্তাকৃতিৰ কাগজ টুকুৰা সমানে দুভাঁজ কৰা।

- ভাঁজ কৰা কাগজডোখৰ পুনৰ আধা ভাঁজ কৰা।



- ভাঁজ কৰা কাগজখন খুলি দিয়া।






- ভাঁজে ভাঁজে কাগজডোখৰত দুডাল আঁচ টানা।
- দুয়োডাল আঁচে য'ত কটাকটি (intersect) কৰিছে সেই ঠাইটোৱেই হৈছে বৃত্তটোৰ **কেন্দ্ৰ (Centre)**।
- আঁচ দুডাল জুখি চোৱা। দুয়োডাল সমাননে? এই আঁচ দুডাল হ'ল বৃত্তৰ **ব্যাস (Diameter)**।

## কৰি চাওঁ আহা

***শিক্ষকলৈ নিৰ্দেশনা ঃ*** *এডাল দীঘল ৰছী, এটা দীঘল খুঁটি আৰু এটা চুটি খুঁটি ল'ব। ছাত্ৰ-ছাত্ৰীক বাহিৰলৈ উলিয়াই আনি শাৰী পাতি চৌহদত থিয় কৰাওক। প্ৰথমে দীঘল খুঁটিটো চৌহদৰ মাজতপুতি লওক। ৰছীডালৰ এটা মূৰ খুঁটিটোত বান্ধি লওক। ৰচীডালৰ আনটো মূৰ চুটি খুঁটিটোত বান্ধি দিয়ক। এজন ছাত্ৰ বা এজনী ছাত্ৰীক চুটি খুঁটিটোত টানকৈ ধৰি চাৰিওপিনে সম্পূৰ্ণ এপাক ঘূৰি দাগ দি যাবলৈ দিয়ক। দাগ দিয়া ঘূৰণীয়া আকৃতিটোৱেই যে এটা বৃত্ত তাক ছাত্ৰ-ছাত্ৰীক এই ক্ৰিয়াকলাপৰ দ্বাৰা বুজাই দিব। ৰছীডাল চুটি/দীঘল কৰি এনেদৰে ছাত্ৰ-ছাত্ৰীক বৃত্ত আঁকিবলৈ দিয়ক। খুঁটিটোৰ পৰা সমান আঁতৰত ছাত্ৰ-ছাত্ৰীক থিয় হ'বলৈ দিও বৃত্তৰ ধাৰণা দিব পাৰে।*

## জানি লওঁ আহা (Let us know)



চুটি খুঁটিটোৰে অঁকা ঘূৰণীয়া আকৃতিটোৱেই হৈছে **বৃত্ত**।

দীঘল খুঁটিটো হ'ল বৃত্তটোৰ **কেন্দ্ৰ**।


দীঘল খুঁটিটোৰ পৰা ৰছীৰ দৈৰ্ঘ্যই হ'ল বৃত্তটোৰ **ব্যাসাৰ্ধ (radius)**।

(ৰছীৰ দৈৰ্ঘ্য × ২) হ'ল বৃত্তটোৰ **ব্যাস**।

**ব্যাসৰ আধা হৈছে ব্যাসাৰ্ধ।**


**(Half the diameter is the radius)**

কাষৰ বৃত্তটোৰ ব্যাস আৰু ব্যাসাৰ্ধ জুখি লিখা।




ব্যাসাৰ্ধ = ................ ব্যাস = ................


## কম্পাছেৰে বৃত্ত আঁকো আহা (Let us draw a circle with compass)




- জ্যামিতিৰ বাকচ (Geometry box)ত কাষত দিয়া ধৰণৰ এবিধ সঁজুলি (tool) দেখিছানে?

  এই সঁজুলি বিধৰ নাম হ'ল **কম্পাছ (Compass)**।

- কম্পাছ এডালৰ স্ক্ৰুটো ঢিলা কৰি লৈ জোঙা পেঞ্চিল এডাল আঙঠিটোত সুমুৱাই লোৱা। স্ক্ৰুটো এতিয়া টান কৰি লোৱা ।



- কম্পাছ ডাল মেলি (apart) দিয়া।
- কম্পাছ ডালৰ জোঙা মূৰটো হেঁচা (firmly) দি কাগজ এখিলাত বহুৱাই লোৱা।
- কম্পাছ ডালৰ জোঙা মূৰটো লৰ চৰ নকৰাকৈ ৰাখি পেঞ্চিলডাল লাহে লাহে চাৰিওফালে ঘূৰোৱা।
- এনেদৰে ঘূৰাওতে পেঞ্চিলৰ জোঙা মূৰটোৱে কাগজত এটা বৃত্ত আঁকিব।







- কাগজখিলাত কম্পাছৰ জোঙা মূৰটো য'ত লগাইছিলা তাত এটা দাগ (mark) দিয়া।
- এই দাগটোৱে হৈছে বৃত্তটোৰ **কেন্দ্ৰ (circle)**।

***শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীক কম্পাছেৰে বৃত্ত আঁকিবলৈ সহায় কৰিব।*

## স্কেলত জোখ লৈ বৃত্ত আঁকো আহা (Let us take measurement with the scale to draw circle)




স্কেল এডালৰ '০' দাগত কম্পাছডালৰ জোঙা মূৰটো বহুৱাই লৈ পেঞ্চিলৰ মূৰটো স্কেলৰ ২ চে মি দাগলৈ মেলি দিয়া। এতিয়া কাগজত কম্পাছৰ মূৰটো বহুৱাই পেঞ্চিল ডাল লাহে লাহে ঘূৰোৱা। এনেদৰে ঘূৰাওঁতে যিটো বৃত্ত পাবা তাৰ ব্যাসাৰ্ধ হ'ল ২ চে মি।

**তলত দিয়া মতে ব্যাসাৰ্ধৰ জোখ লৈ বৃত্তকেইটা আঁকা (Draw circles with the radius given below)**

| ১ চে মি | ২ চে মি |
|---|---|
| | |

**তলত দিয়া বৃত্তবোৰৰ ব্যাসাৰ্ধৰ জোখ লোৱা। (Measure the radius of each of the circles given below)**




ব্যাসাৰ্ধ = .................
ব্যাস = ২ × ব্যাসাৰ্ধ
= ২ × ......... = ...........

ব্যাসাৰ্ধ = .................
ব্যাস = ২ × ব্যাসাৰ্ধ
= ২ × ......... = ...........

ব্যাসাৰ্ধ = .................
ব্যাস = ২ × ব্যাসাৰ্ধ
= ২ × ......... = ...........

**তলৰ বৃত্তাকৃতিৰ বস্তুবোৰৰ ব্যাস উলিওৱা (Find the diameter of the following objects)**



ব্যাস = .................




ব্যাস = .................



ব্যাস = .................


## কম্পাছ ব্যৱহাৰ কৰি বৃত্তৰ ছবি আঁকো আহা (Let us draw pictures of circles using a compass)

(১) এটা বৃত্ত আঁকা। (২) বৃত্তটোৰ ভিতৰৰ যিকোনো ঠাইৰ পৰা একে সমান ব্যাসাৰ্দ্ধলৈ (same radius) আন এটা বৃত্ত আঁকা। বৃত্ত দুটাই কটাকটি কৰা ঠাইত 'ক' আৰু 'খ' লিখা। (৩) এই 'ক' আৰু 'খ'ক কেন্দ্ৰ হিচাপে লৈ আৰু দুটা বৃত্ত আঁকা। এইদৰে নতুনকৈ অঁকা বৃত্ত কেইটা য'ত প্ৰথমে অঁকা বৃত্তটোৰ লগত লগ লাগিছে সেইকেইটা বিন্দুক কেন্দ্ৰ হিচাপে লৈ আৰু বৃত্ত আঁকি যোৱা। কি পালা (




## খেলি চোৱা (Let us play)

কেইটামান লিচুৰ গুটি লোৱা। গুটিবোৰৰ মাজ ডোখৰ চকলকৈ কাটি লোৱা। দিয়াচলাই কাঠী এডাল এই চকলবোৰৰ মাজত সুমুৱাই দি লাটুমৰ দৰে সাজি লোৱা। এনেদৰে সজা লাটুমটো কাঠীডালত ধৰি ঘূৰোৱা (sw




## কি পালা ? (What have you observed?)

- কোনটো লাটুম বহুত সময় ধৰি ঘূৰি থাকিল খালী ঘৰত (✓) চিন দিয়া।
- কোনটো লাটুমৰ কাঠীডাল কেন্দ্ৰৰ আটাইতকৈ ওচৰত আছে বাকচত লিখা। ☐
- কোনটো লাটুম একেবাৰে নুঘূৰিলে ? ☐

## পাঠ- ৭
## Lesson-7

## তথ্য ব্যৱহাৰ
## Use of data

**কোনে কি ফল ভাল পায় (Who likes which fruits)**

চন্দ্ৰই তাৰ লগৰীয়াবোৰৰ লগত জিৰণিৰ সময়ত বিদ্যালয়ৰ চৌহদত থকা আঁহত জোপাৰ তলতে বহি কোনে কি ফল খাই ভাল পায় কথা পাতি আছিল। জিলিয়ে শ্ৰেণীকোঠাৰ পৰা বহী এখন আৰু পেঞ্চিল এডাল লৈ আনিলে। কোনটো ফল কেইজনে খাই ভাল পায় তাই তাৰে এখন তালিকা প্ৰস্তুত কৰিলে। তালিকাখন তলত ধৰণৰ—



| ফলৰ নাম | ফলটো ভালপোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|
| কল | ☺ ☺ ☺ ☺ ☺ |
| আম | ☺ ☺ ☺ ☺ ☺ ☺ |
| কঁঠাল | ☺ ☺ |
| নাচপতি | ☺ ☺ ☺ |

**☺- দুজন ছাত্ৰ বা ছাত্ৰীক বুজাইছে (☺- indicates two boys or girls students)**


**ওপৰৰ তথ্যৰ সহায়ত তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা**



- কল আৰু কঁঠাল মুঠ কিমানজন ছাত্ৰ-ছাত্ৰীয়ে ভাল পায়?
- কঁঠাল ভালপোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাতকৈ নাচপতি ভালপোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি নে কম?
- কোনটো ফল বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীৰ প্ৰিয়?

**মনোজ, ৰিনদাও, বৰুণ, বিনীতা আৰু কবিতাহঁতৰ প্ৰত্যেকৰে লগত থকা গল্প কিতাপৰ সংখ্যা তলত দিয়া আছে।**

| নাম | মনোজ | ৰিনদাও | বৰুণ | বিনীতা | কবিতা |
|---|---|---|---|---|---|
| কিতাপৰ সংখ্যা | ৪ খন | ৫ খন | ৯ খন | ৬ খন | ৭ খন |

ওপৰৰ তথ্যখিনি চিত্ৰৰ সহায়ত দেখুওৱা

| | |
|---|---|
| মনোজ |  |
| ৰিনদাও | |
| বৰুণ | |
| বিনীতা | |
| কবিতা | |

 এখন কিতাপ বুজাইছে (  **Represents one book**)

**ওপৰৰ তথ্যৰ সহায়ত লিখা**

- কাৰ আটাইতকৈ বেছি সংখ্যক কিতাপ আছে?
- কাৰ আটাইতকৈ কম সংখ্যক কিতাপ আছে?
- বৰুণৰ সমান হ'বলৈ মনোজে আৰু কেইখন কিতাপ সংগ্ৰহ (Collect) কৰিব লাগিব?
- ৰিনদাও আৰু বিনীতাৰ দুয়োৰে মিলি কিমান কিতাপ আছে?
- কবিতাতকৈ বৰুণৰ কেইখন কিতাপ বেছি আছে?


বিভিন্ন খেল খেলি ভাল পোৱা ছাত্র-ছাত্রীৰ তথ্য তলত দিয়া আছে (**The following table shows the data on number of students who like to play various sports**)






| খেলৰ নাম | ছাত্র-ছাত্রীৰ সংখ্যা |
|---|---|
| ফুটবল | ৫ |
| ক্রিকেট | ৮ |
| কাবাডী | ৪ |
| বেডমিণ্টন | ৬ |





ওপৰৰ তথ্যৰ সহায়ত দণ্ডচিত্র (**bar-diagram**) আঁকো আহা




আগৰ পৃষ্ঠাৰ দণ্ডচিত্ৰখন চাই কোৱা আৰু লিখা (**Look at the bar-diagram shown on the pervious page and tell & write)**

- ফুটবল আৰু ক্ৰিকেটৰ ভিতৰত কোনবিধ খেল বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ভাল পায়?
- শ্ৰেণীটোৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান?
- কাবাডী আৰু বেডমিণ্টন খেলি ভাল পোৱা মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান?

**জানি লওঁ আহা ঃ দণ্ডচিত্ৰ তথ্য প্ৰকাশ কৰাৰ এক উপায়। দণ্ডচিত্ৰত তথ্যসমূহ আয়তাকৃতিৰ সমান প্ৰস্থৰ দণ্ডৰ দ্বাৰা প্ৰকাশ কৰা হয়। (Bar diagram is a way of representation of data. In bar diagram data are represented in form of rectangular bars of equal width)**

**শিশু দিৱসৰ দিনা এখন বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰীসকলে মূৰত বিভিন্ন ৰঙৰ ফিতা মাৰিছিল। ফিতাৰ ৰং অনুযায়ী ছোৱালীৰ সংখ্যা তলৰ দণ্ডচিত্ৰত দেখুওৱা হৈছে।**





দণ্ডচিত্ৰখন চাই ৰং অনুযায়ী ফিতা মৰা ছোৱালীৰ সংখ্যা লিখা

 ১  ______  ______

 ______  ______  ______




**আত্মসহায়ক গোট (Self-Help Group)ৰ ধনেৰে নিৰ্মলা, নৰ্মদা, কমলা, নমিতাই সৰুকৈ ফাৰ্ম এখন খুলিলে। ফাৰ্মখনত থকা প্ৰাণী আৰু সিহঁতৰ সংখ্যাবোৰ দণ্ডচিত্ৰত চাওঁ আহা**







**দণ্ডচিত্ৰখন চাই তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা**



ফাৰ্মখনত কোনবিধ প্ৰাণী আটাইতকৈ বেছিকৈ আছে?

হাঁহ আৰু কুকুৰা মিলি মুঠতে কেইটা প্ৰাণী আছে?


গৰুতকৈ ছাগলীৰ সংখ্যা ..................... টা বেছি?

পাৰতকৈ কুকুৰাৰ সংখ্যা ........................ টা কম?

ফাৰ্মখনত মুঠতে কিমান সংখ্যক প্ৰাণী আছে?...... ।

**কাৰ হাতত কিমান আম আছে?**

অনুজ, মানস, পাপৰি, মনোৰাৰা আৰু জিলমিলে বাৰীৰ পৰা আম বুটলিবলৈ গ'ল। অনুজে ২১টা, মানসে ৭টা, পাপৰিয়ে ১৮টা, মনোৰাৰাই ১১টা আৰু জিলমিলে ১৫টা আম বুটলিলে। এই তথ্যখিনি দণ্ডচিত্ৰত প্ৰকাশ কৰা।




**কাষৰ তালিকাৰ পৰা উত্তৰ লিখোঁ আহা**



- পাঁচজনে মুঠ কিমানটা আম বুটলিলে?
- আটাইতকৈ কম আম কোনে বুটলিলে?
- মনোৰাৰাই পাপৰিতকৈ কিমানটা কম আম বুটলিলে?
- আটাইতকৈ কোনে বেছি আম বুটলিলে?
- জিলমিলৰ আমৰ সংখ্যা অনুজৰ সমান হ'বলৈ আৰু কেইটা আম বুটলিব লাগিব?

**নিজে কৰা**

বাতৰি কাকতত দিয়া বৰষুণৰ পৰিমাণ তথ্য (এটা সপ্তাহৰ বাবে) সংগ্ৰহ কৰা। সংগ্ৰহ কৰা তথ্যৰ সহায়ত দণ্ডচিত্ৰ এখন প্ৰস্তুত কৰা। কোনদিনা বৰষুণৰ পৰিমাণ আটাইতকৈ বেছি আৰু কোনদিনা বৰষুণৰ পৰিমাণ আটাইতকৈ কম উলিওৱা।


***শিক্ষকলৈ নিৰ্দেশনা ঃ*** *এনেধৰণৰ প্ৰকল্পৰ সহায়ত ছাত্ৰ-ছাত্ৰীক দণ্ডচিত্ৰ প্ৰস্তুত কৰিবলৈ দিব।*


পাঠ - ৮
# Lesson-8

# হৰণ
# Division

## আইতাৰ মণি (Grandmother's Beads)

আইতাই তেওঁৰ পেৰাত সাঁচি থোৱা ১২টা ৰঙা মণি নাতিনীয়েক তগৰক উলিয়াই দিলে। তেওঁ ৪টাকৈ মণিৰে তগৰক মালা গাঁথিবলৈ ক'লে। তগৰে কেইধাৰি মালা গাঁথিলে চাওঁ আহা





প্ৰথম মালা — মণি বাকী থাকিল ১২ - ৪ = ৮

দ্বিতীয় মালা — মণি বাকী থাকিল ৮ - ৪ = ৪


তৃতীয় মালা — মণি বাকী থাকিল ৪ - ৪ = ০

তগৰে ১২ টা মণিৰে ৩ ধাৰি মালা গাঁথিলে।

অৰ্থাৎ ১২ টা মণিৰ পৰা ৪টাকৈ মণি ৩ বাৰ বিয়োগ কৰিলে।

আমি এনেধৰণেও লিখিব পাৰোঁ ১২ ÷ ৪ = ৩

**যদি তগৰে ১২ টা মণিৰ পৰা ৩ টাকৈ লয়, তেন্তে তাই কেইধাৰি মালা গাঁথিব পাৰিব ?**



প্ৰথম মালা


দ্বিতীয় মালা

তৃতীয় মালা

চতুৰ্থ মালা

**গতিকে ১২ টা মণিৰে তাই ৪ ধাৰি মালা গাঁথিব পাৰিব অৰ্থাৎ ১২ ÷ ৩ = ৪ ধাৰি মালা**


✦ ১৬টা মণি ৪টাকৈ ল'লে কেইধাৰি মালা গাঁথিব পাৰিব ?



অৰ্থাৎ

১৬ ÷ ৪ = ☐ ধাৰি মালা


✦ ৮টা মণি ৪টাকৈ ল'লে কেইধাৰি মালা গাঁথিব পাৰিব ?



অৰ্থাৎ

৮ ÷ ৪ = ☐ ধাৰি মালা


✦ ১০টা মণি ২টাকৈ ল'লে কেইধাৰি মালা গাঁথিব পাৰিব



অৰ্থাৎ

১০ ÷ ২ = ☐ ধাৰি মালা


✦ ১৫টা মণি ৫টাকৈ ল'লে কেইধাৰি মালা গাঁথিব পাৰিব ?



অৰ্থাৎ

১৫ ÷ ৫ = ☐ ধাৰি মালা

✦ ২৪টা মণি ৬টাকৈ ল'লে কেইধাৰি মালা গাঁথিব পাৰিব ?



অৰ্থাৎ

২৪ ÷ ৬ = ☐ ধাৰি মালা

*শিক্ষকলৈ নিৰ্দেশনা ঃ ছাত্ৰ-ছাত্ৰীক দলত ভগাই ২, ৩, ৪, ৬, ১২ টাকৈ ফলৰ গুটি, কাঠী, গছৰ পাত ইত্যাদিৰে ভাগ কৰা কাৰ্য কৰিবলৈ দিব।*

## ভাগ কৰোঁ আহা (Let us divide)



কণ, সেউতী, ৰফিক, জোনমিলি আৰু লক্ষ্মীয়ে বাৰীৰ পৰা ১৫টা আম আনিলে। সিহঁতে আমবোৰ ভগাবলৈ ধৰিলে। প্ৰথমতে ৫টা আম পাঁচজনৰ মাজত এটাকৈ ভগাই ল'লে। ১০টা আম বাকী থাকিল। আকৌ সিহঁতে এটাকৈ আম গাইপতি ল'লে। বাকী থাকিল ৫টা। এতিয়া বাকী থকা ৫টা আম ৫জনৰ মাজত পুনৰ ভগাই ল'লে। এইবাৰ আম এটাও বাকী নাথাকিল। এনেদৰে ১৫টা আম ভগোৱাৰ পাছত গাইপতি ৩টাকৈ পালে।



কণ, সেউতী, ৰফিক, জোনমিলি আৰু লক্ষ্মীয়ে আম ১৫টা নিজৰ মাজত কেনেকৈ ভগালে চাওঁ আহা।



১ম বাৰ ঃ গাইপতি এটাকৈ আম ভগালে, আম বাকী থাকিল ১৫ - ৫ = ১০টা



২য় বাৰ ঃ গাইপতি আৰু এটাকৈ আম ভগালে, আম বাকী থাকিল ১০ - ৫ = ৫টা



৩য় বাৰ ঃ গাইপতি আৰু এটাকৈ আম ভগালে, আম বাকী থাকিল ৫ - ৫ = ০ টা

আমি দেখিলো যে ১৫টা আম ৫জনৰ মাজত সমানে ভগাই দিলে প্ৰতিজনে ৩টাকৈ পাব। এই কথাটো এনে ধৰণেও লিখা হয়-

**১৫ ÷ ৫ = ৩**

'÷' চিনক **হৰণ** চিন বা **ভাগ** চিন বুলি কোৱা হয়।

**চিন্তা কৰা আৰু কোৱা**

- প্ৰথম বাৰ ভগোৱাৰ পিছত কেইটা আম বাকী থাকিল ?
- দ্বিতীয় বাৰ ভগোৱাৰ পিছত কেইটা আম বাকী থাকিল ?
- কিমান বাৰ ভগোৱাৰ পিছত আম আৰু বাকী নাথাকিল ?
- ১৫ টা আম ৫ জনৰ মাজত সমানে ভগাই দিয়াত প্ৰতিজনে কেইটাকৈ পালে ?

## নিজে কৰা

১৮টা আম সমানে (equally) ভগোৱা ঃ

(ক) ৬জনৰ মাজত (খ) ৩জনৰ মাজত (গ) ২জনৰ মাজত

*শিক্ষকলৈ নিৰ্দেশনা ঃ বাস্তৱত উপলব্ধ বস্তুৰ সহায়ত ছাত্ৰ-ছাত্ৰীক ভাগ কৰাত সহায় কৰিব।*

## বাৰে বাৰে কৰা বিয়োগৰ জৰিয়তে হৰণ কৰোঁ আহা (Division by repeated subtraction)

২০ৰ পৰা এবাৰত ৫টাকৈ বস্তু ললে আমি কেইবাৰ ল'ব পাৰিম চাও আহা।

২০ ÷ ৫ = ?

২০
− ৫ (১)
১৫
− ৫ (২)
১০
− ৫ (৩)
৫
− ৫ (৪)
০

কি বুজিলা?
২০ৰ পৰা ৫টাকৈ বস্তু আমি ৪ বাৰ ল'ব পাৰোঁ। ইয়াৰ পিছত আৰু বস্তু বাকী নাথাকিব।
তাৰ মানে ২০ ত ৫ ৰ গোট আছে ৪ টা। সেই কথাটো আমি এনেদৰে লিখিব পাৰোঁ—
২০ ÷ ৫ =৪

২৫ ÷ ৫ = ☐

২৫
− ৫ (১)
২০
− ৫ (২)
১৫
− ৫ (৩)
১০
− ৫ (৪)
৫
৫ (৫)
০

সেয়েহে ২৫ ÷ ৫ = ৫

২৪ ÷ ৬ = ☐

১৮ ÷ ৬ = ☐


৩০ ÷ ৫ = ☐

৫০ ÷ ১০ = ☐

## ছবি চাই চিন্তা কৰি কোৱা আৰু লিখা



✦ ডলাত কেইখন পিঠা আছে? .................
কৰবী আৰু কমলৰ মাজত পিঠা কেইখন সমানে ভগালে প্ৰত্যেকে কেইখনকৈ পিঠা পাব? .................
কেইখন পিঠা বাকী থাকিব? .................



✦ কেইজন ল'ৰা-ছোৱালী নাওত উঠিবলৈ ৰৈ আছে? ...................
মুঠ নাওৰ সংখ্যা কেইখন? ...................
এখন নাওত ৪ জনকৈ উঠিব পাৰিলে কেইজন উঠিব পাৰিব? ...................
কেইজনে উঠিবলৈ নাপাব? ...................

### পূৰণৰ নেওতাৰ সহায়ত ভাগ কৰোঁ আহা (Let us divide using multiplications tables)

(ক) ১৬ ÷ ৪

পূৰণৰ নেওতাৰ সহায়ত ১৬ত ৪ কেইবাৰ আছে চাওঁ আহা
দেখা গ'ল যে ১৬ত ৪, ৪ বাৰ আছে।
ভাগ কৰা এই কামটো আমি তলত দিয়া ধৰণে লিখিব পাৰোঁ।

৪ × ১ = ৪
৪ × ২ = ৮
৪ × ৩ = ১২
৪ × ৪ = ১৬

```
              ৪     ভাগফল
ভাজক ← ৪ ) ১৬     ভাজ্য
             ১৬
            ----
              ০     ভাগশেষ বা বাকী
```

(খ) ২৬ ÷ ৫

পূৰণৰ নেওতাৰ সহায়ত ২৬ত ৫ কেইবাৰ আছে চাওঁ আহা
অৰ্থাৎ ২৬ত ৫, ৫ বাৰ আছে।
২৬ক ৫ বাৰ ভাগ কৰাৰ পিছত ১ বাকী থাকে।

৫ × ১ = ৫
৫ × ২ = ১০
৫ × ৩ = ১৫
৫ × ৪ = ২০
৫ × ৫ = ২৫

```
              ৫     ভাগফল
ভাজক     ৫ ) ২৬     ভাজ্য
             ২৫
            ----
              ১     ভাগশেষ
```

চিন ব্যৱহাৰ কৰি হৰণ কৰোঁ আহা (Divide using $\overline{)\ \ }$ symbol)

(ক) ৩৬ ÷ ৩

৩ ) ৩ ৬ ( ১
৩
০

৩ ) ৩ ৬ ( ১ ২
− ৩ ↓
৬
− ৬
০

গতিকে ভাগফল ১২, ভাগশেষ ০

(খ) ৩৭ ÷ ৪

(গ) ৭৩ ÷ ৮

(ঘ) ৫৭ ÷ ৬

(ঙ) ৬৭ ÷ ১০


(চ) ১৯ ÷ ৯

(ছ) ৩৬ ÷ ৭

(জ) ৪৩ ÷ ৫

**হৰণ আৰু পূৰণৰ সম্বন্ধবোৰ চাওঁ আহা (Let us look at the relation between division and multiplication)**

পূৰণ




৩ পাহকৈ ফুল ২ বাৰ আছে

৩, ২ বাৰ

৩ × ২ = ৬


হৰণ



৬ পাহ ফুল ২ টা সমান ভাগত ভগালে প্ৰতি ভাগত ৩ পাহকৈ ফুল থাকিব


৬ ÷ ২ = ৩

হৰণ



৬ পাহ ফুল ৩টা সমান ভাগত ভগালে প্ৰতি ভাগত ২ পাহকৈ ফুল থাকিব


৬ ÷ ৩ = ২



৪ টাকৈ লেটেকু

৩ বাৰ আছে

৪ × ৩ = ১২




১২টা লেটেকু

৩ টা সমান ভাগত ভগালে

প্ৰতি ভাগত ৪ টাকৈ থাকিব

১২ ÷ ৩ = ৪



১২টা লেটেকু

৪ টা সমান ভাগত ভগালে

প্ৰতি ভাগত ৩ টাকৈ থাকিব

১২ ÷ ৪ = ৩

**নিজে কৰা**



৫ পাহকৈ ফুল

৩ বাৰ আছে।

..........................



১৫ পাহ ফুল

৩ টা সমান ভাগত ভগালে

প্ৰতি ভাগত ৫ পাহকৈ থাকিব।

..........................



১৫ পাহ ফুল

৫ টা সমান ভাগত ভগালে প্ৰতি ভাগত ৩ পাহকৈ থাকিব।

..........................

**হৰণ আৰু পূৰণৰ সম্বন্ধবোৰ উলিওৱা (Find out the multiplication and division facts)**

| | | |
|---|---|---|
| ১৮ × ৩ = ৫৪ | ৪ × ৫ = ২০ | ৬ × ৯ = ৫৪ |
| ৫৪ ÷ ১৮ = ৩<br>৫৪ ÷ ৩ = ১৮ | | |
| ৭ × ৮ = ৫৬ | ৯ × ৫ = ৪৫ | ১০ × ৭ = ৭০ |
| | | |

**খালী ঠাই পূৰ কৰোঁ আহা (Fill up the blanks)**

| | | | | | |
|---|---|---|---|---|---|
| (ক) | ২ × ৩ = ৬<br>৬ ÷ ২ = ৩<br>৬ ÷ ৩ = ২ | (খ) | ৩ × ৪ = .......<br>১২ ÷ ৩ = .....<br>১২ ÷ ৪ = ...... | (গ) | ৩ × ....... = ২১<br>২১ ÷ ৭ = ......<br>২১ ÷ ..... = ৭ |
| (ঘ) | ৬ × ৫ = .......<br>৩০ ÷ ৫ = .....<br>..... ÷ ৬ = ৫ | (ঙ) | ..... × ৬ = ৪২<br>..... ÷ ৬ = ৭<br>৪২ ÷ ৭ = ..... | (চ) | ৪ × .... = ৭২<br>..... ÷ ৪ = .....<br>৭২ ÷ ..... = ৪ |

**সমস্যামূলক সমাধান কৰোঁ আহা**

(ক) ৩০টা চকলেট ৩টা টেমাত ভৰালে প্ৰতিটো টেমাত কিমানটাকৈ চকলেট থাকিব?

(খ) ১৬টা গোলাপ ফুলৰ পুলি বাগিচা এখনত ৪টা শাৰীত ৰুব লাগে। প্ৰতিটো শাৰীত কিমানটাকৈ পুলি ৰুব লাগিব?

(গ) এজন ছাত্ৰক ২খনকৈ বিস্কুট চাহৰ লগত দিলে ৫০খন বিস্কুট কিমানজন ছাত্ৰ-ছাত্ৰীক দিব পাৰিব?

(ঘ) ৭ দিনত এসপ্তাহ হ'লে ৩৫ দিনত কেইসপ্তাহ?

(ঙ) ১০ টা মিঠাইৰ দাম ১০০ টকা হ'লে, ১টা মিঠাইৰ দাম কিমান?

(চ) অনুপমৰ হাতত ১০টা বেলুন আছিল। সি তাৰ প্ৰতিজন বন্ধুক ২টাকৈ বেলুন দিলে। অনুপমৰ বন্ধু কেইজন আছিল?

**মুখে মুখে উত্তৰ দিওঁ আহা**

(ক) বগৰী আছিল ২০টা। ল'ৰা আছিল ৫জন। প্ৰতিজনক সমানে ভগালে পাব কেইটাকৈ?

(খ) ৰে'লৰ ডবা আছে ৬টা। কণমইনাহঁত ৩০ জন। ডবাই প্ৰতি সমানে উঠিলে প্ৰতিটো ডবাত উঠিব কেইজনকৈ?

(গ) চকা আছে ২৪টা। ৰিক্সাত লাগে ৩টা। সকলো চকা লগালে ৰিক্সা হ'ব কেইখন?

**চেষ্টা কৰা**

দুটা সংখ্যাৰ পূৰণফল ৩৭৫। এটা সংখ্যা যদি ২৫ হয় আনটো সংখ্যা কি?

**তলৰ তালিকাখন চোৱা আৰু তলত দিয়া অনুযায়ী বিচাৰি উলিয়াই লিখা।**

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ১ | ৬ | ১১ | ১৬ | ২১ | ২৬ | ৩১ | ৩৬ | ৪১ | ৪৬ |
| ২ | ৭ | ১২ | ১৭ | ২২ | ২৭ | ৩২ | ৩৭ | ৪২ | ৪৭ |
| ৩ | ৮ | ১৩ | ১৮ | ২৩ | ২৮ | ৩৩ | ৩৮ | ৪৩ | ৪৮ |
| ৪ | ৯ | ১৪ | ১৯ | ২৪ | ২৯ | ৩৪ | ৩৯ | ৪৪ | ৪৯ |
| ৫ | ১০ | ১৫ | ২০ | ২৫ | ৩০ | ৩৫ | ৪০ | ৪৫ | ৫০ |

(ক) ৫ৰে হৰণ যোৱা সংখ্যাবোৰ

১০, ১৫, ..........................................................................................

(খ) ৬ৰে হৰণ যোৱা সংখ্যাবোৰ

..........................................................................................

(গ) ৭ৰে হৰণ যোৱা সংখ্যাবোৰ

..........................................................................................

(ঘ) ৮ৰে হৰণ যোৱা সংখ্যাবোৰ


..........................................................................................

(ঙ) ৯ৰে হৰণ যোৱা সংখ্যাবোৰ

..........................................................................................

(চ) ১০ৰে হৰণ যোৱা সংখ্যাবোৰ

..........................................................................................



**তলৰ সমস্যাবোৰ সমাধান কৰা**

ৰংপিয়ে ঘৰৰ বাগিচাৰ পৰা ৮১টা কমলা ছিঙিলে। সেই কমলাবোৰ ৯টাকৈ টুকুৰিত ভৰালে। প্ৰতিটো টুকুৰিত কেইটাকৈ কমলা থাকিব?

২৮টা লেটেকু কেইজনীমান ছোৱালীয়ে সমানে ভগাই ল'লে। যদি প্ৰত্যেক ছোৱালীয়ে ৪টাকৈ লেটেকু পায়, তেনেহ'লে কেইজনী ছোৱালী আছিল?

২জন ল'ৰাই সিহঁতৰ বন্ধু এজনৰ পৰা এখন কিতাপ কিনিলে। যদি কিতাপখনৰ দাম ১৪০ টকা হয়, ল'ৰা দুজনৰ প্ৰত্যেকে কিমানকৈ দিব লাগিব?

৪ ডাল ফিতাৰ দাম ৬০ টকা হ'লে। এডাল ফিতাৰ দাম কিমান? তেনেকুৱা ৬ ডাল ফিতাৰ দাম কিমান হ'ব?

এখন দোকানত ৩৫টা টায়াৰ আছে। এখন গাড়ীত ৪টা টায়াৰ লগাব লাগে, তেন্তে কেইখন গাড়ীত কেইটা টায়াৰ লগাব পাৰিব আৰু কেইটা টায়াৰ ৰৈ যাব?

**তলৰ সমস্যাবোৰ সমাধান কৰা**

কাৰ্তিকৰ ৬০খন ফটো আছে। এটা এলবামৰ এখন পৃষ্ঠাত ৮খনকৈ ফটো লগালে এলবামৰ কেইখন পৃষ্ঠাত সম্পূৰ্ণকৈ ফটো লগাব পাৰিব আৰু কেইখন ফটো ৰৈ যাব?

৬৪ জন ল'ৰা-ছোৱালীৰ মাজত ৮ জনীয়া দল গঠন কৰা হ'ল। কেইটা দল গঠন হ'ব?

যদি ৪টা পেকেটত ১০০টা বেলুন থাকে তেন্তে ১টা পেকেটত কেইটা বেলুন থাকিব? কিমানটা পেকেটত ৩০০টা বেলুন হ'ব?

৩টা নাৰিকলৰ দাম ৯৬ টকা হ'লে এটা নাৰিকলৰ দাম কিমান? ১৬০ টকাত কিমানটা নাৰিকল কিনিব পাৰিব?

মল্লিকাৰ খুড়াকে ফুলনি বাগিচাৰ বেৰ দিবলৈ ১৪ ডাল বাঁহ আনিলে। যদি এখন বেৰ দিবলৈ তিনিডাল বাঁহ লাগে তেনেহ'লে চাৰিখন বেৰ দিবলৈ কেইডাল বাঁহ লাগিব আৰু কেইডাল বাঁহ ৰৈ যাব?

২১টা বেলুন ৬ জন ল'ৰাৰ মাজত ভগাই দিলে গাইপতি কেইটাকৈ বেলুন পাব? কেইটা বেলুন ৰৈ যাব?

পাঠ- ৯
**Lesson-9**


## চানেকি
## Pattern

### গোলাপ ফুলৰ বাগিচা (Rose Garden)


বিৰিণাইহঁতৰ ফুলৰ বাগিচাত বিভিন্ন ৰঙৰ গোলাপ ফুলি আছিল। তাইৰ বান্ধৱীহঁতে সিহঁতৰ বাগিচাখন চাবলৈ আহিছিল। সিহঁতে এটা কথা মন কৰিলে যে গোলাপ ফুলৰ গছবোৰ এটা সাজোনত ৰোৱা আছে। সাজোনটোত ৰঙা গোলাপ ফুলৰ দুয়োকাষে হালধীয়া গোলাপ আৰু হালধীয়া গোলাপৰ দুয়োকাষে গোলাপী গোলাপ ফুল। তলৰ ছবিখনত সাজোনটো চোৱা।




**নিজে সাজা- তলত দিয়া ফুলবোৰত ৰং কৰি এটা সাজোন সাজা (Colours the flowers and create a pattern of your own)**




তলৰ চানেকিবোৰ সম্পূৰ্ণ কৰা (Complete the pattern)




............



............




............



............

তলৰ চানেকিবোৰ সম্পূৰ্ণ কৰা




**সংখ্যাৰ চানেকিবোৰ পূৰ কৰা**

| | | | | |
|---|---|---|---|---|
| ১ | ৩ | ৫ | ৭ | |
| ১ | ৪ | ৯ | ১৬ | |
| ৪ | ৮ | ১২ | ১৬ | |
| ৯ | ১৮ | ২৭ | ৩৬ | |
| ৮ | ১৬ | ২৪ | ৩২ | |
| ৭ | ১০৭ | ২০৭ | ৩০৭ | |
| ১৯ | ২৯ | ৩৯ | ৪৯ | |
| ১ ১ ২ | ২ ২ ৩ | ৩ ৩ ৪ | ৪ ৪ ৫ | |
| ৯ ২ ৫ | ৮ ২ ৫ | ৭ ২ ৫ | ৬ ২ ৫ | |



## সংখ্যাৰ চানেকিটো চাওঁ আহা (Look at this number pattern)





কাষৰ ত্ৰিভুজৰ ছবিখনত প্ৰতিটো বাহুত (each side) থকা সংখ্যাবোৰ একোটা চানেকি।

একোটা বাহুত থকা সংখ্যাৰ যোগফল ১০ হয়।


যেনে ৫ + ২ + ৩ = ১০

### নিজে কৰা




এতিয়া কাষত দিয়া ত্ৰিভুজটোৰ বাহুত থকা খালী ঘৰবোৰত ১ৰ পৰা ৬ৰ ভিতৰত সংখ্যা বহুওৱা। মনত ৰাখিবা প্ৰতিটো বাহুত থকা সংখ্যাৰ যোগফল ৯ হ'ব লাগিব।


**তলত দিয়া সংখ্যাৰ চানেকি (number pattern)টো চাওঁ আহাচোন**




**এনেদৰে তলত দিয়া সংখ্যাৰ চানেকিটো পূৰ কৰা**




### তলৰ চানেকিটো সম্পূৰ্ণ কৰা (Complete the pattern)

 ................

তলৰ চানেকিটো পূৰ কৰা

| | | | | | | |
|---|---|---|---|---|---|---|
| ০ | + | ১ | + | ২ | = | ৩ |
| ১ | + | ২ | + | ৩ | = | ৬ |
| ২ | + | ৩ | + | ৪ | = | ………………… |
| ৩ | + | ৪ | + | ৫ | = | ………………… |
| ৪ | + | ৫ | + | ৬ | = | ………………… |
| ৫ | + | ৬ | + | ৭ | = | ………………… |
| ৬ | + | ৭ | + | ৮ | = | ………………… |
| ৭ | + | ৮ | + | ৯ | = | ………………… |

তলৰ চানেকিটো পূৰ কৰা

| | | | |
|---|---|---|---|
| ৬ | × | ৩ | = ১৮ |
| ৯ | × | ৩ | = ২৭ |
| ১২ | × | ৩ | = ৩৬ |
| ১৫ | × | ৩ | = ৪৫ |
| ১৮ | × | ৩ | = ……… |
| ২১ | × | ৩ | = ……… |
| ২৪ | × | ৩ | = ……… |

তলৰ চানেকিটো পূৰ কৰা

| | | | |
|---|---|---|---|
| ৩ | ÷ | ৩ | = ১ |
| ৬ | ÷ | ৩ | = ২ |
| ৯ | ÷ | ৩ | = ৩ |
| ১২ | ÷ | ৩ | = ৪ |
| ১৫ | ÷ | ৩ | = ……… |
| ১৮ | ÷ | ৩ | = ……… |
| ২১ | ÷ | ৩ | = ……… |

## তলৰ চানেকিৰ সাজোনৰ ধৰণবোৰ লিখা (Write the rule followed by each pattern)




ক খ খ ক খ খ

সাজোনৰ ধৰণ ....কখখ....




সাজোনৰ ধৰণ ................................



সাজোনৰ ধৰণ ................................




সাজোনৰ ধৰণ ................................




সাজোনৰ ধৰণ ................................


তলত দিয়া আকৃতিৰ সহায়ত টালিৰ চানেকিটো সম্পূৰ্ণ কৰা

**(Use the shape given below and complete the pattern of the tile)**



তলৰ চানেকি কেইটাত খালী ঠাই পূৰ কৰা





তলৰ চানেকি কেইটাত খালী ঠাই পূৰ কৰা

| | | |
|---|---|---|
| ২৫ | ২৯ | ৩৩ |
| ২১ | ২৫ | ২৯ |
| ১৭ | ২১ | ২৫ |
| ১৩ | ১৭ | ২১ |
| | | |


| | | | |
|---|---|---|---|
| ৬৪ | ৩২ | ১৬ | ৮ |
| ৭২ | ৩৬ | ১৮ | ৯ |
| ৮০ | ৪০ | ২০ | ১০ |
| ৮৮ | ৪৪ | ২২ | ১১ |
| | | | |

তলৰ চানেকিবোৰত ঠিক পিচৰ ছবিখন কি হ'ব আঁকা

**(Draw the pictures that comes next in each pattern)**



তলৰ চিত্ৰবিলাকত থকা আঁচডালে চিত্ৰটো সমানে দুভাগ কৰিছে নে? তলৰ খালী ঘৰত হয় বা নহয় লিখা **(Tell whether the dotted line on each shape is a line of symmetry. Write Yes or No)**



পাঠ- ১০
Lesson-10

# ওজন
# Weight

**কাৰ ওজন বেছি চাওঁ আহা (Whose weight is more)**





আকাশ, মাধুৰিমা, পৰাগ আৰু অনুৰাধা ঘৰৰ ওচৰত থকা পাৰ্কখনলৈ খেলিবলৈ গৈছিল। পাৰ্কত থকা ঢেঁকীখনত আকাশ আৰু মাধুৰিমা উঠিল। মাধুৰিমাই বহুত চেষ্টা কৰিও আকাশক ওপৰলৈ তুলিব নোৱাৰিলে। কিয় বাৰু? এইবাৰ অনুৰাধা ঢেঁকীখনত মাধুৰিমাৰ পিছফালে বহিল। তেতিয়া আকাশ ঢেঁকীখনত ওপৰলৈ উঠিল।

**মনত পেলাওঁ আহা**

তুলাচনীৰ (balance) গধুৰ বস্তু থকা কাঁহীখন তললৈ যায় আৰু পাতল বস্তু থকা কাঁহীখন ওপৰলৈ উঠে।


**কোন গধুৰ কোন পাতল চাওঁ আহা (Which is heavier and which is lighter)**








অনুমান কৰা আৰু দুটাৰ ভিতৰত বেছি ওজনটোত (✓) চিন দিয়া।


**(Put a (✓) on heavier thing)**




















**অনুমান কৰি কোৱা  আৰু পিছত তুলাচনীত জুখি তোমাৰ অনুমান শুদ্ধনে চোৱা (Guess the weights of the objects given below. Use a balance to find out whether your guess was correct)**

***শিক্ষকলৈ নিৰ্দেশনা ঃ*** *এখন তুলাচনী আৰু ১০ গ্ৰাম, ২০ গ্ৰাম, ৫০ গ্ৰাম, ১০০ গ্ৰাম আদি দগা কিছুমান সংগ্ৰহ কৰি ছাত্ৰ-ছাত্ৰীক এই ক্ৰিয়া-কলাপটো কৰাব। ছাত্ৰ-ছাত্ৰীক প্ৰথমতে অনুমান কৰি ওজনবোৰ তালিকাত লিখিব আৰু পিছত জুখি চাই অনুমানৰ ন দিব।*





তুমি পোৱা জোখবোৰ তালিকাত লিখা

| বস্তু (Objects) | অনুমান কৰা ওজন Weight (your guess) | জুখি পোৱা ওজন (প্ৰকৃত জোখ প্ৰায়) Weight (Actual measurment) |
|---|---|---|
| ৰবৰ | | |
| ডাষ্টাৰ | | |
| বাটি | | |
| চামুচ | | |
| গিলাচ | | |
| পেঞ্চিল বাকচ | | |
| কলম | | |
| মাৰ্বল | | |
| খাৰু | | |

**তলৰ যিবোৰ বস্তু ওজন কৰি বিক্ৰী কৰে তাত (✓) চিন দিয়া আৰু যিবোৰ বস্তু ওজন নকৰাকৈ বিক্ৰী কৰে তাত (×) চিন দিয়া। (Put a tick (✓) in the objects which is sold by measuring and a cross (×) in the objects which are sold without measuring)**



✓



[ ]



×



[ ]



[ ]



[ ]




[ ]



[ ]



[ ]



[ ]



[ ]



[ ]

**মনত পেলাওঁ আহা**


১ কিলগ্ৰাম = ১০০০ গ্ৰাম


২ কিলগ্ৰাম = ২০০০ গ্ৰাম

৩ কিলগ্ৰাম = [ ] গ্ৰাম

**দগাৰ সলনি নিৰ্দিষ্ট  ওজনৰ বস্তু ব্যৱহাৰ কৰি ১ কিলোগ্ৰাম সজাওঁ আহা**
**(Let us make 1 kilogram of the followings things without using weights)**








| চাবোন | বিস্কুটৰ পেকেট | পাউডাৰৰ টেমা | চাহপাতৰ পেকেট | টুথপেষ্ট |
|---|---|---|---|---|
| ২০০ গ্ৰাম | ৫০০ গ্ৰাম | ১০০ গ্ৰাম | ২৫০ গ্ৰাম | ৫০ গ্ৰাম |

| |
|---|
| ৩ টুকুৰা চাবোন + ৪ টা পাউদাৰৰ টেমা = ১ কি গ্ৰা<br>২০০ গ্ৰাম + ২০০ গ্ৰাম + ২০০ গ্ৰাম + ১০০ গ্ৰাম + ১০০ গ্ৰাম + ১০০ গ্ৰাম + ১০০ গ্ৰাম = ১ কি গ্ৰা |
| এটা বিস্কুটৰ পেকেট + ——— টা পাউডাৰৰ টেমা = ১ কি গ্ৰা<br>.................................. + .......................................................................... = ১ কি গ্ৰা |
| ——— টা টুথপেষ্ট + ——— টা চাহপাতৰ পেকেট = ১ কি গ্ৰা<br>.................................. + .......................................................................... = ১ কি গ্ৰা |
| ——— টা বিস্কুটৰ পেকেট + ——— টা টুথপেষ্ট = ১ কি গ্ৰা<br>.................................. + .......................................................................... = ১ কি গ্ৰা |
| ——— টুকুৰা চাবোন = ১ কি গ্ৰা<br>.....................+.................+................+....................+..................... = ১ কি গ্ৰা |
| ——— টা চাহপাতৰ পেকেট = ১ কি গ্ৰা<br>.....................+.....................+.....................+..................... = ১ কি গ্ৰা |

**তলৰ বস্তুবোৰৰ ওজন দিয়া আছে। মুঠ ওজন কিমান লিখা**
**(Find total weight of the following objects)**


৫০০ গ্ৰাম    ৫০০ গ্ৰাম    =   ১০০০ গ্ৰাম

২০০ গ্ৰাম    ১০০ গ্ৰাম    =   ......................

২৫০ গ্ৰাম    ২৫০ গ্ৰাম    =   ......................


 


২৫০ গ্ৰাম    ১০০ গ্ৰাম    =   ......................


 


১ কি গ্ৰা    ২ কি গ্ৰা    =   ......................

তলৰ তুলাচনী কেইখনত দুয়োফালৰ ওজন সমান। খালী বাকচটোত লুকাই থকা ওজনটো লিখা।



**যোগ কৰা**

(ক) ২০ গ্ৰাম + ১০ গ্ৰাম = ................ গ্ৰাম

(খ) ৫০ গ্ৰাম + ২০ গ্ৰাম = ................ গ্ৰাম

(গ) ২৫ কিলোগ্ৰাম + ১১ কিলোগ্ৰাম = ................ কিলোগ্ৰাম

**যোগ কৰা**

(ক)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৪ | ৫০ |
| + ৬ | ৩০ |

(খ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ২ | ১০০ |
| + ৫ | ৩০০ |

(গ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৫ | ৬০ |
| + ৩ | ৩০ |

(ঘ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৩১ | ২০ |
| + ৭০ | ৩০ |

(ঙ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ১০ | ৩০ |
| + ১৫ | ২২ |

(চ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৬০ | ২৭ |
| + ৩৫ | ৪৪ |

**বিয়োগ কৰা**

(ক)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৫ | ১৭০ |
| - ২ | ৫০ |

(খ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৭ | ৪০০ |
| - ৪ | ২০০ |

(গ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ১০ | ২০০ |
| - ৮ | ১০০ |

(ঘ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৫ | ১২৫ |
| - ২ | ১০০ |

(ঙ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ১৫ | ৩০ |
| - ১০ | ২২ |

(চ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৭৮ | ২২ |
| - ২৭ | ০৫ |

**সমাধান কৰোঁ আহা**

(ক) ৪০ কিলোগ্ৰাম আলু ৫ কিলোগ্ৰামকৈ ভাগ কৰিলে কেইটা ভাগ পোৱা যাব?

৫) ৪০

(খ) ২৫ কিলোগ্ৰাম মচুৰ দাইল সমানে ৫ ভাগ কৰিলে প্ৰতিভাগত কিমান কিলোগ্ৰামকৈ মচুৰ দাইল থাকিব?

(গ) আয়ানৰ দেউতাকে বজাৰলৈ গৈ ৫ কিলোগ্ৰাম চাউল, ২ কিলোগ্ৰাম চেনি, ১ কিলোগ্ৰাম পিঁয়াজ কিনি মোনাত ভৰালে। আয়ানৰ দেউতাকৰ মোনাত কিমান ওজনৰ বস্তু সোমাল?

(ঘ) বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ বাবে ৫০ কিলোগ্ৰামৰ চাউলৰ এটা বস্তাৰ পৰা ৰান্ধনিয়ে প্ৰথম দিনা ১৫ কিলোগ্ৰাম, দ্বিতীয় দিনা ১৭ কিলোগ্ৰাম আৰু তৃতীয় দিনা ১২ কিলোগ্ৰাম চাউল ব্যৱহাৰ কৰিলে। বস্তাটোত কিমান চাউল বাকী থাকিল?

(ঙ) ৰোহনৰ দেউতাকে খেতিৰ আলুবোৰৰ পৰা প্ৰতিদিনে ৫ কিলোগ্ৰামকৈ বজাৰত বিক্ৰী কৰে। ৰোহনৰ দেউতাকে ১ সপ্তাহত কিমান আলু বিক্ৰী কৰিলে কোৱা? এইদৰে জানুৱাৰী মাহত মুঠ কিমান আলু বিক্ৰী কৰিলে?

*(১ সপ্তাহত ৭ দিন আৰু জানুৱাৰী মাহত ৩১ দিন)*

## সমাধান কৰোঁ আহা

(চ) কাবেৰীৰ ওজন ৩৬ কিলোগ্ৰাম ৫০০ গ্ৰাম। তাইৰ ভনীয়েকৰ ওজন ৩১ কিলোগ্ৰাম ২০ গ্ৰাম। দুয়োজনীৰ মুঠ ওজন কিমান? ভনীয়কেৰ ওজন কাবেৰীতকৈ কিমান কম?

(ছ) প্ৰণৱৰ পেহীয়েকে ৪ কিলোগ্ৰাম ৫০০ গ্ৰাম ওজনৰ আম আৰু মধুৰিআম কিনিলে। মধুৰিআমৰ ওজন আছিল ২ কিলোগ্ৰাম ২৫০ গ্ৰাম। আমৰ ওজন কিমান?

(জ) হৰিধনৰ দোকানত ৩০ কিলোগ্ৰাম ২৫০ গ্ৰাম চেনি আছিল। তাৰে তেওঁ ২৫ কিলোগ্ৰাম ১২০ গ্ৰাম বেচিলে। তেওঁৰ দোকানত কিমান চেনি বাকী ৰ'ল? যদিহে হৰিধনে নতুনকৈ ১৭ কিলোগ্ৰাম ৫০০ গ্ৰাম চেনী কিনি আনে, দোকানত মুঠ কিমান চেনী থাকিব?

(ঝ) মাঘ বিহুৰ সময়ত ৰমলাৰ দেউতাকে তেওঁলোকৰ পুখুৰীৰ পৰা ২৩ কিলোগ্ৰাম মাছ মাৰিলে। তাৰে তেওঁ ওচৰৰ ৯ ঘৰ পৰিয়ালক ২ কিলোগ্ৰামকৈ মাছ ভগাই দি বাকীখিনি নিজৰ কাৰণে ৰাখিলে। ৰমলাৰ দেউতাকে নিজৰ কাৰণে কিমান মাছ ৰাখিলে?

(ঞ) মধুৱে দোকানৰ পৰা ১ কিলোগ্ৰাম চাউল আনিলে। মাকে তাৰে ৪০টা ঘিলা পিঠা ভাজিলে। ১২০টা ঘিলা পিঠা ভাজিবলৈ কিমান চাউল লাগিব?


পাঠ - ১১
Lesson-11

# ভগ্নাংশ
# Fraction


কণটি মধুৰিআম খাবলৈ বাৰীত থকা গছ জোপাত উঠিল। সি দেখিলে যে গছডালত এটাই মাত্র মধুৰিআম লাগি আছে। মধুৰিআমটো সি পাৰি আনিলে। ভণ্টি আছিল তলতে বৈ। মাকেও সেই সময়তে ঘৰৰ বাহিৰলৈ ওলাই কণটিক মধুৰিআমটো ছিঙা দেখিলে। মাকে ক'লে 'ভণ্টিকো সমানে আধা দিবা।'




মাকৰ কথা মতে কণটিয়ে মধুৰিআমটো সমানে দুভাগ কৰি (equally into two halves) এটা ভাগ ভণ্টিক দিলে। আনটো ভাগ সি নিজে খালে।



## তলৰ ছবিৰ পৰা শিকোঁ আহা (Let us learn)







বস্তু এটা সমানে দুভাগ কৰিলে প্ৰতিটো ভাগ বা অংশক আধা $(\frac{১}{২})$ বুলি কোৱা হয়।


***শিক্ষকলৈ নিৰ্দেশনা ঃ*** *ছাত্ৰ-ছাত্ৰীক দলত ভগাই বিভিন্ন বস্তুক সমানে দুভাগ কৰিবলৈ দিব। কোনো বস্তুক সমানে দুভাগ কৰিলে প্ৰতি ভাগক আধা বা দুই ভাগৰ এভাগ বুলি কোৱা হয় আৰু ইয়াক যে* $\frac{১}{২}$ *বুলি লিখা হয় তেওঁলোকক বুজাই দিব।*

## তলৰ ছবিবোৰ মন কৰা (Look at the pictures)




প্ৰতিখন ছবিত দুভাগৰ এভাগত $(\frac{১}{২})$ ৰং কৰা আছে আৰু দুভাগৰ এভাগত $(\frac{১}{২})$ ৰং কৰা নাই।

## তলৰ ছবিবোৰৰ $(\frac{১}{২})$ অংশত ৰং কৰা (Colour $\frac{1}{2}$ part of the picture)




তলৰ বস্তুবোৰ সমানে দুভাগ কৰি এভাগত ঘেৰ দিয়া

**(Divide the collection of objects in the picture into two halves and encircle it)**




এনেদৰে বস্তুৰ থূপ এটাক সমানে দুভাগ কৰিলে প্ৰতিটো ভাগক আধা ভাগ বুলি কোৱা হয়।


**কৰি চাওঁ আহা (Let us do)**



এখিলা কাগজ লোৱা



কাগজ খিলাৰ সোঁমাজত এটা ভাঁজ দি সমানে দুভাগ কৰা





কাগজ খিলাৰ ভাঁজত এডাল আঁচ টানা

**জানি লওঁ আহা**

বস্তু বা থূপ এটাক সমানে দুভাগ কৰিলে প্ৰতিটো ভাগক বস্তু বা থূপটোৰ আধা বা দুই ভাগৰ এভাগ (১/২) বোলা হয়।

তলৰ সমানে আধা অংশ ৰং কৰা ছবিবোৰত (✓) চিন দিয়া

(Put a (✓) on the pictures where half part is shaded)



## ভাগ কৰোঁ আহা (Let us divide)


মৰিয়মে পাউৰুটী এটা সমানে তিনিভাগ (three equal parts) কৰি কাটিলে।



প্ৰতিটো ভাগ তিনিটা সমান ভাগৰ এটা ভাগ।


অৰ্থাৎ প্ৰতিটো ভাগ তিনি ভাগৰ এভাগ বা $\frac{১}{৩}$

**তলৰ ছবিবোৰৰ তিনি ভাগৰ এভাগ ( $\frac{১}{৩}$ ) ত ৰং কৰা (Colour $\frac{1}{3}$ of each figure)**




**তলৰ বস্তুবোৰ তিনি ভাগৰ এটা ভাগত ঘেৰ দিয়া**


**(Circle 1 part of 3 parts of the collection of objects)**




## কৰি চাওঁ আহা (Let us do)



এখিলা কাগজ লোৱা



কাগজ খিলাত দুটা ভাঁজ দি তিনিটা সমান ভাগত ভাগ কৰা




কাগজ খিলা খুলি ভাঁজ কেইটাত আঁচ টনা

## জানি লওঁ আহা (Let us learn)

বস্তু এটাক বা বস্তুৰ থূপ এটাক সমানে তিনি ভাগ কৰিলে প্ৰতিটো ভাগ তিনিভাগৰ এভাগ ($\frac{১}{৩}$) হয়।

## ভাগ কৰোঁ আহা (Let us divide)

মুস্তাকৰ জন্মদিনত মাকে এটা কেক কাটি সমানে চাৰি ভাগ কৰিলে। মাকে মুস্তাক আৰু তাৰ তিনিজন বন্ধু-বান্ধৱীক ইয়াৰ এটাকৈ ভাগ খাবলৈ দিলে। প্ৰত্যেকে চাৰি ভাগৰ এভাগকৈ পালে।




$\frac{১}{৪}$ $\frac{১}{৪}$ $\frac{১}{৪}$ $\frac{১}{৪}$




তলৰ চাৰি ভাগৰ এভাগ ($\frac{১}{৪}$) বস্তুবোৰ চাওঁ আহা








$\frac{১}{৪}$ $\frac{১}{৪}$ $\frac{১}{৪}$ $\frac{১}{৪}$




$\frac{১}{৪}$ $\frac{১}{৪}$ $\frac{১}{৪}$ $\frac{১}{৪}$


**তলৰ ছবিবিলাকৰ চাৰিভাগৰ এভাগ ( ১/৪ ) ত ৰং দিয়া (Colour ( $\frac{1}{4}$ ) of the following figures)**





**তলৰ প্ৰতিটো বাকচত থকা বস্তুৰ চাৰি ভাগৰ এভাগ ( ১/৪ ) ত ঘেৰ দিয়া**

**(Circle one part of four parts ( $\frac{1}{4}$ ) of the collection of objects)**










## কৰি চাওঁ আহা (Let us do)





| | | | |
|---|---|---|---|
| এখিলা কাগজ লোৱা | কাগজ খিলাৰ সোঁমাজত এটা ভাজ দি সমান ভাগত ভাগ কৰা | ভাঁজ দিয়া কাগজ খিলাত আকৌ এটা ভাঁজ দি দুটা সমান ভাগত ভাগ কৰা | এতিয়া, কাগজ খিলা খুলি ভাঁজ কেইটাত আঁচ টনা |


বস্তু এটাক বা বস্তুৰ থূপ এটাক সমানে চাৰি ভাগ কৰিলে প্ৰতিটো ভাগ চাৰিভাগৰ এভাগ ($\frac{১}{৪}$) হয়।

## জানি লওঁ আহা


এটা বস্তুক সমনে দুভাগ কৰিলে প্ৰতি ভাগক আধা বা ২ ভাগৰ ১ ভাগ বুলি কোৱা হয় আৰু ইয়াক $\frac{১}{২}$ ৰে লিখা হয়।





এটা বস্তুক সমানে তিনি ভাগ কৰিলে প্ৰতি ভাগক ৩ ভাগৰ ১ ভাগ বুলি কোৱা হয় আৰু ইয়াত $\frac{১}{৩}$ ৰে লিখা হয়।





এটা বস্তুক সমানে চাৰিভাগ কৰিলে প্ৰতি ভাগক ৪ ভাগৰ ১ ভাগ বুলি কোৱা হয় আৰু ইয়াক $\frac{১}{৪}$ ৰে লিখা হয়।





এটা বস্তুক সমানে পাঁচভাগ কৰিলে প্ৰতি ভাগক ৫ ভাগৰ ১ ভাগ বুলি কোৱা হয় আৰু ইয়াক $\frac{১}{৫}$ ৰে লিখা হয়।




**কৰি চাওঁ আহা**




বৃত্তাকৃতিৰ (circular) কাগজ এডোখৰ কাঁটি লোৱা।



চিত্ৰত দিয়াৰ দৰে এটা ভাঁজ কৰা।





আৰু এটা ভাঁজ দিয়া।





কাগজ ডোখৰ খুলি দিয়া। ভাঁজে ভাঁজে আঁচ টানা। চাৰিটা সমান ভাগ পালানে?
এতিয়া তাৰে তিনি ভাগ ৰং কৰা। ৰং কৰা অংশই হ'ল $\frac{৩}{৪}$ ।

**তলৰ ছবিবোৰত $\frac{৩}{৪}$ অংশত ৰং কৰা।**












## ভগ্নাংশ মতে ৰং কৰোঁ আহা (Colour the figure as given)



$\frac{৩}{৫}$




$\frac{১}{৪}$




$\frac{২}{৪}$




$\frac{৩}{৪}$



$\frac{২}{৩}$




$\frac{৩}{৪}$




$\frac{৩}{৪}$

## কৰি চোৱা



- বৰ্গাকৃতিৰ কাগজ এডোখৰ লোৱা।
  দুটা সমান ভাগত কাগজখিলা ভাঁজ কৰা। কাগজখন মেলি দিয়া।
  বাঁওফালৰ ভাগটোত ৰং দিয়া। কাগজখিলাৰ কিমান অংশত ৰং দিলা? ______




- চিত্ৰত দেখুওৱাৰ দৰে কাগজখিলাত পুনৰ এটা ভাঁজ দি সমানে চাৰি ভাগ কৰা
  কাগজখিলা মেলি দিয়া। দুটা ভাগত × চিন দিয়া।
  কাগজখিলাৰ কিমান অংশত × চিন দিলা? ______

**কি পালা,**

$\frac{১}{২}$ আৰু $\frac{২}{৪}$ একে খিনি অংশকে বুজোৱা নাই নে?

অৰ্থাৎ $\frac{১}{২} = \frac{২}{৪}$

- এইবাৰ কাগজখিলাক পুনৰ এটা ভাঁজ দি ৮টা সমান ভাগত ভাগ কৰা। কাগজখিলা মেলি দিয়া। এতিয়া চাৰিটা ভাগত . চিন দিয়া। কাগজখিলাৰ কিমান অংশত . চিন দিলা? ______



কি পালা


$\frac{১}{২}$ $\frac{২}{৪}$ আৰু $\frac{৪}{৮}$ একেখিনি অংশকে বুজোৱা নাইনে?

অৰ্থাৎ $\frac{১}{২} = \frac{২}{৪} = \frac{৪}{৮}$


গতিকে $\frac{১}{২}$, $\frac{২}{৪}$, $\frac{৪}{৮}$ **এই ভগ্নাংশবোৰেই হৈছে সমতুল্য ভগ্নাংশ (Equivalent Fraction)**

**শিকোঁ আহা**


**$\frac{১}{২}$ ৰ সমতুল্য ভগ্নাংশ**



$\frac{১}{২}$




$\frac{২}{৪}$




$\frac{৪}{৮}$


**১ৰ সমতুল্য ভগ্নাংশ**



$\frac{২}{২}$ = ১




$\frac{৪}{৪}$ = ১



$\frac{৯}{৯}$ = ১

গতিকে, $\frac{২}{২}$, $\frac{৪}{৪}$, $\frac{৯}{৯}$ আদি ভগ্নাংশবোৰ ১ৰ সমতুল্য ভগ্নাংশ

তলৰ কেইভাগ ৰং কৰা আছে ভগ্নাংশত লিখা (Write in fractions how many parts of the collection of objects are coloured)



**ছবিবোৰৰ ৰং দিয়া অংশৰ লগত ভগ্নাংশবোৰ মিলোৱা (Match the following fractions)**


$\frac{১}{৩}$

$\frac{১}{২}$

$\frac{১}{৪}$

$\frac{৩}{৪}$

$\frac{২}{৩}$



**তলত দিয়া ভগ্নাংশবোৰ লিখা (Write the following fractions)**

| | | | | |
|---|---|---|---|---|
| চাৰি ভাগৰ এক | = | $\frac{১}{৪}$ | তিনি ভাগৰ দুই = | |
| চাৰি ভাগৰ তিনি | = | | পাঁচ ভাগৰ তিনি = | |
| পাঁচ ভাগৰ এক | = | | দুই ভাগৰ এক = | |

**ভগ্নাংশবোৰ আখৰেৰে লিখা (Write the following fractions in words)**


$\frac{৩}{৪}$ = চাৰি ভাগৰ তিনি ........................................

$\frac{১}{৩}$ = ........................................


$\frac{২}{৫}$ = ........................................

$\frac{১}{২}$ = ........................................


**তলৰ ছবিবোৰত দিয়া সমতুল্য ভগ্নাংশ মতে ৰং কৰা (Colour the figures according to the given equivalent fraction)**




$\frac{২}{৪} = \frac{১}{২}$




$\frac{৩}{৪} = \frac{৬}{৮}$




$\frac{১}{৩} = \frac{২}{৬}$




$\frac{১}{৪} = \frac{২}{৮}$




$\frac{২}{৬} = \frac{১}{৩}$



$\frac{৩}{৪} = \frac{৬}{৮}$



$\frac{৪}{৫} = \frac{৮}{১০}$



$\frac{২}{৩} = \frac{৪}{৬}$

**ফুলনিডৰাত কিমান ভাগত কি ফুল আছে চাওঁ আহা (Let us find out how many parts of the garden have the following flowers)**



বেলি ফুল ফুলি আছে $\frac{৩}{৮}$ অংশত

নয়নতৰা ফুল ফুলি আছে............ অংশত

গোলাপ ফুল ফুলি আছে........... অংশত

নাৰ্জী ফুল ফুলি আছে................. অংশত

পাঠ-১২
Lesson-12


# আয়তন
# Capacity

## কাৰ ভাগত কিমান গাখীৰ আছে (Who has how much milk)




মাজনীয়ে মাকৰ কথাখিনি মানি নোলোৱাত মাকে দুয়োৰে গাখীৰখিনি একে জোখৰ (equal size) দুটা পাত্ৰত ঢালি দেখুৱালে।







মাজনী আৰু মইনাই কাপ আৰু গিলাচত সমান পৰিমাণৰ গাখীৰ আছে বুলি বুজি পালে। দুয়োৰে আনন্দ মনেৰে গাখীৰখিনি খালে। গাখীৰ খাই দুয়োৰে কেইকাপ পানী আৰু কেইগিলাচ পানী ঢালিলে সিহঁতৰ পাকঘৰৰ জগটো ভৰ্তি হ'ব জুখিলে।

## নিজে কৰি চোৱা

**কেই কাপ, কেই গিলাচ, কেই মগ আৰু কেই জগ পানী ঢালিলে এটা বাল্টি পূৰ হ'ব লিখা।**




.................................... ..................................

.................................... ..................................

*__জানি লওঁ আহা ঃ__ জুলীয়া বস্তুৰ পৰিমাণ জুখিবলৈ লিটাৰ (litre), মিলিলিটাৰ (millilitre) আদি একক ব্যৱহাৰ কৰা হয়। কম বস্তুৰ পৰিমাণ জুখিবলৈ মিলিলিটাৰ আৰু বেছি বস্তুৰ পৰিমাণ জুখিবলৈ লিটাৰ একক ব্যৱহাৰ কৰা হয়। লিটাৰ আৰু মিলিলিটাৰক চমুকৈ লি (l) আৰু মি লি (ml) বুলি লিখা হয়।*


কম পৰিমাণৰ (মিলিলিটাৰ) জুলীয়া বস্তু ধৰা পাত্ৰবোৰ চাওঁ আহা

**(Look at the items which contain less amount of liquid (millilitre))**


বেছি পৰিমাণৰ (লিটাৰ) জুলীয়া বস্তু ধৰা পাত্ৰবোৰ চাওঁ আহা

**(Look at the items which contain large amount of liquid (litre))**

তলৰ পাত্ৰবোৰত থকা জুলীয়া বস্তুৰ পৰিমাণ লিটাৰ নে মিলিলিটাৰত জুখিবা লিখা

**(Write whether the amount of liquid in the following container is measured in litre or millilitre)**

লিটাৰ
-------------   -------------   -------------   -------------

-------------   -------------   -------------   -------------

## পেকেট আৰু বটলত থকা বস্তুৰ পৰিমাণ চাই খালী ঠাই পূৰ কৰোঁ আহা (Write the quantity written in the packets and bottles)

***শিক্ষকলৈ নিৰ্দেশনা ঃ*** *শিক্ষকে ছাত্ৰ-ছাত্ৰীক দলত ভগাই ল'ব। কিছুমান গোটাই থোৱা পেকেট আৰু বটল ছাত্ৰ-ছাত্ৰীক দিব। ছাত্ৰ-ছাত্ৰীয়ে সেইবোৰ ভালদৰে চাব আৰু পৰিমাণবোৰ ক'ব আৰু লিখিব।*









.............................. .............................. ..............................









.............................. .............................. ..............................

## অনুমান কৰা আৰু তাৰ পিছত তোমাৰ অনুমান শুদ্ধ নে অশুদ্ধ চোৱা (Guess and verify)।

***শিক্ষকলৈ নিৰ্দেশনা ঃ*** *ছাত্ৰ-ছাত্ৰীক বিভিন্ন আকাৰৰ পাত্ৰবোৰত কিমান পানী ধৰিব অনুমান কৰিবলৈ দিব আৰু পাছত ১০ মিলিমিটাৰৰ চিৰিঞ্জ নাইবা ঔষধৰ বটলৰ দাগ থকা সাফৰৰ সহায়ত তেওঁলোকে অনুমান শুদ্ধ নে প্ৰমাণ কৰি চাবলৈ দিব।*





| পাত্ৰ | আনুমানিক পৰিমাণ (Assumed measure) | প্ৰকৃত পৰিমাণ (Verified measure) |
|---|---|---|
|  | | |
|  | | |
|  | | |
|  | | |

**এতিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা**

(ক) কাপটো ভৰ্তি হ'বলৈ কেইচামুচ পানী দিব লাগিব? ............................ চামুচ।

(খ) গিলাচটো ভৰ্তি হ'বলৈ কেইকাপ পানী দিব লাগিব? ............................ কাপ।

(গ) গিলাচটো ভৰ্তি হ'বলৈ কেইচামুচ পানী দিব লাগিব? ............................ চামুচ।

(ঘ) কাঁহীখন ভৰ্তি হ'বলৈ কেইকাপ পানী দিব লাগিব? ............................ কাপ।

**পানীৰামে কিমান গাখীৰ দিলে চাওঁ আহা (Let us see how much milk is given by Paniram)**

ৰীমাহঁতৰ ঘৰত পানীৰামে সদায় এক লিটাৰ গাখীৰ দিয়ে। তেওঁ ২৫০ মিলিলিটাৰৰ পাত্ৰৰে ৪ বাৰ গাখীৰ ঢালে



ৰীমাই ২৫০ মিলিলিটাৰ ৪ বাৰ যোগ কৰি কিমান পালে চাওঁ আহা

২৫০ মিলি + ২৫০ মিলি + ২৫০ মিলি + ২৫০ মিলি = ১০০০ মিলি

= ১ লিটাৰ

**কাৰণ ৰীমাই জানে যে**

| | | |
|---|---|---|
| **১০০০ মিলি** | **=** | **১ লিটাৰ** |
| **1000 ml** | **=** | **1 litre** |

**মিলিলিটাৰক লিটাৰলৈ পৰিৱৰ্তন কৰোঁ আহা (Let us convert millilitre to litre)**

২০০০ মিলি = ১০০০ মিলি + ১০০০ মিলি

= ১ লিটাৰ + ১ লিটাৰ

= ২ লিটাৰ

**এতিয়া নিজে কৰা (Do yourself)**

(ক) ২০০০ মিলি = ............................ লিটাৰ

(খ) ৪৫০০ মিলি = ............................ লিটাৰ

**ঘেৰত দিয়া মিলিলিটাৰ (মিলি)ৰ লগত কিমান যোগ কৰিলে ১ লিটাৰ পাবা (Add millilitre to make 1 litre)**

| | |
|---|---|
| ৮৫০ মিলি | ১৫০ মিলি |
| ৪৫০ মিলি | ........ |
| ৭০০ মিলি | ........ |
| ৬৩০ মিলি | ........ |
| ৭২০ মিলি | ........ |
| ৯০০ মিলি | ........ |




**২৫০ মিলিলিটাৰৰ পাত্ৰ এটা নিজে সাজি লওঁ আহা (Let us make a measuring bottle of 250 ml)**

**প্ৰয়োজনীয় সামগ্ৰী (Materials required)**



(ক) ৫০০ মিলিলিটাৰৰ পানীৰ খালী বটল এটা

(খ) কটাৰী এখন


(গ) ছিৰিঞ্জ এটা (১০ মিলিলিটাৰ জোখৰ) বা দাগ থকা ঔষধৰ বটল

(ঘ) কলম বা ৰং পেঞ্চিল এডাল

**কেনেকৈ সাজিবা (How to make)**

- বটলটোৰ মুখখন কাটি লোৱা।
- ১০ মিলিলিটাৰ জোখৰ ছিৰিঞ্জটোৰে বটলটোত পানী দি এটা দাগ দিয়া।
- এনেদৰে ২৫ বাৰ পানী দি প্ৰত্যেকবাৰ দাগ দি যোৱা।

  (১০ মিলি × ২৫ = ২৫০ মিলিটাৰ)
- ওপৰৰ দাগটোত বটলটো কাটি লোৱা।
- এতিয়া এটা ২৫০ মিলিলিটাৰৰ পাত্ৰ পাবা।



**দলত আলোচনা কৰি উলিওৱা (Solve the problems ( Group activity ))**

(ক) ১ লিটাৰ জোখৰ পাত্ৰ এটা পানীৰে পূৰাবলৈ ১০০ মি লিৰ পাত্ৰৰে কেইবাৰ পানী দিব লাগিব?

(খ) ২ লিটাৰ জোখৰ পাত্ৰ এটা পানীৰে ভৰ্তি পূৰাবলৈ ২৫০ মি লিৰ পাত্ৰৰে কেইবাৰ পানী দিব লাগিব?

(গ) ৫ লিটাৰ জোখৰ পাত্ৰ এটা পানীৰে ভৰ্তি পূৰাবলৈ ৫০০ মি লিৰ পাত্ৰৰে কেইবাৰ পানী দিব লাগিব?

(ঘ) ৪ লিটাৰজোখৰপাত্ৰ এটা পানীৰে ভৰ্তিপূৰাবলৈ ১ লিটাৰ পাত্ৰৰে কেইবাৰ পানী দিব লাগিব?

**জানি লওঁ আহা**

পানী, গাখীৰ, মিঠাতেল, কেৰাচিন, পেট্ৰ'ল আদি জুলীয়া বস্তু জুখিবলৈ আমি মিলিলিটাৰ, লিটাৰ আদি এককবোৰ ব্যৱহাৰ কৰোঁ। জুলীয়া বস্তু জোখা কিছুমান পাত্ৰ চাওঁ আহা



**তলৰ পাত্ৰকেইটাত থকা পানীৰ পৰিমাণ কমৰ পৰা বেছিলৈ সজোৱা (Arrange the amount of water in ascending order)**




**যোগ কৰা (Add)**

(ক) ৫ লিটাৰ ৪০ মি লি
+ ৩ লিটাৰ ২০ মি লি
______________

(খ) ৬ লিটাৰ ৭০ মি লি
+ ৪ লিটাৰ ২৫ মি লি
______________

(গ) ২ লিটাৰ ৪০ মি লি
+ ৫ লিটাৰ ৫০ মি লি
______________

(ঘ) ২ লিটাৰ ৩০ মি লি
+ ৭ লিটাৰ ৬০ মি লি
______________

## বিয়োগ কৰা (Subtract)

| | | | |
|---|---|---|---|
| (ক) | ৪ লিটাৰ ৮০ মি লি<br>− ২ লিটাৰ ৪০ মি লি<br>__________ | (খ) | ৭ লিটাৰ ৭৫ মি লি<br>− ৪ লিটাৰ ২৫ মি লি<br>__________ |
| (গ) | ১৬ লিটাৰ ৫০ মি লি<br>− ৫ লিটাৰ ৩০ মি লি<br>__________ | (ঘ) | ১২ লিটাৰ ৮৫ মি লি<br>− ৭ লিটাৰ ৪৫ মি লি<br>__________ |

## সমস্যা সমাধান কৰোঁ আহা (Solve the problems)

(ক) ৰিমনৰ দেউতাকে এটা ৫০০ মিলি লিটাৰৰ পানীৰ বটল আৰু এটা ২০০ মিলি লিটাৰৰ কমলাৰ ৰসৰ বটল কিনিলে। বটল দুটাত কিমান জুলীয়া বস্তু আছে?

| | |
|---|---|
| পানীৰ বটলত | ৫০০ মি লি পানী |
| কমলাৰ ৰসৰ বটলত | ২০০ মি লি কমলাৰ ৰস |
| মুঠ | ৭০০ মি লি জুলীয়া বস্তু |

(খ) ৰুণজুনৰ জন্মদিনৰ বাবে তাইৰ মাকে ১৫ লিটাৰ গাখীৰ আনিছিল। তাৰে ১০ লিটাৰ পায়সৰ বাবে আৰু ৩ লিটাৰ চাহৰ বাবে খৰচ কৰিলে। দিনটোৰ শেষত ৰুণজুনহঁতৰ ঘৰত কিমান গাখীৰ থাকি গ'ল?

(গ) বিদ্যালয়লৈ আহোঁতে ৰাতুলে প্ৰতিদিনে বটলত ১ লিটাৰকৈ পানী আনিলে, ৬ দিনত মুঠ কিমান পানী আনিব?

(ঘ) নাজমাহঁতৰ ঘৰত ৰন্ধাৰ বাবে দিনে ২৫ লিটাৰ পানী আৰু খোৱাৰ বাবে ১৭ লিটাৰ পানী খৰচ হয়। ১৫ দিনত তেওঁলোকৰ মুঠ কিমান লিটাৰ পানী খৰচ হয়।

(ঙ) এখন বাগিচাত প্ৰতিদিনে ১২০ লিটাৰকৈ পানী দিলে এসপ্তাহত বাগিচাখনত দিবলৈ কিমান পানী লাগিব?

(চ) দীপুৰ মাকে ২ লিটাৰ ৫০০ মিলিলিটাৰ জোখৰ কেট্‌লি এটাত দীপুক পানী ভৰাবলৈ ক'লে। সি এটা বটলৰ সহায়ত ৫ বটল পানী দি কেটলিটো পূৰ কৰিলে। বটলটোৰ জোখ কিমান?

(ছ) লংছিহঁতৰ ঘৰৰ গাইজনীয়ে ৫ দিনত ৭০ লিটাৰ গাখীৰ দিয়ে। গাইজনীয়ে এদিনত কিমান লিটাৰকৈ গাখীৰ দিয়ে?


(জ) বৰষুণ দিয়াৰ সময়ত বৃষ্টিয়ে ৫ লিটাৰৰ বাল্টি এটাৰে ৭ বাল্টি পানী সংগ্ৰহ কৰি ডাঙৰ বাল্টি এটাত জমা কৰিলে। কিন্তু ডাঙৰ বাল্টিটোত ভৰ্তি হৈ তাৰ পৰা ৪ লিটাৰ ৫০০ মিলিলিটাৰ পানী উপচি পৰি গ'ল। ডাঙৰ বাল্টিটোত কিমান লিটাৰ বৰষুণৰ পানী জমা থাকিল?

পাঠ-১৩
Lesson-13

# পৰিসীমা আৰু কালি
# Perimeter and Area

মল্লিকাৰ খুড়াকে তেওঁলোকৰ ঘৰৰ সন্মুখত এখন ফুলনি বাগিচা পাতিবলৈ যো-জা কৰিলে। তেওঁ কি কি ফুলৰ পুলি আনিব আৰু কেনেকৈ ৰুব সকলো কথা ঠিক কৰিলে। ঠাই ডোখৰৰ চাৰিওফালে এখন বাঁহৰ বেৰ দিবলৈ তেওঁ মাটিডোখৰ চাৰিওফালে জুখিবলৈ বিচাৰিলে।

চাওঁ আহাচোন মল্লিকাৰ খুড়াকে বাগিচা পাতিবলৈ লোৱা ঠাই ডোখৰৰ কেনেদৰে চাৰিসীমাৰ জোখ ল'লে।




মল্লিকাৰ খুড়াকে বাগিচা মাটি ডোখৰৰ চাৰিওটা কোণত (four corners) চাৰিটা খুঁটি পুতি ল'লে। তেওঁ 'ক'ৰ পৰা 'খ'লৈ জোখ লৈ পালে ৪ মিটাৰ; 'খ'ৰ পৰা 'গ'লৈ জোখ লৈ পালে ৫ মিটাৰ, 'গ'ৰ পৰা 'ঘ'লৈ জোখ লৈ পালে ৪ মিটাৰ আৰু 'ঘ'ৰ পৰা 'ক'লৈ জোখ লৈ পালে ৫ মিটাৰ।


মল্লিকাহঁতৰ বাগিচাখনৰ চাৰিওফালৰ সীমাৰ জোখ হ'ল


৪ মিটাৰ + ৫ মিটাৰ + ৪ মিটাৰ + ৫ মিটাৰ = ১৮ মিটাৰ।

সামতলিক আকৃতিৰ চাৰিওফালৰ সীমাৰেখাৰ মুঠ দৈৰ্ঘ্যই হ'ল **পৰিসীমা (The lenght of the four sides of a plane surface is the Perimeter)**।


গতিকে মল্লিকাহঁতৰ বাগিচাৰ পৰিসীমাৰ জোখ হ'ল ১৮ মিটাৰ।

**তলত দিয়া ছবিবোৰৰ পৰিসীমাৰ জোখ লওঁ আহা**





**তলত দিয়া ছবিবোৰৰ পৰিসীমা উলিওৱা (Find out the perimeter of the following figure)**





পৰিসীমা =৫চে মি+৫চে মি+৫চে মি=১৫চে মি





পৰিসীমা =............................................................





পৰিসীমা =............................................................




পৰিসীমা =............................................................




পৰিসীমা =............................................................




পৰিসীমা =............................................................

নাহিদৰ মাকে ১ মিটাৰ ৫০ চে মি দীঘল আৰু ৭০ চে মি বহল কাপোৰ এডোখৰ টেবুলত পাৰিবলৈ কিনিলে। এই কাপোৰ ডোখৰৰ চাৰিওফালে লগাবলৈ মুঠতে কিমান দীঘল লেচ লাগিব?




........................................ চে মি

↔

**পাত এখিলাৰ পৰিসীমা জোখোঁ আহা (Let us measure the perimeter of a leaf)**










- সূতা (string) এডাল লোৱা। চিত্ৰত দেখুওৱাৰ দৰে 'ক'ৰ পৰা 'খ'লৈ আৰু 'খ'ৰ পৰা 'ক' লৈ সূতা এডালেৰে পাত খিলাৰ জোখ লোৱা।
- জোখ লোৱাৰ অন্তত সূতাডালত গাঁঠি (knot) এটা দিয়া।
- গাঁঠি দিয়া মূৰলৈ স্কেলেৰে সূতাডালৰ জোখ লোৱা। এয়াই হৈছে পাতখিলাৰ পৰিসীমা।
- একেদৰে এখন কাঁহী আৰু এপাত খাৰুৰ পৰিসীমা নিজে উলিওৱা।

## জুখি চাওঁ আহা (Let us measure)

***শিক্ষকলৈ নিৰ্দেশনা ঃ*** *(কেইখনমান গণিতৰ কিতাপ ছাত্ৰ-ছাত্ৰীক টেবুলৰ ওপৰত আগুৰি যোৱাকৈ থ'বলৈ দিব। কেইখন কিতাপেৰে টেবুলখন আগুৰিছে চাবলৈ দিব। ইয়াৰ পিছত কেইটামান খালী দিয়াচলাই বাকচ গোটাই ছাত্ৰ-ছাত্ৰীসকলক সেইবোৰেৰে এখন কিতাপ জুখিবলৈ দিব। কেইটা দিয়াচলাই বাকচেৰে কিতাপখন আগুৰিলে চাবলৈ দিব।)*






-------- খন গণিতৰ কিতাপেৰে টেবুলখন আগুৰিছে।

কিতাপখন------টা দিয়াচলাই বাকচে আগুৰিছে।

**তলৰ জালিখন মন কৰা আৰু লিখা (Look at the net and answer the following questions)**





জালিখনত মুঠ বৰ্গৰ (squares) সংখ্যা ? ......................

জালিখনৰ দীঘ (length)................. চে মি

প্ৰস্থ (breadth) .............. চে মি


এইবাৰ দিয়াচলাই বাকচ এটা এই জালিখনৰ ওপৰত থোৱা। বাকচটোৱে জালিৰ কেইটা ঘৰ বা বৰ্গ আগুৰিছে (covered) গণনা কৰি লিখা ................ টা

সকলোৱে সমান ঘৰ পালানে ?








**তলৰ জালিত ৰং দিয়া ছবিবোৰত কেইটাকৈ বৰ্গ আছে লিখা। কোনটো ৰঙৰ ৰঙীন ছবিয়ে জালিত বেছি ঠাই আগুৰিছে? তলত দিয়া প্ৰত্যেকটো বৰ্গৰ বাহুৰ জোখ ১ চে মি। (How many coloured squares are there in the following net. Which Colour covers maximum number of squares. Each side of the square is 1 cm)**




তলৰ আয়তটোত কেইটা বৰ্গ আছে গণনা কৰি লিখা
(How many squares are there in the rectangle ?)




তলৰ বৰ্গটোত কেইটা সৰু বৰ্গ আছে গণনা কৰি লিখা
(How many small squares are there in the square ?)




**তলৰ জালিৰ প্ৰত্যেকটো বৰ্গৰ বাহুৰ জোখ ১ চে মি। ৰং দিয়া অংশই জালিৰ কিমান সৰু বৰ্গ আগুৰিছে গণনা কৰা। (The side of each square is 1cm) Find the number of squares covered by the shaded part in each of the nets below)**


***শিক্ষকলৈ নিৰ্দেশনা ঃ*** *যদি এটা বৰ্গৰ ৰং দিয়া অংশই আধাতকৈ বেছি অংশ আগুৰি আছে তেনেহ'লে এটা ঘৰ হিচাপে গণিব লাগিব। যদি ৰং দিয়া অংশই বৰ্গ এটাৰ আধা অংশ আগুৰে তেন্তে অন্য এটা বৰ্গৰ আধাৰ লগত যোগ দিব লাগিব। যদি ৰং দিয়া অংশ আধাতকৈ কম তেতিয়া হ'লে সেই অংশ বাদ দিব পাৰিব।*




১৬ টা ঘৰ



৬ টা ঘৰ




________



________

**তলৰ ছবিত থকা পাত দুখিলাই জালিৰ কেইটা সৰু বৰ্গ আগুৰিছে গণনা কৰি লিখা।**
(Count and write the number of squares covered by the leaves below)




ক = ............. টা ঘৰ

খ = ............. টা ঘৰ

- কোনটো পাত ডাঙৰ ☐
- কোনটো পাত সৰু ☐

## পাঠ-১৪
## Lesson-14

# সময়
# Time

অংকিতা আৰু অংকুৰ কোনে ৰাতিপুৱা আগতে শোৱাপাটীৰ পৰা উঠে আলোচনা কৰি আছিল।
**(Ankita and Ankur were talking about who gets up early from bed.)**



মই ৰাতিপুৱা ৬ বাজি
১০ মিনিটত উঠো





মই তেনেহ'লে তোমাতকৈ
৫ মিনিট আগতে উঠো





আমি মিনিট
কেনেদৰে চাব লাগে?





মিনিটৰ কাঁটাডাল ১২ৰ পিছত
যিমান ডাল আঁচ পাৰ হয় সেয়াই হ'ল
মিনিটৰ হিচাপ। ঘড়ীটোত চোৰা-
মিনিটৰ কাঁটাডাল ৩ত আছে। তাৰ
মানে ১২ৰ পৰা ৩ লৈ ১৫ ডাল আঁচ
আছে। গতিকে সময় হৈছে
৫ বাজি ১৫ মিনিট।

**অনন্যাৰ বিদ্যালয়লৈ যোৱা সময় চাওঁ আহা (Let us look at the time Ananya goes to school)**




৮ বাজি ৩০ মিনিট



**অংকুৰৰ স্কুল ছুটী হোৱা সময় চাওঁ আহা (Let us look at the time Ankur's school is over)**





২ বাজি ৩০ মিনিট

**জানি লওঁ আহা ঃ** ঘড়ী এটাত মিনিটৰ কাঁটাডাল ঘণ্টাৰ কাঁটাতকৈ অলপ দীঘল হয়।

**শেৱালি, ৰক্তিম আৰু ৰহিমে ঘড়ীত সময় চাইছে। কোনজনে শুদ্ধকৈ চাইছে ✓ চিন দিয়া। Sangita, Raktim and Rahim are reading the time in a clock. Put a ✓ on who is reading the time correctly)**

| সময় | শেৱালি | ৰক্তিম | ৰহিম |
|---|---|---|---|
|  | ১২:২০ | ১২:০৪ | ৪:০০ |
|  | ৬:০৮ | ৬:৪০ | ৮:০০ |
|  | ১০:২৫ | ১০:০৫ | ৪:৫০ |

**তলৰ সময়বিলাক ঘড়ীত আঁকি দেখুওৱা (Draw the minute hand and hour hand in the clocks according to the time)**



৪:২৫



৩:৪০



৬:৪৫



২:২৫



১১:১৫

**ঘড়ী চাই মিনিটৰ কাঁটাডাল ঘূৰিবলৈ কিমান সময় লাগিব লিখা? (Look at the clocks and write how much time minute hand will take to move)**






= ১৫ মিনিট

৫ বাজি ৫ মিনিটৰ পৰা ৫ বাজি ২০ মিনিটলৈ





=

৩ বাজি ১০ মিনিটৰ পৰা ৩ বাজি ৩৫ মিনিটলৈ





=

৭ বাজি ২০ মিনিটৰ পৰা ৭ বাজি ৩০ মিনিটলৈ


## প্ৰকল্প (Project)

ৰেডিঅ'ত প্ৰতিদিনে (everyday) সূৰ্য উদয় আৰু অস্ত যোৱাৰ সময় প্ৰচাৰ কৰে। এটা সপ্তাহৰ বাবে এই সময় তালিকাত দিয়াৰ দৰে লিপিবদ্ধ (record) কৰা।

| মাহ (Month)......................... | | |
|---|---|---|
| বাৰ | সূৰ্য উদয় হোৱা সময় | সূৰ্য অস্ত যোৱা সময় |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |

**তলৰ ছবিত দেখুওৱা কামবোৰ কৰিবলৈ তোমাৰ কিমান সময় (মিনিট) লাগে? (How much time is needed to do the following works)**


(প্ৰথমে অনুমান কৰা। পিছত তোমাৰ অনুমান শুদ্ধনে নিজে পৰীক্ষা কৰি চোৱা)



১ লিটাৰ পানী উতলাবলৈ



পঢ়া টেবুলখন চাফচিকুণ কৰিবলৈ



গাটো ধুবলৈ



ঘৰত ৰাতিৰ আহাৰ প্ৰস্তুত কৰোঁতে



ফুটবল খেল এখন খেলিবলৈ



ঘৰৰ পৰা বজাৰলৈ যাওঁতে

**তলৰ কামবোৰ কৰোঁতে কিমান সময় লাগিল তোমাৰ বন্ধু এজনক ঘড়ীত চাবলৈ কোৱা।**



এখন ভৰিৰ ওপৰত থিয় হৈ থকা



নোৰোৱাকৈ স্কিপিং কৰা




নোৰোৱাকৈ কু-কু কৈ মাতা


## ৰেল ষ্টেচনত ঈশান আৰু দেউতাক (Ishaan and his father in the railway station)

গৰমৰ বন্ধৰ সময়ত এদিন ঈশানে দেউতাকৰ লগত ৰে'লেৰে চহৰত থকা পেহীয়েকৰ ঘৰলৈ যাবলৈ ওলাল। তেওঁলোক ৫:৪৫ বজাত ষ্টেচনত উপস্থিত হ'ল। কিন্তু তেওঁলোক অহাৰ আগতে ৰে'লখন গুচি গ'ল। তেওঁলোকে একো বুজিব নোৱাৰি ষ্টেচন মাষ্টৰজনৰ লগত কথা পাতিলে—










তলৰ তালিকাখনত তোমাৰ ঘড়ীৰ সময়বোৰ দিয়া আছে। এতিয়া ২৪ ঘণ্টীয়া ঘড়ীত সেই সময়বোৰ লিখা। **(The time in your watch is given in the table below. Write the time according to the 24 hour clock)**




| **তোমাৰ ঘড়ীৰ সময়**<br>**(১২ ঘণ্টীয়া ঘড়ীৰ সময়)**<br>(12 hour clock) | **২৪ ঘণ্টীয়া ঘড়ীৰ সময়**<br>(24 hour clock) |
|---|---|
| আবেলি ১ বজা | ১৩:০০ ঘণ্টা |
| আবেলি ২ বজা | ১৪:০০ ঘণ্টা |
| আবেলি ৩ বজা | __________ ঘণ্টা |
| আবেলি ৪.৩০ বজা | __________ ঘণ্টা |
| সন্ধিয়া ৬ বজা | __________ ঘণ্টা |
| ৰাতি ১০ বজা | __________ ঘণ্টা |
| ৰাতি ১২ বজা | __________ ঘণ্টা |







**সমস্যা সমাধান কৰা (Solve the problems)**

- ধৰা এখন ৰে'ল ৰাতি ৯.৩০ বজাত এৰিব। এই সময়টো ৰে'ল বিভাগৰ টিকটত কিদৰে লিখা থাকিব?
- ১২ ঘণ্টীয়া ঘড়ীত সময় সন্ধিয়া ৮:১৫ বাজিলে, ২৪ ঘণ্টীয়া ঘড়ীত এই সময় কিদৰে লিখা থাকিব?
- ১২ ঘণ্টীয়া ঘড়ীত ৰাতিপুৱা ৯ বাজিলে, ২৪ ঘণ্টীয়া ঘড়ীত এই সময় কিদৰে লিখা থাকিব?
- ২৪ ঘণ্টীয়া ঘড়ীত দুপৰ নিশা ০০:০০ লিখা থাকিলে, ১২ ঘণ্টীয়া ঘড়ীত এই মান কিমান হ'ব ?

## জানি লওঁ আহা (Let us learn)

এটা ১২ ঘণ্টীয়া ঘড়ীত প্ৰতিটো সময় দিনত দুবাৰকৈ আহে। ৰাতি ১২ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ am লিখা হয়। আকৌ দুপৰীয়া ১২ বজাৰ পৰা ৰাতি ১২ বজালৈ pm লিখা হয়।



## নিজে লিখা

ৰাতিপুৱা ৭.৩০ বজাত = ৭.৩০ am

গধূলি ৭.৩০ বজাত = ৭.৩০ pm

ৰাতিপুৱা ১১.৫০ বজাত = ..............................................

ৰাতিপুৱা ৫ বজাত = ..............................................

দুপৰীয়া ২ বজাত = ..............................................

দুপৰীয়া ৩ বজাত = ..............................................

ৰাতিপুৱা ৯ বজাত = ..............................................

* তলত উল্লেখ কৰা সময় সমূহত am আৰু pm ব্যৱহাৰ কৰি লিখা।

**(Use 'am' and 'pm' to write the time for the following words)**


তোমাৰ স্কুল আৰম্ভ হোৱাৰ সময় ____________________।

বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ সময় ____________________।

আবেলি খেলিবলৈ যোৱাৰ সময় ____________________।

ৰাতিপুৱা উঠাৰ সময় ____________________।

ঘৰত নিশাৰ আহাৰ গ্ৰহণ কৰাৰ সময় ____________________।



ৰণোজৰ দিনটোৰ কামৰ তালিকাখন ১২ ঘণ্টীয়া ঘড়ীৰ সময় মতে দিয়া হৈছে। এতিয়া তুমি তালিকাখন ২৪ ঘণ্টীয়া ঘড়ীৰ সময় মতে লিখা

| **ৰণোজৰ কামৰ তালিকা (১২ ঘণ্টীয়া ঘড়ী মতে)** | **২৪ ঘণ্টীয়া ঘড়ীত সময়সূচী** |
| --- | --- |
| ৬.০০ am– পুৱা শুই উঠে | ৬.০০ |
| ৬.২০ am– ব্যায়াম কৰে | ৬.২০ |
| ৬.৪০ am– গাখীৰ খায় | .................. |
| ৬.৪৫ am– পঢ়িবলৈ বহে | .................. |
| ৮.০০ am– গা ধোৱে | .................. |
| ৮.৪৫ am– স্কুললৈ যায় | .................. |
| ৩.৩০ pm– স্কুলৰ পৰা ঘৰলৈ আহে | .................. |
| ৪.৩০ pm– খেলিবলৈ যায় | .................. |
| ৬.০০ pm– প্ৰাৰ্থনাত বহে | .................. |

## জানি লওঁ আহা (Let us learn)

| | | |
| --- | --- | --- |
| ৬০ মিনিট | = | ১ ঘণ্টা |
| ২৪ ঘণ্টা | = | ১ দিন |
| ১ সপ্তাহ | = | ৭ দিন |
| ৩০ দিন | = | ১ মাহ |
| ৩৬৫ দিন | = | ১ বছৰ |



*(**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিক্ষকে এক সপ্তাহত কিমান দিন, এক ঘণ্টাত কিমান মিনিট আদি কথাবোৰ ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰিব।*

## *      জাহ্নবীৰ জন্মদিন (Jahnavi's birthday)



মা, আমাৰ শ্ৰেণীৰ জাহ্নবীৰ আজি জন্মদিন। এই জন্মদিন বোলে আৰু ৪ বছৰৰ পিছতহে আহিব। মোৰ দেখোন প্ৰতি বছৰে জন্মদিন হয়।



তাৰমানে তাইৰ জন্মদিন ২৯ ফেব্ৰুৱাৰী, যিটো দিন প্ৰতি ৪ বছৰৰ মূৰত এবাৰহে আহে। এই বছৰটোত মুঠ দিনৰ সংখ্যা ১ দিন বাঢ়ি ৩৬৬ দিন হয়গৈ। ২৯ দিনীয়া ফেব্ৰুৱাৰী মাহ থকা বছৰক **অধিবৰ্ষ** বা **লিপইয়েৰ (leap year)** বোলে।




এই বছৰটোত বাকী থকা মাহকেইটাৰ দিনবোৰ পৰিৱৰ্তন হয় নেকি?



বাকী থকা মাহকেইটাৰ দিনৰ কোনো পৰিৱৰ্তন নহয়, কেৱল ফেব্ৰুৱাৰী মাহটোতহে এদিন বাঢ়ি ২৯ দিন হয়গৈ। সেয়েহে **লিপইয়েৰ** হোৱা বছৰটোত ৩৬৬ দিন থাকে।

## শিকোঁ আহা (Let us learn)

বছৰটোৰ মাহবোৰ ৩০ নে ৩১ দিনীয়া গণি চোৱা



**গৰমৰ বন্ধত আইতাৰ ঘৰত প্ৰীতিলতা (Pritilata's visit to her grandmother's house)**

গৰমৰ বন্ধত প্ৰীতিলতা আইতাকৰ ঘৰত কিছুদিনৰ বাবে থাকিবলৈ গৈছিল। সময় অনুযায়ী তাই তাত কি কি কৰিছিল চাওঁ আহা

- প্ৰীতিলতাই আবেলি ৪.৩০ত খেলিবলৈ গৈছিল। তাই ৪৫ মিনিট খেলিলে। তাই কেইটা বজাত ঘৰলৈ উভতি আহিল?

    ৪.৩০ + ৩০ মিনিট = ৫.০০

    ৫.০০ + ১৫ মিনিট = ৫.১৫ মিনিট

    অৰ্থাৎ তাই ৫.১৫ মিনিটত ঘৰলৈ উভতি আহিছিল।

- প্ৰীতিলতাই ৰাতি ৯.০০ pm ত শুবলৈ যায় আৰু ৰাতিপুৱা ৬ am ত উঠে।

    তাই কিমান সময় শোৱে? [ ]

- প্ৰীতিলতাই আইতাকৰ লগত ৰাতি ৮.২০ বজাত ভাত খায়। এতিয়া সময় ৰাতি ৮ বাজিছে। তেওঁলোকৰ ভাত খাবলৈ আৰু কিমান সময় বাকী আছে চাওঁ আহা।


| | |
|---|---|
| ভাত খোৱাৰ সময় | ৮.২০ pm |
| এতিয়াৰ সময় | ৮.০০ pm |
| ভাত খাবলৈ বাকী থকা সময় | মিনিট |



**তলৰ তাৰিখবোৰৰ মাজৰ দিন/সময়বোৰ গণনা কৰা**

**How many days/times are there between**

- ১২ আগষ্টৰ পৰা ৯ অক্টোবৰলৈকে কিমান দিন?
- জানুৱাৰীৰ ১৬ তাৰিখৰ পৰা মাৰ্চৰ ১৭ লৈকে কিমান দিন?
- ৮ am ৰ পৰা ১১ am লৈ কিমান সময়?
- ২ am ৰ পৰা ৪ am লৈ কিমান সময়?
- ১১ am ৰ পৰা ৩ pm লৈ কিমান সময়?
- ৯.৩০ pm ৰ পৰা ১০ pm লৈ কিমান সময়?



## দোকানত এদিন (One day in a shop)

চেঙচেং আৰু তাৰ বায়েক এদিন দোকানলৈ গ'ল। তেওঁলোকে তাত এটা জেলীৰ বটল কিনিলে। কিনাৰ আগতে বায়েকে তাত লিখা তাৰিখটো চালে। তাত প্ৰস্তুত কৰা তাৰিখটো লিখা আছিল ৪ মাৰ্চ ২০১৮ বুলি। বটলটো ৬ মাহৰ ভিতৰত ব্যৱহাৰ কৰিব লাগিব বুলি লিখা আছিল। এতিয়া চেঙচেঙহঁত দোকানত যোৱা দিনটো আছিল ৪ জুলাই ২০১৮। তেওঁলোকে কিমান দিনৰ ভিতৰত বটলৰ জেলীখিনি খাই শেষ কৰিব লাগিব? [ ]

## ঘড়ীৰ লগত সময়বোৰ মিলাও আহা
## Match the time with the clock



৬ বাজি ৪০ মিনিট



৪ বাজি ৫০ মিনিট



৬ বাজি ৫ মিনিট



৫ বাজি ১৫ মিনিট



১২ বাজি ২০ মিনিট

# মৌখিক গণিত

- ৯, ৩, ৬ ৰে গঠিত আটাইতকৈ ডাঙৰ সংখ্যাটো কি?
- ৪, ৫, ৮ ৰে গঠিত আটাইতকৈ সৰু সংখ্যাটো কি?
- ৫১৯ আৰু ৫২৯ ৰ মাজত কোনটো সংখ্যা ডাঙৰ?
- ১০ টকাত কিমান পইচা হ'ব?
- ৰীমাই কাগজত ৫ চেণ্টিমিটাৰ এটা বৃত্ত আঁকিলে। বৃত্তটোৰ ব্যাস কিমান?
- ৮৯৯ ৰ লগত ১০০ যোগ কৰিলে কিমান হ'ব?
- ৰুবুলে ২০০ টকা লৈ বজাৰলৈ গ'ল। তেওঁ ৯০ টকাৰে পাচলি কিনিলে আৰু ৬০ টকাৰে বিস্কুট কিনিলে। ৰুবুলৰ হাতত কিমান টকা বাকী থাকিল?
- ৪ মিটাৰ ৬০ চেণ্টিমিটাৰ এডোখৰ কাপোৰৰ পৰা ৩ মিটাৰ ৫০ চেণ্টিমিটাৰ কাটি উলিয়ালে কিমান কাপোৰ থাকিব?
- জয়শ্ৰীৰ ৫ ডাল মালা আছিল। এডাল মালাত ১০টাকৈ মণি থাকিলে ৫ ডাল মালাত কেইটা মণি থাকিব?
- মীৰাৰ ১০ টা ক'লা আৰু বগা ছাগলী আছে। তাৰে $\frac{১}{২}$ অংশ ছাগলী ক'লা, বগা ছাগলী কেইটা আছে?
- ইমানুৱেলৰ হাতত ২৭টা মাৰ্বল আছিল। সি আৰু তাৰ চাৰিজন বন্ধুৱে মিলি মাৰ্বলকেইটা ভগাই ল'লে গাইপতি কেইটাকৈ মাৰ্বল পাব আৰু কেইটা মাৰ্বল ৰৈ যাব?
- ২ লিটাৰ পানীৰ বটলেৰে ২০ লিটাৰৰ কলহ এটাত কেই বটল পানী ঢালিব লাগিব?
- তুমি বজাৰলৈ ৰাতিপুৱা ১০.১৫ বজাত গৈ ১১.১৫ বজাত উভতি আহিলা। তুমি কিমান সময় বজাৰত আছিলা?
- মাৰ্চ মাহত কেইদিন থাকে?

**শুদ্ধটোত (✓) চিন দিয়া**

- এটা সংখ্যাৰ এককৰ ঘৰৰ অংকটো ৪। দহকৰ ঘৰৰ অংকটো এককৰ ঘৰৰ অংকটোতকৈ ১ বেছি। শতকৰ ঘৰৰ অংকটো দহকৰ ঘৰৰ অংকতকৈ ২ কম। সংখ্যাটো —

  (ক) ২৯৬ (খ) ৩৫৪ (গ) ৩২৪ (ঘ) ৫১৩

- এটা সংখ্যাৰ -এককৰ ঘৰৰ অংকটো ৫, দহকৰ ঘৰৰ অংকটো এককৰ ঘৰৰ অংকতকৈ ৩ বেছি। সংখ্যাটো —

  (ক) ৭৫ (খ) ৮৫ (গ) ৫৫ (ঘ) ৬৫

- আটাইতকৈ সৰু সংখ্যাটো ?

  (ক) ৮০০ (খ) ৯০০ (গ) ১০০ (ঘ) ৫০০

- ৩, ২, ১ তলৰ অংককেইটাৰে গঠিত আটাইতকৈ সৰু সংখ্যাটো—

  (ক) ২৩১ (খ) ৩২১ (গ) ১২৩ (ঘ) ২১৩

- ৭৮৫ সংখ্যাটোৰ ৮ ৰ স্থানীয় মান আৰু নিজা মানৰ যোগফল

  (ক) ৮০ (খ) ৮৮ (গ) ৮৫ (ঘ) ৫৮

- ১০০০ ৰ পৰা ৯৯৯ বিয়োগ কৰিলে পোৱা সংখ্যাটো

  (ক) ১০ (খ) ১ (গ) ১০০ (ঘ) ৯৯

- দুপৰীয়া ১০ বাজি পোন্ধৰ মিনিট

  (ক) ১০.৪৫ am (খ) ১০.১৫ pm (গ) ১০.১৫ am (ঘ) ১০.৩০ am

- ৰাতি ১২ বাজিবলৈ ১৫ মিনিট বাকী

  (ক) ১১.৪৫ pm (খ) ১১.৪৫ am (গ) ১২.১৫ pm (ঘ) ১২.১৫ am

- আব্ৰাহম ঘৰৰ পৰা বিদ্যালয়লৈ ৭.৪৫ amত যায় আৰু ৮.২০ amত বিদ্যালয় পায়। ঘৰৰ পৰা বিদ্যালয় পাবলৈ তেওঁৰ কিমান সময় লাগে

  (ক) ১০ মিনিট (খ) ২৫ মিনিট (গ) ৩৫ মিনিট (ঘ) ৪৫ মিনিট

- শনিবাৰে যদি ৯ তাৰিখ হয় তেন্তে তাৰ পিছৰ শনিবাৰত কেই তাৰিখ হ'ব?

  (ক) ১৩ (খ) ১৪ (গ) ১৫ (ঘ) ১৬

- সম্পূৰ্ণ এটা পাক ঘূৰিবলৈ মিনিটৰ কাঁটাডালক সময় লাগে

  (ক) ১২ ঘণ্টা (খ) ১ ঘণ্টা (গ) ২৪ ঘণ্টা (ঘ) ৬ ঘণ্টা

- জেকবে আবেলি ২ ঘণ্টা খেলিলে। যদি তেওঁ ৫ pm ত খেলা শেষ কৰে তেন্তে তেওঁ কেতিয়া খেলিবলৈ আৰম্ভ কৰিছিল?

  (ক) ৪.০০ pm (খ) ৩.০০ pm (গ) ৩.২৫ pm (ঘ) ৪.০০ am

- মিনিটৰ কাঁটাডালে ৬ৰ পৰা ৮ লৈ যাওঁতে কিমান সময় লয়?

  (ক) ৫ মিনিট (খ) ১০ মিনিট (গ) ৩০ মিনিট (ঘ) ১ মিনিট

- চুঙা এটাৰ কেইটা চুক আছে?

  (ক) ০ (খ) ১ (গ) ২ (ঘ) ৩

- ঘনক এটাৰ .............. কাষ .............. তল আৰু ............ চুক আছে

  (ক) ৮ খন তল ৬ টা চুক আৰু ১২ টা কাষ

  (খ) ৬ খন তল ৮ টা চুক আৰু ১২ টা কাষ

  (গ) ১২ খন তল ৬ টা চুক আৰু ৪ টা কাষ

  (ঘ) ৬ খন তল ১২ টা চুক আৰু ৪ টা কাষ

- পূৰণ কৰা

  (ক) ৩৫ × ১০ = ? (খ) ৪২ ÷ ১ = ?

  (গ) ০ ÷ ২০ = ? (ঘ) ৩৩০ - ২১৫ ?

- এডাল কলমৰ দাম ১২ টকা হ'লে ৩ ডাল কলমৰ দাম কিমান ?


- চাৰি দহকক চাৰিৰে হৰণ কৰিলে ভাগফল কিমান হ'ব?

- ৫৬ ক ৭ৰে হৰণ কৰিলে ভাগফল কিমান হ'ব আৰু ভাগশেষ কিমান হ'ব।

- তলৰ কোনবোৰ সংখ্যা যুগ্ম নহয় ?

  ১১২,  ২২৮, ১৫৭, ৫৭০


- কাষৰ আকৃতিটোৰ নাম কি ?




- তলত দিয়া সংখ্যাবোৰৰ অযুগ্ম সংখ্যাবোৰত (✓) দিয়া

  ১৪২, ১৩৩, ১২১, ১৪২, ৯৭

- ৫ টকাত ৫০ পইচাৰ কেইটা মুদ্ৰা থাকিব ?
- ১ ঘণ্টাত কেইমিনিট থাকে ?
- ৫ মিটাৰত কিমান চেণ্টিমিটাৰ থাকে ?
- হেনৰীয়ে বজাৰৰ পৰা ৮০০ গ্ৰাম আলু কিনিলে। আৰু কিমান গ্ৰাম আলু কিনিলে ১ কিলোগ্ৰাম হ'ব।
- $\frac{১}{২}$ ৰ সমতুল্য ভগ্নাংশ লিখা
- এটা কলৰ দাম ৫ টকা হ'লে ২ ডজন কলৰ দাম কিমান ?
- ২ মিটাৰ বাহুৰ জোখৰ বৰ্গাকৃতিৰ টেবুল এখনৰ চাৰিসীমা কিমান ?
- ছবিবোৰৰ ৰং দিয়া অংশবোৰ ভগ্নাংশত লিখা।



- তলৰ সময়বোৰ ২৪ ঘণ্টীয়া ঘড়ীৰ সময় মতে লিখা



am pm am pm

# চতুৰ্থ শ্ৰেণী

## পাঠ অনুযায়ী শিকনৰ ফলাফল

| পাঠ<br>Lesson | ক্ষেত্ৰ<br>Domain | শিকনৰ ফলাফল<br>Learning Outcomes |
|---|---|---|
| ১ | আকৃতি আৰু নক্সা | • চৌপাশত থকা আকৃতিবিলাকৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ বোধ হ'ব।<br>• টালিত ব্যৱহাৰ হোৱা আকৃতি বিচাৰিবলৈ জানিব।<br>• প্ৰদত্ত জালিৰ সহায়ত সুষম ঘনক/আয়তীয় ঘনক প্ৰস্তুত কৰিব পাৰিব।<br>• কাগজ ভাঁজ কৰি/কাগজ কাটি, চিয়াঁহীৰ টোপাল ইত্যাদিৰে প্ৰতিফলনৰ দ্বাৰা সমমিতিৰ ধাৰণা দেখুৱাব পাৰিব। |
| ২ | সংখ্যা | • ১০০০০ লৈকে সংখ্যাৰ পৰিচয় আৰু ৯৯৯ৰ ভিতৰত যোগ-বিয়োগ কৰিব পাৰিব।<br>• দৈনন্দিন জীৱনত সংখ্যাৰ মৌলিক প্ৰক্ৰিয়া প্ৰয়োগ কৰিব পাৰিব। |
| ৩ | জোখ-মাখ (দৈৰ্ঘ্য) | • মিটাৰক চেণ্টিমিটাৰলৈ আৰু চেণ্টিমিটাৰক মিটাৰলৈ পৰিৱৰ্তন কৰিব পাৰিব।<br>• দুটা অৱস্থানত থকা বস্তুৰ দৈৰ্ঘ্য বা দূৰত্ব অনুমান কৰিব পৰা কৌশল আয়ত্ব কৰিব পাৰিব আৰু সঠিক জোখৰ লগত সত্যাসত্য নিৰূপণ কৰিব পাৰিব। |
| ৪ | টকা পইচা | • পাটিগণিতৰ মৌলিক চাৰি প্ৰক্ৰিয়াৰ ব্যৱহাৰৰ দ্বাৰা দৈনন্দিন জীৱনত উদ্ভৱ হোৱা টকা-পইচা সম্বন্ধীয় সমস্যাৰ সমাধান কৰিব পাৰিব। |
| ৫ | বৃত্ত | • বৃত্তৰ কেন্দ্ৰ, ব্যাসাৰ্ধ আৰু ব্যাস চিনাক্তকৰণ কৰিব পাৰিব। |
| ৬ | পূৰণ | • দুটা অংক বিশিষ্ট আৰু তিনিটা অংক বিশিষ্ট সংখ্যাৰ পূৰণ কৰিব পাৰিব। |
| ৭ | ওজন | • বিভিন্ন বস্তুৰ ওজন অনুমান কৰিব পৰা কৌশল আয়ত্ব কৰিব আৰু সঠিক জোখৰ লগত সত্যাসত্য নিৰূপণ কৰিব পাৰিব।<br>• পাটিগণিতৰ মৌলিক চাৰি প্ৰক্ৰিয়াৰ ব্যৱহাৰৰ দ্বাৰা দৈনন্দিন জীৱনত উদ্ভৱ হোৱা ওজন সম্বন্ধীয় সমস্যাৰ সমাধান কৰিব পাৰিব। |
| ৮ | ভগ্নাংশ | • কাগজ ভাঁজ কৰি বা বস্তুৰ সংগ্ৰহৰ পৰা এটা বস্তুৰ আধা, একা চতুৰ্থাংশ, তিনি চতুৰ্থাংশ চিনাক্ত কৰিব পাৰিব।<br>• সংখ্যা ব্যৱহাৰ কৰি আধা, এক চতুৰ্থাংশ আৰু তিনি চতুৰ্থাংশ ভগ্নাংশত প্ৰকাশ কৰিব পাৰিব।<br>• সমতুল্য ভগ্নাংশ জানিব। |

| পাঠ<br>Lesson | ক্ষেত্ৰ<br>Domain | শিকনৰ ফলাফল<br>Learning Outcomes |
|---|---|---|
| ৯ | হৰণ | • বিভিন্ন পদ্ধতিৰে, যেনে— ছবি (ফুট ফুট আঁকি)ৰে, সমানে ভাগ কৰি, বাৰে বাৰে বিয়োগ কৰি আৰু পূৰণ আৰু হৰণৰ মাজত থকা সম্বন্ধ ব্যৱহাৰ কৰি এটা সংখ্যাক আন এটা সংখ্যাৰে হৰণ কৰিব পাৰিব। |
| ১০ | চানেকি | • পূৰণ আৰু হৰণৰ চানেকি চিনাক্তকৰণ কৰিব পাৰিব (৯ৰ গুণিতকলৈকে)।<br>• সমমিতিত থকা জ্যামিতিক চানেকিবোৰ পৰ্যৱেক্ষণ, চিনাক্তকৰণ আৰু বিস্তৃতভাৱে কৰিব পাৰিব। |
| ১১ | আয়তন | • বিভিন্ন জুলীয়া বস্তুৰ আয়তন অনুমান কৰিব পৰা কৌশল আয়ত্ব কৰিব আৰু সঠিক জোখৰ লগত সত্যাসত্য নিৰূপণ কৰিব পাৰিব।<br>• পাটিগণিতৰ মৌলিক চাৰি প্ৰক্ৰিয়াৰ ব্যৱহাৰৰ দ্বাৰা আয়তন সম্বন্ধীয় সমাধান কৰিব পাৰিব। |
| ১২ | তথ্যৰ ব্যৱহাৰ | • সংগৃহীত তথ্যসমূহ তালিকা আৰু দণ্ড লেখৰ সহায়ত উপস্থাপন কৰিব পাৰিব আৰু ব্যাখ্যা কৰিব পাৰিব। |
| ১৩ | পৰিসীমা আৰু কালি | • সৰল জ্যামিতিক আকৃতি (ত্ৰিভুজ, আয়ত, বৰ্গ)ৰ কালি আৰু পৰিসীমা এটা প্ৰদত্ত আকৃতিৰ একক হিচাপে উলিয়াব পাৰিব। উদাহৰণস্বৰূপে, টেবুলৰ ওপৰখন কেইখন একে ধৰণৰ কিতাপৰে সম্পূৰ্ণকৈ পূৰাব পাৰিব। |
| ১৪ | সময় | • ঘণ্টা আৰু মিনিটত সময় ক'ব পাৰিব আৰু সময়ক a.m. আৰু p.m.ত প্ৰকাশ কৰিব পাৰিব।<br>• ১২ঘণ্টীয়া ঘড়ী সাপেক্ষে ২৪ ঘণ্টীয়া ঘড়ীৰ সম্পৰ্ক স্থাপন কৰিব পাৰিব। |

**পাঠ প্ৰস্তুতকৰণত জড়িত অংশগ্ৰহণকাৰীসকল**

শ্ৰীযুত প্ৰবীণ চন্দ্ৰ বৰ্মন, অৱসৰপ্ৰাপ্ত শিক্ষক, ৰিফাইনেৰী হাইস্কুল, নুনমাটি, গুৱাহাটী
শ্ৰী কানাইলাল দে, জ্যেষ্ঠ প্ৰবক্তা, ডায়েট, কৰিমগঞ্জ
শ্ৰীমতী মিনতি পাল দেৱ, জ্যেষ্ঠ প্ৰবক্তা, ডায়েট, বঙাইগাঁও
মঃ মনোৱাৰ হুছেইন, প্ৰবক্তা, ডায়েট, বৰপেটা
শ্ৰী কিশোৰ কুমাৰ দাস, গ্ৰেজুয়েট ইন্সট্ৰাক্টৰ, বি.টি.চি, নলবাৰী
শ্ৰীমতী টুলুমণি পাঠক, প্ৰবক্তা, ডায়েট, তিনিচুকীয়া
শ্ৰীমতী কাকলি পেগু, প্ৰবক্তা, ডায়েট, ধেমাজি
শ্ৰীগিৰীন্দ্ৰ কাশ্যপ, প্ৰধান শিক্ষক, গলীয়া প্ৰাথমিক বিদ্যালয়, নলবাৰী
মিজানুৰ ৰহমান, সমন্বয়ক, মণ্ডল সমল কেন্দ্ৰ, বিলাসীপাৰা, ধুবুৰী
শ্ৰী তিলক কুমাৰ মহন্ত, সহকাৰী শিক্ষক, নাৰায়ণপুৰ বালিকা মজলীয়া বিদ্যালয়, লক্ষীমপুৰ
শ্ৰী দীপজ্যোতি চহৰীয়া, প্ৰধান শিক্ষক, বিলাসীপাৰা প্ৰাথমিক বিদ্যালয়

**পুনৰীক্ষক**

ড° তাৰকেশ্বৰ চৌধুৰী, অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, গণিত বিভাগ, কটন কলেজ
ড° দিলীপ কুমাৰ শৰ্মা, অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, গণিত বিভাগ, কটন কলেজ

**পুনৰীক্ষণ**

ৰূপম দাস, প্ৰবক্তা, ডায়েট, দৰং

**অলংকৰণ ঃ** শ্ৰী পবিত্ৰ কুমাৰ দাস, প্ৰবক্তা, ডায়েট, ধেমাজি,
শ্ৰী কমল কুমাৰ মহন্ত, প্ৰবক্তা, ডায়েট, মিৰ্জা
জুল দত্ত, মুস্তাক আলী, মৃগেন্দ্ৰ কুমাৰ দাস, বিচিত্ৰ কলিতা, সুমন দাস

**ডিটিপি ঃ** উৎসৱ তালুকদাৰ, মুস্তাক আলী, পৰাগ শৰ্মা, সীমা নন্দী, হৃদিকেশ দাস, ত্ৰিনয়ন গগৈ

**সংকলন আৰু সম্পাদনা**

ড°চাজিদা বেগম, উপ-সঞ্চালক, এচ.চি.ই.আৰ.টি, অসম
বন্দনা দুৰৰী, উপ-সঞ্চালক, এচ.চি.ই.আৰ.টি, অসম
কৰবী দাস, উপ-সঞ্চালক, এচ.চি.ই.আৰ.টি, অসম